● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

## দিগ্‌দৰ্শন



শান্তি হৈছে ক্ৰমশঃ পৰিৱৰ্তিত মতৰ এক দৈনিক, সাপ্তাহিক আৰু মাহিলি প্ৰক্ৰিয়া। ই লাহে লাহে পুৰণি বাধা ওফৰায় আৰু নীৰৱে নতুন গাঁথনি নিৰ্মাণ কৰে।

জন এফ কেনেডী
*প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি*

৫ উৰীত সন্ত্ৰাসবাদীৰ বৃহৎ গোটৰ অনুপ্ৰৱেশৰ অপচেষ্টা
১১ শিৰৰ লক্ষ্য এছিয়ান কমনৱেলথ গেমছ
৪ আৰ এছ এফ, আই পি আইৰ উদ্বেগ বিশ্বত মুক্ত সাংবাদিকতাৰ বিপদ ঘণ্টা

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩৪২তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৫ আহিন ১৪২৮ ভাস্কৰাব্দ ২২ ছেপ্টেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 22 September 2021 মূল্য ঃ ৭.০০ টকা

■ গুৱাহাটীত ২৬জনীয়া দল গ্ৰেপ্তাৰৰ ঘটনাই জোঁকাৰিছে গৃহ দপ্তৰক ■ আঠ-ন ছেপ্টেম্বৰত মিজোৰামেৰে প্ৰৱেশ ■ দিল্লী অভিমুখে দলক কোনে দিছিল ভাৰতীয় নাগৰিকত্বৰ জাল নথি

# কোনে আনিছে ম্যানমাৰৰ নাগৰিকক



*মহানগৰীৰ বিভিন্ন স্থানৰ পৰা আৰক্ষীয়ে আটক কৰা মাটিৰ দালাল, মঙলবাৰে।*

■ সংগঠিত ৰূপত ভাৰতলৈ আনি সংস্থাপিত কৰাৰ ষড়যন্ত্ৰ ■ ধৰ্ম প্ৰচাৰ কাৰ্যত নিয়োজিত কৰাই উদ্দেশ্য বুলি সন্দেহৰ সৃষ্টি ■ মিজোৰাম আৰক্ষীৰ জৰুৰী পত্ৰ ■ অসম আৰক্ষীৰ লগতে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰো জেৰা অব্যাহত ■ সম্প্ৰতি জেলত আবদ্ধ



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** ৰহিংগীয়াৰ অনুপ্ৰৱেশক লৈ অব্যাহত সতৰ্কতাৰ মাজতে গুৱাহাটীত যোৱা ১২ ছেপ্টেম্বৰত ম্যানমাৰৰ চিন উপ-জাতিৰ ২৬ জনীয়া এটা দল গ্ৰেপ্তাৰৰ ঘটনাই গৃহ মন্ত্ৰণালয়কো জোঁকাৰিছে। সেয়েহে সম্প্ৰতি কাৰাবন্দী হৈ থকা যুৱক-যুৱতীৰ এই দলটোক কেন্দ্ৰীয় তদন্তকাৰী একাধিক সংস্থাই ইতিমধ্যে জেৰা কৰিছে। সমান্তৰালভাৱে অসম আৰক্ষীৰ জেৰাও অব্যাহত আছে। এনে জেৰাত নতুন এই অনুপ্ৰৱেশকাৰীসকলৰ ক্ষেত্ৰত পোহৰলৈ আহিছে ইয়াৰ অন্তৰালত থকা ষড়যন্ত্ৰৰ তথ্য। উল্লেখ্য যে ম্যানমাৰৰ চিন প্ৰদেশৰ ফালাম আঠ পৃষ্ঠাত চাওক

দুৰ্নীতি, অকৰ্মণ্যতা, বিফলতা লুকুৱাবলৈ চূড়ান্ত চৰকাৰী মিথ্যাচাৰ, ধাপ্পাবাজি

## যান-বাহন দুৰ্ঘটনা ঃ তীব্ৰগতি একমাত্ৰ কাৰণ নহয়

■ দেৱেন দত্ত



**মোক** ক'বলৈ দিয়ক। বিগত বহু দশক জুৰি মই প্ৰায় সম্পূৰ্ণ অকলশৰে আঙুলিয়াই দি থকা বিশেষ কিছুমান কাৰণত ৰাজ্য চৰকাৰৰ যিটো অত্যন্ত অকৰ্মণ্য তথা অপৰাধী বিভাগ, ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰৰ লোক তথা সংগঠনৰ আঙুলিৰ ফাঁকেদি আঠ পৃষ্ঠাত চাওক

■ আমাৰ হাতত সাতশ দালালৰ নাম আছে, বেছি খান্দিলে আন আন নামো আহিব ঃ শৰ্মা
■ পৰিবহণ-উপায়ুক্ত কাৰ্যালয়-থানাতো দালাল থাকিব নালাগিব বুলি উল্লেখ মুখ্যমন্ত্ৰীৰ

# ৰাজ্যত ৫২০ জন মাটিৰ দালালক আটক

■ জিলাই জিলাই ধৰা পৰিছে গণ্ডাই গণ্ডাই দালাল

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে যোৱা নিশাৰে পৰা অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন চক্ৰ বিষয়াৰ কাৰ্যালয়বোৰত খুঁটি পুতি থকা দালালৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰি আজি নিশা এই প্ৰতিবেদন প্ৰস্তুত কৰা পৰ্যন্ত ৫২০জনক আটক কৰিছে। দীৰ্ঘদিন ধৰি ৰাজ্যত এনে মাটিৰ দালালৰ পাকচক্ৰত পৰি হাৰাশাস্তিৰ সন্মুখীন হোৱা সাধাৰণ লোকৰ সীমা সংখ্যা নাই। চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ একাংশ বিষয়া-কৰ্মচাৰীৰ সহযোগত দালাল চক্ৰই যৌথভাৱে চলাই আহিছে অতপালি। অৱশ্যে বিভিন্নজনে শলাগ ল'লেও এৰা ধৰাৰ মাজেৰেহে আৰক্ষীৰ এই অভিযানৰ চলা বুলিও চৰ্চিত হৈছে। পুঠি-খলিহনাক আটক কৰাৰ বিপৰীতে বহু ৰৌ-বৰালিক সাত পৃষ্ঠাত চাওক



■ জনতাৰ স্বাৰ্থত কাম কৰাৰ বাবেই মোৰ নাম প্ৰস্তাৱ কৰা হৈছে

# সোণোৱাল কাইলৈ বিনা যুঁজেই ৰাজ্যসভালৈ নিৰ্বাচিত ঘোষণা হ'ব

■ মনোনয়ন বৈধ হোৱাৰ পাছতে বিধায়ক পদ এৰিব ■ প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত বিৰোধীক ধন্যবাদ শৰ্মাৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** নিশ্চিত জয়ৰ ফলাফল আগতীয়াকৈ হাতত লৈ আজি অসমৰ ৰাজ্যসভাৰ আসনৰ বাবে মনোনয়ন দাখিল কৰে কেন্দ্ৰীয় আঠ পৃষ্ঠাত চাওক



## অখিল ভাৰতীয় আখৰা পৰিষদৰ মুৰব্বী নৰেন্দ্ৰ গিৰিৰ মৃত্যুত ৰহস্য

প্ৰয়াগৰাজত তিনিজন শিষ্যক গ্ৰেপ্তাৰ



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২১ ছেপ্টেম্বৰ ঃ** দেশৰ আগশাৰীৰ ৰাজনীতিকৰ স'তে সুসম্পৰ্ক থকা প্ৰভাৱশালী আধ্যাত্মিক গুৰু নৰেন্দ্ৰ গিৰিৰ মৃত্যুক লৈ সন্দেহৰ মাজতে গ্ৰেপ্তাৰ হ'ল তেওঁৰ অতি ঘনিষ্ঠ শিষ্যসহ তিনিজন। অখিল ভাৰতীয় আখৰা পৰিষদৰ মুৰব্বী আঠ পৃষ্ঠাত চাওক

দালাল বিৰোধী অভিযানক চমক সৃষ্টিৰ অভিযান আখ্যা বিৰোধীৰ

# ফণী তালুকদাৰক গ্ৰেপ্তাৰ কৰি কান্ধত দিয়া গামোচা ঘূৰাই লওক মুখ্যমন্ত্ৰীয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** ৰাজ্যজুৰি মাটিৰ দালালৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলালেও ৰৌ-বৰালি গ্ৰেপ্তাৰ হোৱা নাই বুলি ইতিমধ্যে অভিযোগ উঠিছে। এই প্ৰসংগতে ৰাজ্যৰ এক কুখ্যাত ভূ-মাফিয়া ৰূপে পৰিচিত তথা সম্প্ৰতি বিজেপিত যোগদান কৰা ভৱানীপুৰৰ সদ্যপ্ৰাক্তন এআইইউডিএফ বিধায়ক ফণীধৰ তালুকদাৰক গ্ৰেপ্তাৰ কৰা হ'ব নে তাকে লৈ বিৰোধীয়ে প্ৰশ্ন কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই ফণীধৰ তালুকদাৰক কেতিয়া গ্ৰেপ্তাৰ কৰিব বুলি প্ৰশ্ন কৰে। তেওঁ কয়, 'মুখ্যমন্ত্ৰীয়ে মাটিৰ দালালক গ্ৰেপ্তাৰ কৰিবলৈ কোৱা কথা সঁচা অৰ্থত 'ফেচ ভেল্যু' হিচাপে ল'ব লাগে। তেনেহ'লে প্ৰত্যাহ্বান জনাইছো ফণীধৰ তালুকদাৰক গ্ৰেপ্তাৰ কৰি দেখুৱাওক। ফণীধৰ তালুকদাৰৰ কান্ধত দিয়া গামোচাখন মুখ্যমন্ত্ৰীয়ে ঘূৰাই লওক। দুই পৃষ্ঠাত চাওক

## আৰক্ষীৰ আবাসতে নাৰী দেহৰ বেহা, কেঁকো সাপো উদ্ধাৰ

আৰক্ষী বিষয়া-মহিলা-যুৱতীসহ ধৃত চাৰি

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** মহানগৰীত যোৱা নিশা স্বয়ং আৰক্ষী বিষয়াৰ পৃষ্ঠপোষকতাতে চৰকাৰী আবাসত দীৰ্ঘদিন ধৰি চলাই অহা এক দুই পৃষ্ঠাত চাওক

■ আলফা (স্বাধীন)ৰে আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ ইংগিত

# পৰেশ বৰুৱাৰ স'তে কথা পাতিবলৈ গৃহমন্ত্ৰীয়ে অনুমতি দিছে ঃ ড° শৰ্মা



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** আলফা (স্বাধীন)ক শান্তি আলোচনাৰ মেজলৈ অনাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজেই পৰেশ বৰুৱাৰ লগত কথা পাতিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অনুমতি প্ৰদান কৰাৰ পৰিপ্ৰেক্ষিতত এই চেষ্টা চলোৱা হ'ব বুলি আজি ইয়াত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। তেওঁ কয় যে কালি দিল্লীত অন্যান্য কে'বাটাও বিষয়ৰ লগতে আলফা (স্বাঃ)ক আলোচনাৰ মেজলৈ অনাৰ প্ৰসংগও কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ লগত চৰ্চা কৰা হয়। মুখ্যমন্ত্ৰীয়ে কয়, 'মই তেতিয়া গৃহমন্ত্ৰীক কও যে যদি তেওঁ অনুমতি দিয়ে তেন্তে মই নিজেই পৰেশ দুই পৃষ্ঠাত চাওক

## বোকাজানত সাত কোটিৰ ড্ৰাগ্‌ছ জব্দ, সৰবৰাহকাৰী দম্পতীক আটক

অগ্ৰদূত বাৰ্তা

**বোকাজান, ২১ ছেপ্টেম্বৰ ঃ** কাৰ্বি আংলঙৰ খটখটীত আজি আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ হয়। লগতে আৰক্ষীয়ে উক্ত ড্ৰাগছ সৰবৰাহকাৰী এক দম্পতীকো আটক কৰে। বোকাজান আৰু খটখটী আৰক্ষীয়ে বোকাজান মহকুমা আৰক্ষী আঠ পৃষ্ঠাত চাওক

■ কোকৰাঝাৰ-ওদালগুৰিত উত্তাল প্ৰতিবাদ ■ ১৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ ■ বিটিচিত স্থায়ী শান্তিৰ পোষকতা

# কোকৰাঝাৰৰ 'সংঘৰ্ষ' ঃ তীব্ৰ প্ৰতিবাদৰ পাছত তদন্ত ঘোষণা কৰিলে দিছপুৰে



ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**গুৱাহাটী/ওদালগুৰি/কোকৰাঝাৰ/কাজলগাঁও, ২১ ছেপ্টেম্বৰ ঃ** যোৱা ১৮ ছেপ্টেম্বৰত কোকৰাঝাৰৰ উল্টাপানীত আৰক্ষীৰে সংঘৰ্ষত নৱগঠিত উগ্ৰপন্থী সংগঠন ইউএলবিৰ দুজন সদস্য নিহত হোৱা বুলি আৰক্ষীয়ে কৰা দাবীক লৈ সৃষ্টি হোৱা প্ৰতিক্ৰিয়াই ব্যাপক ৰূপ ধাৰণ কৰিছে। আৰক্ষীয়ে উগ্ৰপন্থীৰ নামত নিৰীহক পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগত সৰৱ হৈছে বিটিএডিৰ বিভিন্ন আঠ পৃষ্ঠাত চাওক

## মহানগৰীত ১৫ হেজাৰ বিলাসী বাহনে আদায় দিয়া নাই কৰ

গৰাকীৰ ঘৰত চলিব অভিযান ঃ পৰিবহণ বিষয়া


ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** বকেয়া কৰ আদায় নিদিয়া মহানগৰীৰ প্ৰায় ১৫ হেজাৰ বিলাসী বাহন বিচাৰি আজিৰে পৰা অভিযান আৰম্ভ কৰিছে কামৰূপ দুই পৃষ্ঠাত চাওক

■ ইৰানত জাহাজত তুলি ভাৰতলৈ সৰবৰাহ

# আফগানিস্তানৰ পৰা প্ৰেৰণ ২০ হেজাৰ কোটিৰ হেৰ'ইন জব্দ আদানীৰ বন্দৰত

■ নিউজ ব্যুৰ'



**আহমেদাবাদ, ২১ ছেপ্টেম্বৰ ঃ** প্ৰায় ২০ হেজাৰ কোটি টকা মূল্যৰ তিনি টন হেৰ'ইন জব্দ হ'ল গুজৰাটৰ মুন্দ্ৰা বন্দৰত। আদানী গোষ্ঠীয়ে এই বন্দৰ পৰিচালনা কৰে। কালি আদানী গোষ্ঠীৰ বন্দৰতে এই বিপুল পৰিমাণৰ নিষিদ্ধ নিচাযুক্ত সামগ্ৰী জব্দ কৰে ৰাজহ নিৰ্দেশনালয়ৰ চোৰাংচোৱা বিভাগ (ডিআৰআই)ৰ এদল বিষয়াই। আঠ পৃষ্ঠাত চাওক

## জলপ্ৰপাতলৈ যোৱা পথ মেঘালয়ে নিৰ্মাণ কৰাক লৈ উত্তেজনা

ৰাভা ছাত্ৰ সন্থাৰ অসম চৰকাৰৰ হস্তক্ষেপ দাবী

অগ্ৰদূত বাৰ্তা

**বকো, ২১ ছেপ্টেম্বৰ ঃ** কামৰূপৰ অসম-মেঘালয় সীমান্তৱৰ্তী বকোৰ গামেৰিমূৰাত থকা হৌ-হুৱা জলপ্ৰপাতলৈ যোৱা পথ মেঘালয়ে নিৰ্মাণ কৰাক লৈ আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আজি কামৰূপ জিলা দুই পৃষ্ঠাত চাওক

## কুৰিয়াৰ ছাৰ্ভিচৰ গাড়ীৰ পৰা সামগ্ৰী লুটি নিলে

## নগাঁৱত পুৱতি নিশা ডকাইতৰ গুলিত আহত গাড়ীচালক

বিশেষ সংবাদদাতা

**নগাঁও, ২১ ছেপ্টেম্বৰ ঃ** অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে নগাঁও চহৰৰ বৰঘাট বাইপাছ। চুৰি, ডকাইতি, ধন লুটৰ দৰে অপৰাধজনিত ঘটনা এই অঞ্চলত নিত্য-নৈমিত্তিক কাৰ্যকলাপত পৰিণত হৈছে। আজি পুৱতি নিশাও বৰঘাট দুই পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৫° |
| ডিব্ৰুগড় | ৩৬° | ২৪° |
| দিল্লী | ৩১° | ২৪° |
| কলকাতা | ২৯° | ২৬° |
| মুম্বাই | ৩০° | ২৬° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৭° |

*২১ ছেপ্টেম্বৰ, ২০২১*

মুকলি আকাশৰ তলত দিন-ৰাতি কটাইছে হেজাৰ হেজাৰ গৃহহীনে

# পুনৰ সংস্থাপন হ'ব নে? ধলপুৰৰ উচ্ছেদিতৰ ভৱিষ্যৎ অনিশ্চয়তাত

■ দেৱানন্দ মেদক

**ধলপুৰ, ২১ ছেপ্টেম্বৰ ঃ** যোৱা সোমবাৰে দৰং জিলা প্ৰশাসনৰ দ্বাৰা উচ্ছেদিত বেদখলকাৰী হেজাৰ হেজাৰ লোকৰ ভৱিষ্যৎ অন্ধকাৰৰ পিনে গতি কৰিছে। কিয়নো উচ্ছেদৰ ২৪ ঘণ্টা পাৰ হৈ যোৱাৰ পাছত আজি ছিপাঝাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াই স্পষ্টকৈ ঘোষণা কৰে যে চৰকাৰী সম্পত্তি বেআইনীভাৱে দখল কৰা লোকৰ বাবে উচ্ছেদৰ পৰৱৰ্তী সময়ত পুনৰসংস্থাপনৰ কোনো চৰকাৰী নিয়ম নাই। ফলস্বৰূপে উচ্ছেদিত লোকসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। তেওঁলোকে লগতে শংকাৰে প্ৰশ্ন কৰিছে— উচ্ছেদিত লোকসকল এতিয়া যাম ক'লৈ? দুই পৃষ্ঠাত চাওক

চৰকাৰী সম্পত্তি বেদখলকাৰীৰ পুনৰসংস্থাপন কৰাৰ কোনো নীতি নাই ঃ চক্ৰ বিষয়া




## ধলপুৰত প্ৰশাসনৰ উচ্ছেদ অভিযানক অমানৱীয় আখ্যা

মঙলদৈত কংগ্ৰেছ বিধায়িনী দলৰ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২১ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ ধলপুৰ চাপৰিত জিলা প্ৰশাসনে কালি চলোৱা উচ্ছেদ অভিযানত ক্ষতিগ্ৰস্ত অঞ্চলটোৰ খহনীয়া আক্ৰান্ত ৰাইজক কাইলৈৰ ভিতৰত উপযুক্ত আশ্ৰয়, বিশুদ্ধ খোৱাপানী, খাদ্য আৰু স্বাস্থ্য দুই পৃষ্ঠাত চাওক

কংগ্ৰেছৰ আৰু দুজন বিধায়কৰ যোগাযোগ স্থাপন ঃ দাবী শইকীয়াৰ

■ আজিৰ পৰা দুদিনীয়া ৰাজ্যিক কাৰ্যনিৰ্বাহক বৈঠক ■ 'সক্ষম মণ্ডল সক্ৰিয় বুথ' শ্ল'গান গ্ৰহণ ■ স্থানীয় নিৰ্বাচনক লৈ হ'ব আলোচনা

# উপ-নিৰ্বাচনত গোসাঁইগাঁও-তামুলপুৰ ইউপিপিএলক এৰিলে বিজেপিয়ে



*এনএছচিএনৰ মুৰব্বী থুইংলেং মুইভাৰে আলোচনাত অসম-নগালেণ্ডৰ মুখ্যমন্ত্ৰীদ্বয় ক্ৰমে হিমন্ত বিশ্ব শৰ্মা আৰু নেফিউ ৰিঅ', মঙলবাৰে।*

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২১ ছেপ্টেম্বৰ ঃ** ব্যাপক সাংগঠনিক সংশোধনীৰ বাবে আগবাঢ়িছে ৰাজ্যিক বিজেপি। ভবেশ কলিতাই সভাপতিৰ দায়িত্ব গ্ৰহণৰ পাছত কাইলৈৰ পৰা দুদিনীয়াকৈ উত্তৰ গুৱাহাটীত দলৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকতে সাংগঠনিক সংশোধনীসমূহক আনুষ্ঠানিক ৰূপ দিয়াৰ সম্ভাৱনা আছে। এই সন্দৰ্ভত সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় আঠ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ ছেপ্টেম্বৰ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

## খান্দাজানত ননৈৰ পাৰত স্থাপন হ'ল ইটাভাটা



অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ২১ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ সমীপৱৰ্তী খান্দাজানত ননৈৰ পাৰত স্থাপন কৰা হৈছে ইটাভাটা। চুতীয়াকাটাৰ এক আৱাসিক অঞ্চলৰ কাষতে, ধানখেতিৰ উপযোগী পথাৰত নিৰ্মাণ কৰি থকা হৈছে নতুন ইটাভাটাটো স্থাপনৰ বাবে দৰং জিলা প্ৰশাসনে কেনেদৰে অনুমতি প্ৰদান কৰিলে সেয়াহে ৰহস্যৰ বিষয়। ২০১৩ৰ প্ৰদূষণ আইন অনুসৰি বোৰঁতি নদী, প্ৰাকৃতিক ছয় পৃষ্ঠাত চাওক



## সোঁতৰ বিপৰীতে

■ নগাঁৱৰ ইখনৰ পাছত সিখনকৈ বনাঞ্চল নিশ্চিহ্ন হোৱাৰ পথত ■ অভিযান চলোৱাৰ দাবী

# এশ শতাংশই বেদখল জুকুতা-কোচমৰা সংৰক্ষিত বনাঞ্চলত

বিশেষ সংবাদদাতা
**নগাঁও, ২১ ছেপ্টেম্বৰ ঃ** 'গছ থাকিলেহে মানুহ থাকিব'— বন বিভাগৰ এই শ্ল'গান অসাৰ প্ৰতিপন্ন হৈছে অবিভক্ত নগাঁও জিলাত। বন বিভাগৰ অকৰ্মণ্যতাৰ বাবেই অবিভক্ত নগাঁও জিলাৰ তাহানিৰ সেউজ অৰণ্যাবৃত বনাঞ্চলসমূহ ইখনৰ পাছত সিখন নিশ্চিহ্ন হ'বলৈ ধৰা পৰিলক্ষিত হৈছে। বিগত কে'বাটাও দশক ধৰি নগাঁও জিলা বন বিভাগৰ অকৰ্মণ্যতাৰ সুযোগ গ্ৰহণ কৰি একাংশ চোৰাং ব্যৱসায়ীয়ে ইখনৰ পাছত সিখন বনাঞ্চলত অবাধ বনধ্বংস অব্যাহত ৰখাত একাধিক বনাঞ্চল নিশ্চিহ্ন হৈ পৰিছে। ইয়াৰ সমান্তৰালকৈ এই লাওলোৱা বনাঞ্চলসমূহত অব্যাহত আছে অবাধ বেদখল। ব্যাপক হাৰত চলা বনধ্বংসৰ বাবেই এতিয়া অবিভক্ত জিলাখনৰ মুঠ মাটি-কালিৰ ১৮ শতাংশ ভূমিতো নাই বনাঞ্চল। অথচ চৰকাৰী নিৰ্দেশনা অনুসৰি, কোনো এখন জিলাৰ মুঠ ভূমিৰ ৩০ শতাংশত বনাঞ্চল থাকিব লাগে। একাংশ চোৰাং কাঠ ব্যৱসায়ী, বেদখলকাৰীৰ অবাধ দৌৰাত্ম্যৰ বাবেই অবিভক্ত নগাঁও জিলাৰ ইখনৰ পাছত সিখনকৈ বনাঞ্চল নিশ্চিহ্ন হোৱাৰ পাছতো মুঠেই উদ্বিগ্ন নহয় জিলা প্ৰশাসন আৰু বন বিভাগ। ইয়াক লৈ চিন্তিত আৰু উদ্বিগ্ন হৈ পৰিছে সচেতন ৰাইজ। তথ্য অনুসৰি, অবিভক্ত নগাঁও জিলাৰ তিনিটা বন সংমণ্ডলৰ অধীনস্থ মুঠ ১২খন সংৰক্ষিত বনাঞ্চল আৰু দুখন অভয়াৰণ্যৰ প্ৰায় ১৭ হেজাৰ হেক্টৰ মাটি ইতিমধ্যে বেদখলকাৰীৰ কবলত পৰিছে। এশ শতাংশই বেদখলকাৰীৰ কবলত পৰিছে নগাঁও বন সংমণ্ডল (টেৰিটৰীয়েল)ৰ অধীনস্থ জুকুতা সংৰক্ষিত বনাঞ্চল আৰু নগাঁও বন্যপ্ৰাণী ছয় পৃষ্ঠাত চাওক



■ পোষ্ট গ্ৰেজুৱেট শিক্ষক নিযুক্তিৰ বিজ্ঞাপনত বিসংগতিৰ অভিযোগ এবছুৰ

## বিটিআৰত ৫০ হেজাৰ উত্তীৰ্ণৰ বিপৰীতে আছে ২২ হেজাৰ খালী পদ

বিশেষ সংবাদদাতা
**ওদালগুৰি, ২১ ছেপ্টেম্বৰ ঃ** 'উচ্চতৰ মাধ্যমিক বিদ্যালয় শিক্ষক নিযুক্তিৰ বিজ্ঞাপনৰ বিসংগতিৰ বাবেই বড়ো মাধ্যমৰ শিক্ষাৰ্থীসকলে পোষ্ট গ্ৰেজুৱেট শিক্ষক পদৰ আবেদনৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে।' এই অভিযোগ এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৰ। আজি ওদালগুৰি জিলা এবছুৰ কাৰ্যালয়ত সম্বোধন কৰা এক সংবাদমেলত এবছুৰ কেন্দ্ৰীয় সভাপতিজনে কয় যে 'ৰাজ্যত কোনো বড়ো মাধ্যমৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় নাই। যাৰ বাবে বড়ো মাধ্যমৰ শিক্ষাৰ্থীসকল ক্ষতিগ্ৰস্ত হ'ব লগা হৈছে। এগৰাকী পোষ্ট গ্ৰেজুৱেট শিক্ষক হ'বলৈ প্ৰথমে কোনো এটা বিষয়ত স্নাতকোত্তৰ আৰু বিএড ডিগ্ৰীধাৰী হোৱাৰ লগতে উচ্চতৰ মাধ্যমিক টেট'ট উত্তীৰ্ণ হ'ব লাগিব; কিন্তু এই সকলো ছয় পৃষ্ঠাত চাওক



■ নলবাৰীৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত বয়স ফাকিৰ জালিয়াতি ফাদিল

## অৱসৰৰ পাছতো ২৬ মাহ চাকৰি কৰি থকা জ্যেষ্ঠ সহায়কৰ বিৰুদ্ধে এজাহাৰ

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নলবাৰী, ২১ ছেপ্টেম্বৰ ঃ** কৰ্মচাৰীৰ বয়স ফাকিৰ ঘটনাই সম্প্ৰতি নলবাৰীত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বয়স ফাকিৰে অৱসৰৰ সময় পাৰ হোৱাতো দীৰ্ঘকাল ধৰি চাকৰি কৰি বেতন ভোগ কৰি থকাৰ কেলেংকাৰি উন্মোচিত হৈছে নলবাৰীৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত। উক্ত কাৰ্যালয়ৰ এজন জ্যেষ্ঠ সহায়ক আৰু এজন শিক্ষকৰ বিৰুদ্ধে উত্থাপিত হৈছে এই ভয়ানক অভিযোগ। এই ঘটনাৰ বাবে উক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক তৰুণ বৰ্মনৰ বিৰুদ্ধে আৰক্ষী থানাতো এজাহাৰ দাখিল কৰা হৈছে। অভিযোগ অনুসৰি, কাৰ্যালয়টোৰ জ্যেষ্ঠ সহায়ক বৰ্মনে ২০১৯ৰ ৩১ জুলাইত অৱসৰ গ্ৰহণ কৰিব লাগিছিল। অথচ প্ৰৱেশিকা পৰীক্ষাৰ ছয় পৃষ্ঠাত চাওক

## শুৱালকুছিত বেংক বিষয়াৰ মইমতালিত অতিষ্ঠ যুৱক

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২১ ছেপ্টেম্বৰ ঃ** অসম গ্ৰামীণ বিকাশ বেংক, শুৱালকুছি শাখা পৰিচালকৰ মইমতালিত অতিষ্ঠ হৈ পৰিছে সাধাৰণ গ্ৰাহক। গ্ৰামীণ বিকাশ বেংক, শুৱালকুছি শাখা পৰিচালকৰ হেমাহি আৰু মইমতালিৰ বাবেই কৰ্মচাৰীৰ ভৱিষ্যনিধি আঁচনিৰ ধন লাভৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ বংশৰৰ এজন অতি দৰিদ্ৰ শিক্ষিত যুৱকৰ। উল্লেখ্য যে 'গডৰেজ টু বয়জ এম এফ জি কোম্পানী লিমিটেড', গড়চুক পামহিত থকা এটি ব্যক্তিগত ছয় পৃষ্ঠাত চাওক

## জলপাইগুৰি চাইল্ড লাইনে গতালে ভৈৰৱকুণ্ড মাজুৰগাঁৱৰ কিশোৰীক

অগ্ৰদূত বাৰ্তা
**টংলা, ২১ ছেপ্টেম্বৰ ঃ** যি সময়ত ৰাজ্যখনত মানৱ সৰবৰাহ, বাল্য বিবাহ, শিশু শ্ৰমিক আদিৰ দৰে শিশু অপৰাধজনিত কৰ্মকাণ্ড সংঘটিত হৈ আহিছে তেনে সময়তে জলপাইগুৰি চাইল্ড লাইনে আজি ওদালগুৰি চাইল্ড লাইনক গতাই দিলে জিলাখনৰ ভৈৰৱকুণ্ড আৰক্ষী চকীৰ অন্তৰ্গত মাজুৰগাঁৱৰ নিবাসী পিতৃ লক্ষণ হাসদা আৰু মাতৃ বুদ্দিন হেমৰমৰ ১৫ বছৰীয়া কন্যাক। উল্লেখ্য যে ৰৌতাৰ নিবাসী বৰ্তমান মাজুৰগাঁৱৰ সম্বন্ধীয়ৰ ঘৰত থকা বুদৰাই সুৰেইন (২৭)-এ কিশোৰীগৰাকীক প্ৰেমৰ মায়াজালেৰে ছয় পৃষ্ঠাত চাওক

## মঙলদৈ ৰামহৰিত মৃতদেহ উদ্ধাৰ ঃ ৰহস্যৰ সৃষ্টি

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ২১ ছেপ্টেম্বৰ ঃ** মঙলদৈ থানাৰ অন্তৰ্গত ৰামহৰি বজাৰৰ সমীপৰ নদীৰ পাৰত কালি সন্ধিয়া এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহটো স্থানীয় দেওনাগাঁও নিৱাসী দিনহাজিৰাজীৱী অৰূপ শৰ্মাৰ বুলি চিনাক্ত কৰা হৈছে। পৰিয়ালৰ লোকে জনোৱা মতে, কালি আগবেলালৈ সুস্থ অৱস্থাতে আছিল আৰু বজাৰৰ পৰা সোনকালে আহিব বুলি ওলাই গৈছিল শৰ্মাই; কিন্তু বিয়লি কোনো লোকে জনায় যে তেওঁৰ মৃতদেহটো নদীৰ পাৰত পৰি আছে। ৰহস্যজনক কথাটো হৈছে মৃতদেহটোৰ গাত হাত দিলেই দেহৰ মাংস আৰু ছাল চকলা-চকলি এৰি যায়। ছয় পৃষ্ঠাত চাওক

## মৰিগাঁৱত শিশু হত্যাকাৰীক যাৱজ্জীৱন কাৰাদণ্ড

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ২১ ছেপ্টেম্বৰ ঃ** মৰিগাঁও ছেচন আদালতৰ এক ৰায়যোগে এজন ব্যক্তিক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰিছে। মৰিগাঁও আদালতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰা ব্যক্তিজন হৈছে মৰিগাঁও সদৰ থানাৰ অন্তৰ্গত বৰঙাবাৰী গাঁৱৰ মণি কাকতি। মণি কাকতি নামৰ অপৰাধীজনে আঠবছৰীয়া এটি শিশুক অতি নৃশংসভাৱে হত্যা কৰিছিল। ঘটনাৰ সন্দৰ্ভত মৰিগাঁও আদালতত ২০১৬ৰ পৰা ১০৩/১৭ নম্বৰ এক গোচৰ চলি আছিল। আজি ছেচন ন্যায়াধীশ সুনীল পুড্ডাই এই ৰায়দান প্ৰদান কৰে। উল্লেখ্য যে মণি কাকতিয়ে শিশুটিৰ মাতৃক প্ৰেমৰ প্ৰস্তাৱ দিছিল আৰু সেই প্ৰস্তাৱ অৱজ্ঞা কৰাৰ বাবেই শিশুটিক নৃশংসভাৱে হত্যা কৰিছিল।

## চামগুৰিৰ ভগামূৰত কিশোৰী ধৰ্ষণ ঃ অভিযুক্ত পলাতক

অগ্ৰদূত বাৰ্তা
**চামগুৰি, ২১ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অধীনস্থ ভগামূৰত কালি বিয়লি এগৰাকী ১২ বছৰীয়া কিশোৰীক ধৰ্ষণক কেন্দ্ৰ কৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। পথৰ পৰা কিশোৰীগৰাকীক টানি আনি এটা গুডাম ঘৰৰ ভিতৰত ধৰ্ষণ কৰাৰ অভিযোগ উঠিছে এজন বিবাহিত লোকৰ বিৰুদ্ধে। ঘটনা সম্পৰ্কত কিশোৰীগৰাকীৰ অভিভাৱকে ইতিমধ্যে চামগুৰি আৰক্ষী থানাত এজাহাৰ দিছে। আৰক্ষীয়ে ৪২৯-২১ নম্বৰত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। অভিযোগ মতে, চালেহ আহমেদ (৩৭) নামৰ বিবাহিত লোকজনে কিশোৰীগৰাকীক ধৰ্ষণ কৰে। ১২ বছৰীয়া কিশোৰীগৰাকী ঘৰলৈ বিয়লি তিনি মান বজাত ভগামূৰ বজাৰৰ পাছফালৰ পথেৰে গৈ থকা অৱস্থাত দুষ্ট চৰিত্ৰৰ চালেহে পথৰ পৰাই চোঁচৰাই এটা গুডাম ঘৰলৈ লৈ যায়। ইজাজুল নামৰ লোক এজনৰ গুডাম ঘৰৰ ভিতৰত বিবাহিত লোকজনে কাৰ্য চৰিতাৰ্থ কৰে। ধৰ্ষণ কৰিয়েই লম্পট চালেহে পলায়ন কৰে। এই বিষয়ে কিশোৰীগৰাকীয়ে পৰিয়ালৰ লোকক জনোৱাত নিশা চামগুৰি আৰক্ষী থানাত চালেহৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে নিশাই কিশোৰীগৰাকীৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাটো তদন্ত কৰি আছে। আনহাতে, অভিযোগ উত্থাপিত হোৱা ধৰ্ষণকাৰী চালেহ বৰ্তমান পলাতক অৱস্থাত আছে।


■ ডিমৌ উন্নয়ন খণ্ডৰ অধিকাংশ পঞ্চায়তত দুৰ্নীতি-সৰৱ মন্ত্ৰী দাস

## পঞ্চায়তৰ দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ নহয়-থানাত এজাহাৰ দিয়ক

বিশেষ সম্বাদদাতা/অগ্ৰদূত বাৰ্তা
**শিৱসাগৰ/ডিমৌ, চ্ব ছেপ্তেম্বৰ ঃ** অসম চৰকাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত নহাট গাঁও পঞ্চায়তৰ সভানেত্ৰী পুষ্পা গগৈৰ বাসগৃহত উপস্থিত হৈ পঞ্চায়ত সভানেত্ৰীগৰাকী লগত পঞ্চায়টোৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ লগতে আঁচনি সমূহৰ সম্পৰ্কত আলোচনা কৰে।। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পুষ্পা গগৈৰ বাসগৃহত উপস্থিত হৈ পঞ্চায়তৰ উন্নয়ন আৰু অন্যান্য আঁচনিসমূহ সঠিক ৰূপত ৰূপায়ন হৈছে নে নাই সেই সন্দৰ্ভত পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে অনাগত দিনত পঞ্চায়তটোত পঞ্চদশ বিত্তীয় পুঁজি ব্যৱহাৰ কৰি বৰ্তমানতকৈ নহাট গাওপঞ্চায়তখন আদৰ্শ গাঁও পঞ্চায়তলৈ ৰূপান্তৰিক কৰাৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়ায়। পিচত মন্ত্ৰীগৰাকীয়ে প্ৰাক্তন বিধায়ক কুশল দুৱৰীৰ সৈতে পঞ্চায়ত সভানেত্ৰী পুষ্পা গগৈৰ বাসগৃহত জলপান গ্ৰহণ কৰে। ইয়াৰ পিচতে সাংবাদিকৰে হোৱা বাৰ্তালাপত মন্ত্ৰীগৰাকীয়ে কয় যে ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত পঞ্চায়তসমূহত আঁচনি ৰূপায়নত দুৰ্নীতি তথা চৰকাৰী ধন লুণ্ঠন কৰিলে ৰাইজে অভিযোগ নহয়, থানাত এজাহাৰ দাখিল কৰিবলৈ আহ্বান জনায়। ইয়াৰ পিচৰ পৰ্যায়ত চৰকাৰ তথা বিভাগীয় ভাৱে সেইসকল দুৰ্নীতিগ্ৰস্ত পঞ্চায়ত প্ৰতিনিধি আৰু চৰকাৰী কনিষ্ঠ অভিযন্তা বিষয়াৰ বিৰুদ্ধে কঠোৰতম শাস্তি প্ৰদান ছয় পৃষ্ঠাত চাওক

## যোৰহাটৰ পৰা বিহাৰলৈ মাখনাৰ চোৰাং সৰবৰাহ

পাঁচ চৰকাৰী বিলত গোপনে উৎপাদন-সংগ্ৰহ মূল্যৱান মাখনাৰ গুটি



ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ২১ ছেপ্টেম্বৰ ঃ** স্থানীয় ৰাইজৰ অজ্ঞতাৰ সুযোগ লৈ যোৰহাটৰ পতিয়া ফকলা অঞ্চলৰ বিভিন্ন বিল-জলাশয়ৰ পৰা বিহাৰলৈ চোৰাংকৈ সৰবৰাহ হৈ আহিছে আন্তৰ্জাতিক বজাৰত উচ্চ চাহিদা ছয় পৃষ্ঠাত চাওক

## বৰ তেজপুৰত দুৰ্ঘটনাত নিহত এক, আহত এক

**ছয়গাঁও, ২১ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বিজয়নগৰ পহৰা চকীৰ পৰা কিছু নিলগৰ বৰ তেজপুৰত আজি সংঘটিত হয় এক পথ দুৰ্ঘটনা। দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে এজন যুৱক গুৰুতৰভাৱে আহত হয়। তথ্য অনুসৰি এ এছ-০১ বি এল-৪৭৪১ নম্বৰৰ স্কুটী এখনেৰে ছয়গাঁৱৰ পৰা ৰামপুৰ অভিমুখে আহি আছিল বনমালী কলিতা (৩৫) আৰু বিপিন কলিতা (৬৭) নামৰ লোক দুজন। তেনে সময়তে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ছয় পৃষ্ঠাত চাওক

## তামুলপুৰত গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ মানৱ শৃংখল

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২১ ছেপ্টেম্বৰ ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ আহ্বানত আজি তামুলপুৰ জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ আহ্বায়ক সমিতিয়ে তামুলপুৰ মহকুমাৰ গোৰেশ্বৰ চ'কত এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে। গৰিয়া-মৰিয়াসকলক ভূমিপুত্ৰ হিচাপে স্বীকৃতি দিয়া, গৰিয়া-মৰিয়া-দেশীসকলক সুকীয়া জৰীপ আৰু চিনাক্তকৰণ প্ৰক্ৰিয়াৰে জনগোষ্ঠীৰ লোকসকলৰ হৃত মৰ্যাদা ৰক্ষা কৰা, ভূমিপুত্ৰ গৰিয়া-মৰিয়া-দেশী জনগোষ্ঠীৰ পৰিচয় দিয়াৰ দাবীৰে প্ৰতিবাদ সাব্যস্ত কৰা হয়। প্ৰতিবাদকাৰীসকলে 'ধৰ্মীয় পৰিচয় সলনি জনগোষ্ঠীয় পৰিচয় আমাক লাগিবই, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ জিন্দাবাদ, আমাক জনগোষ্ঠীয় মৰ্যাদা প্ৰদান কৰক, ভূমিপুত্ৰসকল এক হওক' আদি শ্ল'গানেৰে তামুলপুৰ উত্তাল কৰি তোলে। ইয়াৰ পাছত সংগঠনটোৱে তামুলপুৰ মহকুমাৰ মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ ছয় পৃষ্ঠাত চাওক

## বিজয় শিখা ভাৰত-চীন সীমান্তৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ বুমলাত উপস্থিত

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ২১ ছেপ্টেম্বৰ ঃ** ১৯৭১ৰ যুদ্ধ বিজয়ৰ প্ৰতীক স্বৰ্ণিম বিজয় শিখা ইতিমধ্যে অৰুণাচল প্ৰদেশৰ টাৱাঙত উপস্থিত হোৱাৰ পাছত আজি তিব্বত স্বায়ত্তশাসিত অঞ্চলৰ টি এ আৰ স'তে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ কাষৰ অঞ্চলসমূহত ভ্ৰমণ কৰোৱা হয়। বিজয় শিখাক পাহাৰীয়া ভূখণ্ড আৰু ঠেক ৰাস্তাৰ মাজেৰে ভ্ৰমণ কৰি বুমলালৈ নিয়া হয় আৰু প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ সমীপত দেশৰ প্ৰতিৰক্ষাৰ দায়িত্বত থকা সেনা বিষয়া আৰু জোৱানসকলে ইয়াক গ্ৰহণ কৰে তথা বীৰ ছহিদ যোগিন্দৰ সিঙৰ যুদ্ধ স্মাৰকত গাৰ্ড অৱ অনাৰ প্ৰদান কৰা হয়। তাৰ পাছত গৌৰৱ শিখাক ঐতিহাসিক খিঞ্জেমান অঞ্চললৈ নিয়া হয়। ইয়াত দালাই লামাই প্ৰথমবাৰৰ বাবে ১৯৫৯ৰ মাৰ্চত ভাৰতত ভৰি থৈছিল। গোৰ্চাম আৰু লুম লাৰ মাজেৰে ভ্ৰমণ কৰা বিজয় শিখাক স্থানীয় জনসাধাৰণে অতি উৎসাহেৰে উষ্ম আদৰণি জনায় সীমান্তৰ পথত। উল্লেখ্য যে বৰ্তমান দেশে ১৯৭১ৰ ভাৰত-পাক যুদ্ধ বিজয়ৰ ৫০ সংখ্যক বৰ্ষ উদ্‌যাপন কৰি আছে আৰু ২০২০ৰ ডিচেম্বৰত দেশৰ প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ পৰা বিজয় শিখাৰ এই যাত্ৰা আৰম্ভ কৰে। এই বিজয় শিখাই বৰ্তমান দেশৰ উত্তৰ-পূৰ্বাঞ্চল ৰাজ্যসমূহৰ লগতে দেশৰ সেনাৰ বল অৱ ফায়াৰ ডিভিজনৰ অধীনৰ অঞ্চলবোৰ ভ্ৰমণ কৰি আছে।

## তামুলপুৰৰ লতিবাৰীত বনৰীয়া হাতীৰ উপদ্ৰৱ

■ পাচলি খেতি-তামোলবাৰী খাই তহিলং



অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২১ ছেপ্টেম্বৰ ঃ** ভূটান পাহাৰৰ পৰা বৰনদীৰ বুকুৰেদি খাদ্যৰ সন্ধানত নামি নামি অহা এটি বনৰীয়া হাতীৰ বৃহৎ জাকে যোৱা নিশা তামুলপুৰৰ মহকুমাৰ লতিবাৰী, পূব কচুকাটা অঞ্চলত উপদ্ৰৱ চলাই কে'বাটাও পৰিয়ালৰ খেতিপথাৰৰ শস্যৰ ব্যাপক ক্ষতিসাধন কৰে। বৰনদীৰ পাৰত অৱস্থান কৰি থকা বৃহৎ বনৰীয়া হাতীৰ ছয় পৃষ্ঠাত চাওক

## মৰিগাঁও অসামৰিক চিকিৎসালয়ত আইচিইউ নিৰ্মাণত বিয়াগোম কেলেংকাৰি




■ নিম্নমানৰ কাম কৰিয়েই কোটি টকা লুণ্ঠনৰ ফন্দি দুষ্ট চক্ৰৰ ■ বিভাগীয় দুখন পত্ৰই উদঙাই দিলে ঠিকাদাৰৰ গাফিলতি

অগ্ৰদূত বাৰ্তা
**মৰিগাঁও, ২১ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ ভিতৰতে অতিকৈ পিছপৰা মৰিগাঁও জিলাৰ তিনিগৰাকী স্বাধীনতা বীৰ ছহিদৰ নামত উৎসৰ্গিত একমাত্ৰ অসামৰিক চিকিৎসালয়খনত আইচিইউ নিৰ্মাণৰ নামত প্ৰায় ১২.৩২ কোটিটকীয়া এক ব্যাপক কেলেংকাৰিৰ তথ্য শেহতীয়াভাৱে উন্মোচিত হৈছে। মৰিগাঁও লিাৰ স্বাস্থ্য বিভাগ আৰু লোক নিৰ্মাণ গৃহ বিভাগৰ দুখন পত্ৰই চিকিৎসালয়খনত ছয় পৃষ্ঠাত চাওক

## তেজপুৰত একাংশ কলা সাধকৰ ব্যতিক্ৰমী নিদৰ্শন

■ কৰ'নাকালীন পৰিস্থিতিৰ মাজতে আঠখনকৈ চুটি ছবি উপহাৰ ■ লক্ষ্য এশখন নিৰ্মাণৰ

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ২১ ছেপ্টেম্বৰ ঃ** কৰ'নাকালৰ জীৱন আৰু জীৱিকাক অৱৰুদ্ধ কৰি তোলা সময়ে সকলো ক্ষেত্ৰতে বিৰূপ প্ৰভাৱ পেলাইছিল। শিল্প-সংস্কৃতিৰ প্ৰৱহমান ক্ষেত্ৰখন হৈ পৰিছিল গতিহীন। বৰ্তমানেও পুনৰুজ্জীৱিত হ'বলৈ বাকী থকা কলা-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ এক ব্যতিক্ৰমী গতি প্ৰদানত ব্যস্ত হৈ পৰিছে তেজপুৰৰ একাংশ নবীন-প্ৰবীণ শিল্পী তথা কুশলী। 'নিউজ ট্ৰেক'ৰ বেনাৰত এইসকল কলা-সংস্কৃতিৰ পূজাৰীয়ে এই সময়ত আঠখনকৈ অসমীয়া ভাষাৰ চুটি ছবি নিৰ্মাণ কৰি মুক্তি দিছে সামাজিক মাধ্যমযোগে। যথেষ্টসংখ্যক দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা তেজপুৰৰ এইসকল শিল্পী কুশলীয়ে নীৰৱে আৰু অতি সীমিত সুবিধাৰে নিৰ্মাণ কৰি যোৱা একোটা সুন্দৰ কাহিনীৰ




এই চুটি ছবিসমূহে যেনেদৰে দুৰ্দিনৰ মাজত দৰ্শকক মানসিক খোৰাক যোগাবলৈ সক্ষম হৈছে তেনেদৰে সমাজলৈ দিছে একোটা অৰ্থৱহ বাৰ্তা। উল্লেখ্য যে তেজপুৰৰ দুজন অভিজ্ঞ শিল্পী প্ৰশান্ত কুমাৰ বৰা আৰু দিগন্ত কুমাৰ ভূঞাৰ গতিশীল প্ৰয়াসত ইতিমধ্যে দৰ্শকে লাভ কৰিছে 'ছবি, অৱতাৰ, দেউতা, নিচা, প্ৰেমৰোগ, দি লাষ্ট চেল্যুট, অপদাৰ্থ আৰু হৰ হৰ মহাদেৱ' নামৰ আঠখনকৈ চুটি ছবি। উল্লেখ্য যে শিশু ছবি 'দি লাষ্ট চেল্যুট'ৰ কাহিনীৰ লগতে 'প্ৰেমৰোগ'ৰ কাহিনী ৰাজ্যৰ এজন প্ৰবীণ নাট্যকাৰ-পৰিচালক ঐশ্বৰ্য কাকতিৰ। বাকী ছবিসমূহৰ কাহিনী আৰু সংলাপ ৰচনা কৰিছে দিগন্ত কুমাৰ ভূঞা, ননীমাধৱ শৰ্মা, সপোন কুমাৰ শইকীয়া, মৃগেন বৰা আৰু প্ৰশান্ত কুমাৰ বৰাই। উল্লেখ্য যে ৰাজ্য তথা তেজপুৰৰ নাট্য ক্ষেত্ৰখনৰে এইসকল ব্যক্তিৰ দীৰ্ঘদিনৰ পৰাই বিশেষ অৰিহণা আছে। প্ৰণিধানযোগ্য যে ১০-১৪ মিনিট দৈৰ্ঘ্যৰ এই চুটি ছবিসমূহৰ প্ৰথমখন যোৱা সাত আগষ্টত মুক্তি দিয়াৰ পৰা এই পৰ্যন্ত প্ৰতি দেওবাৰে এই গতিত যতি পৰা নাই। সামাজিক ছয় পৃষ্ঠাত চাওক

## ৰঙাপৰাত হাতী-মানুহৰ সংঘাত তীব্ৰতৰ

■ বন্যহস্তীৰ আক্ৰমণত প্ৰাণ গ'ল চাহ শ্ৰমিকৰ



বিশেষ সংবাদদাদা
**ৰঙাপৰা, ২১ ছেপ্টেম্বৰ ঃ** ৰঙাপৰাত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ। ৰঙাপৰাত মানুহ আৰু বন্যহস্তীৰ সংঘাতে চৰম সীমা অতিক্ৰম কৰিছে। বিগত বহু বছৰ ধৰি বন্যহস্তীৰ তাণ্ডৱে কৃষিজীৱী ৰাইজৰ লগতে সৰ্বসাধাৰণ ৰাইজকো অতিষ্ঠ কৰি তুলিছে। যোৱা এটা মাহত ৰঙাপৰাৰ দাঁতিকাষৰীয়া চাহ বাগিচা অঞ্চলত শিক্ষানুষ্ঠান, সুলভ মূল্যৰ দোকান, ঘৰ-বাৰীৰ ক্ষতিসাধন কৰি অহাৰ পাছতো গা নলৰা বন বিভাগে ৰাইজৰ জীৱন আৰু সম্পত্তি সুৰক্ষা দিয়াতো ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে এন্ধাৰ নামি অহাৰ লগে লগে খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীয়ে ৰঙাপৰাৰ ঘৰ-দুৱাৰ, শিক্ষানুষ্ঠান, দোকান গৃহ আদি ভঙাৰ লগতে ৰৈ ধৰা ধান পথাৰ গচকি তহিলং কৰিছে। একেদৰে যোৱা নিশাও আমাৰিবাৰী বনাঞ্চলিক কাৰ্যালয় আৰু ৰঙাপৰা আৰক্ষী থানাৰ অধীনৰ নগাপথাৰ গাঁৱত এজন লোকক বনৰীয়া হাতীয়ে আক্ৰমণ কৰাত থিতাতে মৃত্যু হোৱাৰ ঘটনাই অঞ্চলটোত আতংকৰ সৃষ্টি কৰিছে। ছয় পৃষ্ঠাত চাওক

## সংখ্যাগৰিষ্ঠ নহ’লেও পুনৰ কানাডাৰ ক্ষমতা লাভ ট্ৰুডুৰ



**নিউজ ব্যুৰ’, টৰণ্টো, ২১ ছেপ্টেম্বৰ ঃ** পুনৰ কানাডাৰ ক্ষমতা দখল কৰিলে দেশখনৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুৰ লিবাৰেল পাৰ্টিয়ে। সদ্য সমাপ্ত নিৰ্বাচনৰ পাছত আজি হোৱা ভোট গণনাত বিপক্ষ কনজাৰভেটিভ পাৰ্টিক পৰাভূত কৰিবলৈ সফল হ’ল লিবাৰেল পাৰ্টি। ট্ৰুডুৰ দলটোৱে একক সংখ্যাগৰিষ্ঠতা লাভ নকৰিলেও লিবাৰেল পাৰ্টিয়ে পুনৰ কানাডাত চৰকাৰ গঠন কৰাটো নিশ্চিত হ’ল। এই জয়ৰ ফলত তৃতীয়বাৰৰ বাবে কানাডাৰ প্ৰধানমন্ত্ৰী হোৱাৰ সুযোগ লাভ কৰিলে ট্ৰুডুৱে। নিৰ্বাচনৰ পূৰ্বে চলোৱা একাধিক সমীক্ষাত ট্ৰুডুৰ দলটোৱে পুনৰ ক্ষমতা লাভ কৰাটো কঠিন হ’ব বুলি দাবী কৰা হৈছিল। এনে নিৰ্বাচনী সমীক্ষাক ভুল প্ৰমাণিত কৰি হাউছ অৱ কমন্সত সৰ্বাধিকসংখ্যক আসন লিবাৰেল পাৰ্টিয়ে লাভ কৰিলে। অৱশ্যে ট্ৰুডুৰ দলটোৱে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে। ২০১৫ত ট্ৰুডু প্ৰথমবাৰ কানাডাৰ প্ৰধানমন্ত্ৰী নিৰ্বাচিত হৈছিল।

## পুৰীৰ মন্দিৰৰ সন্মুখত গুপ্তধনৰ সন্ধানত চলিছে খনন



নিউজ ব্যুৰ’, পুৰী, ২১ ছেপ্টেম্বৰ ঃ পুৰীৰ জগন্নাথ মন্দিৰৰ সন্মুখত পুনৰ গুপ্তধনৰ সন্ধানত খননকাৰ্য আৰম্ভ কৰা হৈছে। পুৰীৰ কালেক্টৰ, ছাব-কালেক্টৰ আৰু আৰক্ষী বিষয়াৰ নেতৃত্বত এই খননকাৰ্য চলাইছে প্ৰত্নতত্ত্ব বিভাগে। মন্দিৰটোত বিপৰীত দিশত ইমাৰ মঠৰ মোহান্তৰ দায়িত্বত থকা নাৰায়ণ ৰামানুজ দাসে এই গুপ্তধনৰ সন্ধান চলাবলৈ অনুৰোধ জনাই চৰকাৰলৈ পত্ৰ লিখিছিল। ১০ বছৰ পূৰ্বেও ২০১১ত পুৰীৰ মন্দিৰৰ বিপৰীত দিশত গুপ্তধনৰ সন্ধান লাভ কৰা হৈছিল। সেই সময়ত ইমাৰ মঠৰ মেৰামতিৰ কামত নিযুক্ত দুজন শ্ৰমিকে ৩০ কিলোগ্ৰাম ওজনৰ দুটা ৰূপৰ বাতি উদ্ধাৰ কৰিছিল। পৰৱৰ্তী খননকাৰ্যত ৰূপৰ বহু সা-সামগ্ৰী উদ্ধাৰ কৰা হৈছিল। জগন্নাথ মন্দিৰৰ সিংহদুৱাৰৰ ঠিক সন্মুখতে আছে ইমাৰ মঠ। পাঁচ একৰ ভূমিত নিৰ্মিত এই ইমাৰ মঠত একাধিকবাৰ গুপ্তধনৰ সন্ধান লাভ কৰা হৈছিল। ২০১১ৰ ২৬ ফেব্ৰুৱাৰীত মঠৰ ভূমিৰ তলৰ পৰা ১৮ টন ৰূপ উদ্ধাৰ কৰা হৈছিল। সেই সময়ত এই ৰূপখিনিৰ বজাৰ মূল্য আছিল ৯০ কোটি টকা। যোৱা এপ্ৰিলতো ৩৫ কিলোগ্ৰাম ৰূপ এই মঠৰ ভূমিৰ তলৰ পৰা উদ্ধাৰ কৰা হৈছিল।


### কমেও পাঁচ-ছজন পাক সন্ত্ৰাসবাদীৰ ভাৰতত অনুপ্ৰৱেশ ঃ ৩০ ঘণ্টা ধৰি সেনাৰ তালাচী অব্যাহত

# উৰীত সন্ত্ৰাসবাদীৰ বৃহৎ গোটৰ অনুপ্ৰৱেশৰ অপচেষ্টা



**নিউজ ব্যুৰ’ জম্মু, ২১ ছেপ্টেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ উৰী খণ্ডত থকা নিয়ন্ত্ৰণ ৰেখাত সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছে। ভাৰতীয় সেনাই এই খবৰ লাভৰ পাছতে অঞ্চলটোত ব্যাপক তালাচী অভিযান অব্যাহত ৰাখিছে। সেনাই লাভ কৰা খবৰ অনুসৰি, পাকিস্তানৰ সন্ত্ৰাসবাদীৰ এটা বৃহৎ দলে উৰীত নিয়ন্ত্ৰণ ৰেখাত উপস্থিত হৈ অনুপ্ৰৱেশৰ সুযোগৰ অপেক্ষাত আছে। কমেও পাঁচ-ছজন সন্ত্ৰাসবাদীয়ে ইতিমধ্যে নিয়ন্ত্ৰণ ৰেখা অতিক্ৰম কৰি গোপনে ভাৰতত অনুপ্ৰৱেশ কৰাৰ বাতৰিও সেনাই লাভ কৰিছে। বিগত ৩০ ঘণ্টাৰো অধিক ধৰি নিৰাপত্তা বাহিনীৰ এটা বৃহৎ দলে উৰীত ব্যাপক তালাচী অভিযান চলাইছে। অৱশ্যে নিৰাপত্তাজনিত কাৰণত সেনাই চলোৱা অভিযানৰ সন্দৰ্ভত অধিক তথ্য প্ৰকাশৰ পৰা বিৰত আছে। সেনাই জনোৱা অনুসৰি নিয়ন্ত্ৰণ ৰেখাত অনুপ্ৰৱেশৰ এইটো হৈছে সন্ত্ৰাসবাদীৰ দ্বিতীয়টো অপচেষ্টা। সন্ত্ৰাসবাদীয়ে পাকিস্তানৰ পৰা কাশ্মীৰত অনুপ্ৰৱেশ কৰাৰ বাতৰি সেনাই লাভ কৰাৰ পাছতে উৰীত ইণ্টাৰনেট আৰু ম’বাইল ফোনসেৱা সাময়িকভাৱে বন্ধ ৰখা হৈছে। ইতিমধ্যে অতিৰিক্ত সেনাক অঞ্চলটোত নিয়োগ কৰা হৈছে আৰু এক বৃহৎ অঞ্চল সম্প্ৰতি নিৰাপত্তা বাহিনীয়ে ঘেৰাও কৰি ৰাখিছে। পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে পূৰ্বৰ উৰীসদৃশ আক্ৰমণৰ ঘটনা পুনৰ সংঘটিত কৰিব পাৰে বুলিও সেনাই সন্দেহ কৰিছে।

নিৰাপত্তা বাহিনীয়ে দাবী কৰা অনুসৰি, সীমান্তত চলিত বৰ্ষত যুদ্ধবিৰতি উলংঘনৰ ঘটনা যথেষ্ট সীমিত হোৱাৰ লগতে অনুপ্ৰৱেশৰ অপচেষ্টাৰ ঘটনাও বাৰে বাৰে নিৰাপত্তা বাহিনীৰ তৎপৰতাত বিফল হৈ আহিছে। আই এছ আই আৰু পাকিস্তানী সেনাৰ পৃষ্ঠপোষকতাত পাক সন্ত্ৰাসবাদীয়ে ভাৰতত অনুপ্ৰৱেশৰ সুযোগৰ অপেক্ষাত আছে আৰু শেহতীয়াভাৱে উৰীৰ নিয়ন্ত্ৰণ ৰেখাত সন্ত্ৰাসবাদীৰ এটা বৃহৎ দলে বাহৰ পাতিছে। আফগানিস্তানত তালিবানে পুনৰ ক্ষমতা দখল কৰাৰ পাছত পাকিস্তানৰ সন্ত্ৰাসবাদী সংগঠনসমূহ যথেষ্ট উৎসাহিত হৈ পৰিছে আৰু এনে সন্ত্ৰাসবাদীয়ে এতিয়া ভাৰতত অনুপ্ৰৱেশ কৰি ভয়াৱহ কূটাঘাত সংঘটিত কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। পাকিস্তানী সন্ত্ৰাসবাদীৰ এনে সম্ভাব্য আক্ৰমণ ব্যৰ্থ কৰিবলৈ সীমান্তত ভাৰতীয় সেনাই অধিক সতৰ্কতা অৱলম্বন কৰিছে। ভাৰতীয় সেনাৰ সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, পাকিস্তানী সন্ত্ৰাসবাদীৰ সন্ধানত উৰী আৰু ইয়াৰ আশে-পাশে বিগত ৩০ ঘণ্টাৰো অধিক ধৰি নিৰাপত্তা বাহিনীয়ে বৃহৎ তালাচী অভিযান অব্যাহত ৰাখিছে।



## জম্মুত সেনাৰ হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত দুই বৈমানিক

**নিউজ ব্যুৰ’ জম্মু, ২১ ছেপ্টেম্বৰ ঃ জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাত আজি পুৱাতে সেনা বাহিনীৰ এখন হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত হয়। এই দুৰ্ঘটনাত হেলিকপ্টাৰখনৰ বৈমানিক আৰু সহ বৈমানিকৰ মৃত্যু হ’ল। উধমপুৰ জিলাৰ পাহাৰীয়া অঞ্চল শিৱগড়ত প্ৰতিকূল বতৰৰ ফলত হেলিকপ্টাৰখন দুৰ্ঘটনাগ্ৰস্ত হৈ ভূপতিত হৈছিল। স্থানীয় লোকে ধ্বংসস্তূপৰ মাজৰ পৰা দুই বৈমানিকক উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিছিল যদিও চিকিৎসকে দুয়োজনকে মৃত ঘোষণা কৰে।**



## গোৱাত নিবনুৱা ভাট্টা প্ৰদানসহ সাত প্ৰতিশ্ৰুতি কেজৰিৱালৰ

**নিউজ ব্যুৰ’ পানাজি, ২১ ছেপ্টেম্বৰ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে এইবাৰ গোৱাবাসীক নিৰ্বাচনী প্ৰতিশ্ৰুতি দিলে। গোৱাত আপে চৰকাৰ গঠন কৰিলে ৰাজ্যবাসীক ৩০০ ইউনিট বিদ্যুৎ বিনামূল্যে প্ৰদান কৰিব বুলি কেজৰিৱালে ঘোষণা কৰিলে। ইয়াৰ লগতে আপৰ মুৰব্বীজনে ঘোষণা কৰি কয় যে ৰাজ্যখনৰ প্ৰতিটো পৰিয়ালৰ এজন নিবনুৱা ব্যক্তিক চাকৰিত নিযুক্তি দিয়া হ’ব আৰু কামৰ সন্ধান কৰা নিবনুৱাক প্ৰতি মাহে তিনি হেজাৰ টকাৰ নিবনুৱা ভাট্টা প্ৰদান কৰা হ’ব। গোৱাত স্থানীয় যুৱকৰ বাবে ৮০ শতাংশ চাকৰি সংৰক্ষণ কৰা, ব্যক্তিগত খণ্ডৰ নিযুক্তিৰ ক্ষেত্ৰত আইন প্ৰৱৰ্তন কৰা, ক’ভিডত ক্ষতিগ্ৰস্ত পৰ্যটন খণ্ডৰে জড়িত পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান, দক্ষতা বিকাশ বিশ্ববিদ্যালয় নিৰ্মাণসহ মুঠ সাতটা প্ৰতিশ্ৰুতি কেজৰিৱালে গোৱাবাসীক দিলে।

## বতাহৰ মাধ্যমৰে দ্ৰুত সংক্ৰমিত হৈছে ভাইৰাছ ঃ দাবী মাৰ্কিন গৱেষকৰ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২১ ছেপ্টেম্বৰ ঃ** বতাহৰ মাধ্যমৰে সবাতোকৈ দ্ৰুত সংক্ৰমিত হৈছে ছাৰ্চ ক’ভ-২ ভাইৰাছৰ বিভিন্ন প্ৰজাতি। ফলত সঠিকভাৱে মাস্ক পৰিধান কৰা আৰু বতাহ চলাচলৰ সুবিধা থকা কোঠাত বাস কৰাটো অত্যন্ত জৰুৰী হৈছে। আমেৰিকাৰ মেৰিলেণ্ড বিশ্ববিদ্যালয়ৰ শেহতীয়া এক গৱেষণামূলক অধ্যয়নত এইদৰে দাবী কৰিলে গৱেষকে। মাৰ্কিন গৱেষকৰ মতে, শেহতীয়াভাৱে আলফা আৰু ডেল্টা প্ৰজাতিত আক্ৰান্ত হোৱা লোকসকলৰ সৰহসংখ্যকে নিশ্বাসৰ জৰিয়তে সংক্ৰামক ভাইৰাছত বতাহৰ মাধ্যমৰে আক্ৰান্ত হৈছিল। ‘ক্লিনিকেল ইনফেকছাছ ডিজিজেজ’ নামৰ পত্ৰিকাত মেৰিলেণ্ড বিশ্ববিদ্যালয়ৰ গৱেষকে চলোৱা এই অধ্যয়নৰ সবিশেষ প্ৰকাশ পাইছে। বতাহৰ মাধ্যমৰে দ্ৰুত গতিত সংক্ৰমিত হোৱা এই ভাইৰাছৰ পৰা হাত সাৰিবলৈ হ’লে ছাৰ্জিকেল মাস্ক আৰু ঢিলা পোছাক পৰিধান কৰা জৰুৰী বুলি গৱেষকে পৰামৰ্শ দিছে। এই গৱেষণামূলক অধ্যয়নটো আলফা প্ৰজাতিক নিৰীক্ষণত ৰাখি সম্পন্ন কৰা হৈছিল যদিও সম্প্ৰতি আতংকত পৰিণত হোৱা ডেল্টা প্ৰজাতিৰ ক্ষেত্ৰতো এই নিৰীক্ষণ কাৰ্যকৰী বুলি বিশ্ববিদ্যালয়খনৰ গৱেষকে দাবী কৰিছে।

## নৱেম্বৰৰ পৰা প্ৰতিষেধক লোৱা বিদেশীয়ে কৰিব পাৰিব আমেৰিকাত প্ৰৱেশ



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২১ ছেপ্টেম্বৰ ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে কৰ’না মহামাৰীৰ পৰিপ্ৰেক্ষিতত বিদেশী নাগৰিকৰ আমেৰিকাত প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰিছিল। মাৰ্কিন ৰাষ্ট্ৰপতিয়ে পূৰ্বে ঘোষণা কৰা পৰ্যটকৰ প্ৰৱেশ নিষিদ্ধ অচিৰে প্ৰত্যাহাৰ কৰিব। অহা নৱেম্বৰৰ পৰা আমেৰিকাত কৰ’না ভাইৰাছৰ সম্পূৰ্ণ প্ৰতিষেধক গ্ৰহণ কৰা বিদেশী নাগৰিকে প্ৰৱেশ কৰিব পাৰিব। হোৱাইট হাউছে আজি এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰি কয় যে বিদেশী নাগৰিকে বিমানত যাত্ৰা কৰাৰ পূৰ্বে সম্পূৰ্ণ টিকাকৰণৰ প্ৰমাণৰ লগতে শেহতীয়াভাৱে কৰ’না পৰীক্ষণৰ ‘নিগেটিভ’ প্ৰমাণপত্ৰ প্ৰদৰ্শন কৰিব লাগিব। টিকাকৰণ নকৰা ব্যক্তিক আমেৰিকাত প্ৰৱেশ কৰিবলৈ দিয়া নহ’ব বুলি হোৱাইট হাউছে ঘোষণা কৰিছে।**



## দুমাহ পাছত পৰ্ণকাণ্ডত জামিনত মুক্তি কুন্দ্ৰাৰ

**নিউজ ব্যুৰ’, মুম্বাই, ২১ ছেপ্টেম্বৰ ঃ** অশ্লীল ভিডিঅ’ নিৰ্মাণ আৰু প্ৰচাৰৰ গোচৰত অৱশেষত জামিন লাভ কৰিলে ৰাজ কুন্দ্ৰাই। দুমাহ পাছত কাৰাগাৰৰ পৰা মুক্ত হ’ল অভিযুক্ত কুন্দ্ৰা। ৫০ হেজাৰ টকাৰ বণ্ডৰ বিনিময়ত আজি কুন্দ্ৰাৰ লগতে তেওঁৰ সহযোগী ৰায়ান থৰ্পকো মুম্বাইৰ আদালতে জামিনত মুক্তি দিয়ে। যোৱা শনিবাৰে জামিনৰ বাবে কুন্দ্ৰাৰ হৈ অধিবক্তাই আদালতত আবেদন দাখিল কৰিছিল। স্মৰ্তব্য যে যোৱা ১৯ জুলাইত পৰ্ণকাণ্ডত মুম্বাই আৰক্ষীৰ অপৰাধ নিয়ন্ত্ৰণ শাখাই কুন্দ্ৰাক গ্ৰেপ্তাৰ কৰিছিল। অশ্লীল ছবি নিৰ্মাণ কৰি হটশ্বটছ আৰু বলিফেম এপ্‌ৰ জৰিয়তে প্ৰচাৰ কৰাৰ অভিযোগ কুন্দ্ৰাৰ বিৰুদ্ধে উত্থাপিত হৈছিল। যোৱা ১৫ ছেপ্টেম্বৰত এই গোচৰত ১৪০০ পৃষ্ঠাৰ অভিযোগনামা মুম্বাই আৰক্ষীয়ে দাখিল কৰিছিল।

## জামিন লাভৰ পাছতে পুনৰ কুন্দ্ৰাৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ আৰক্ষীৰ



**নিউজ ব্যুৰ’, মুম্বাই, ২১ ছেপ্টেম্বৰ ঃ** পৰ্ণকাণ্ডত আজি ব্যৱসায়ী ৰাজ কুন্দ্ৰাই জামিনত মুক্তি লাভ কৰিলে। জামিন লাভৰ ২৪ ঘণ্টা নৌহতেই কুন্দ্ৰাৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন কৰিলে মুম্বাই আৰক্ষীয়ে। অপৰাধ নিয়ন্ত্ৰণ বিভাগৰ দাবী অনুসৰি, কুন্দ্ৰাৰ পৰা এশখনৰো অধিক পৰ্ণ ভিডিঅ’ জব্দ কৰা হৈছে। এই ভিডিঅ’ প্ৰায় ন কোটি টকাৰ বিনিময়ত কুন্দ্ৰাই বিক্ৰীৰ পৰিকল্পনা ৰচিছিল। মুম্বাই আৰক্ষীয়ে ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, কুন্দ্ৰাৰ ঘৰ আৰু কাৰ্যালয়ত তালাচী চলাই ম’বাইল ফোন, লেপটপ আৰু হাৰ্ডড্ৰাইভ জব্দ কৰা হৈছিল আৰু এইসমূহ সঁজুলিত থকা পৰ্ণ ভিডিঅ’ৰ সংখ্যা আছিল ১১৯টা। ন কোটি টকাত কুন্দ্ৰাই এই ভিডিঅ’ বিক্ৰী কৰিবলৈ যো-জা চলোৱাৰ সময়তে মুম্বাই আৰক্ষীয়ে যোৱা ১৯ জুলাইত তেওঁক গ্ৰেপ্তাৰ কৰিছিল।

## ৩০ হেজাৰৰ তললৈ নামিল দৈনিক সংক্ৰমণ, মৃত্যুও হ্ৰাস ২৫২ জনলৈ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২১ ছেপ্টেম্বৰ ঃ** মঙলবাৰে দেশত ক’ভিডৰ দৈনিক সংক্ৰমণ ৩০ হেজাৰৰ তললৈ অৱনমিত হ’ল। কালিৰ তুলনাত আজি প্ৰায় ১৪ শতাংশ হ্ৰাস পালে নতুন আক্ৰান্তৰ সংখ্যা। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক’ভিডত আক্ৰান্ত হ’ল ২৬,১১৫ জন লোক। বৰ্তমানলৈকে ভাৰতত মুঠ তিনি কোটি ৩৫ লাখ চাৰি হেজাৰ ৫৩৪ জন লোক কৰ’নাত আক্ৰান্ত হ’ল। দেশত সক্ৰিয় ৰোগীৰ সংখ্যা প্ৰায় ন হেজাৰ হ্ৰাস পোৱাত বৰ্তমানে সক্ৰিয় আক্ৰান্তৰ সংখ্যা হৈছে চাৰি লাখ ন হেজাৰ ৫৭৫ জন। যোৱা ২৪ ঘণ্টাত ভাৰতত কৰ’নাত মৃত্যুৰ সংখ্যাও ২৫২ জনলৈ হ্ৰাস পালে। ক’ভিডৰ সমগ্ৰ পৰ্বটোত ভাৰতত চাৰি লাখ ৪৫ হেজাৰ ৩৮৫ জন লোকে প্ৰাণ হেৰুৱালে। কেৰালাত যোৱা ২৪ ঘণ্টাত নতুনকৈ আক্ৰান্ত হ’ল ১৫,৬৯২ জন লোক। আনহাতে, মহাৰাষ্ট্ৰত কালি ২,৫৮৩ জন লোক ক’ভিডত আক্ৰান্ত হৈছিল। তামিলনাডু, অন্ধ্ৰ প্ৰদেশ, কৰ্ণাটকতো ক’ভিডৰ সংক্ৰমণ উদ্বেগজনক হৈ আছে। মিজোৰামত যোৱা ২৪ ঘণ্টাত ১,৭৩১ জন লোক কৰ’নাত আক্ৰান্ত হ’ল।

# প্ৰথমবাৰৰ বাবে পাকিস্তানত প্ৰশাসনিক সেৱাত নিযুক্তি প্ৰদান হিন্দু যুৱতীক



**নিউজ ব্যুৰ’ ইছলামাবাদ, ২১ ছেপ্টেম্বৰ ঃ** পাকিস্তানৰ ইতিহাসত প্ৰথমবাৰৰ বাবে এগৰাকী হিন্দু যুৱতীয়ে দেশখনৰ সৰ্বোচ্চ প্ৰশাসনিক সেৱাৰ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হ’ল। ২৭ বছৰীয়া চিকিৎসক যুৱতী ছনা ৰামচন্দ্ৰ গুলবানীয়ে চেণ্ট্ৰেল ছুপিৰিয়ৰ ছাৰ্ভিচেছ (চি এছ এছ)ৰ পৰীক্ষাত যোৱা মে’তে উত্তীৰ্ণ হৈছিল। শেহতীয়াভাৱে ডাঃ ছনাই অসামৰিক সেৱাৰ বিষয়া হিচাপে নিযুক্তি লাভ কৰিলে। পাকিস্তানৰ অসামৰিক সেৱাৰ পৰীক্ষা হিচাপে চি এছ এছ যথেষ্ট কঠিন। এই পৰীক্ষাৰ মাধ্যমৰে পাকিস্তানত অসামৰিক সেৱাৰ বিভিন্ন পদত নিযুক্তি প্ৰদান কৰা হয়। চি এছ এছত অৱতীৰ্ণ হোৱা মুঠ প্ৰাৰ্থীৰ মাত্ৰ দুই শতাংশহে সফলতা লাভ কৰি আহিছে। ডাঃ ছনাই প্ৰথম পদক্ষেপতে চি এছ এছত উত্তীৰ্ণ হৈছিল। ডাঃ ছনা মূলত চিকাৰপুৰৰ বাসিন্দা। সংবাদ মাধ্যমৰ স’তে হোৱা সাক্ষাৎকাৰত ডাঃ ছনাই কয়, ‘মই যথেষ্ট আনন্দিত। এয়া মোৰ প্ৰথম পদক্ষেপ আছিল আৰু প্ৰথমবাৰতে মই চি এছ এছ লাভ কৰিলো। এই পৰীক্ষাত সফলতা লাভৰ বাবে মই বহু কষ্ট কৰিছিলো। মোৰ পৰিয়ালে অৱশ্যে মই প্ৰশাসনিক সেৱালৈ অহাটো বিচৰা নাছিল। তেওঁলোকে মোক চিকিৎসক হিচাপে কৰ্মৰত হোৱাটো বিচাৰিছিল। কিন্তু মই এগৰাকী চিকিৎসক হোৱাৰ পাছতো প্ৰশাসনিক সেৱাত যোগদানৰ সিদ্ধান্ত গ্ৰহণ কৰিলো।’ উল্লেখ্য যে ছনা এগৰাকী শল্য চিকিৎসক হোৱাৰ লগতে তেওঁ ইউৰ’ল’জী বিভাগৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰী চিকিৎসক। ডাঃ ছনাই চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰিছিল আৰু চি এছ এছ পৰীক্ষাত সফলতা লাভৰ পাছত তেওঁ কয় যে চৰকাৰী শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে নিজকে কেতিয়াও দুৰ্বল বা হীন বুলি ভবা অনুচিত। পাকিস্তানৰ অসামৰিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰথমগৰাকী হিন্দু যুৱতী ডাঃ ছনা সম্প্ৰতি কৰাচীৰ বাসিন্দা।

## নেপালৰ সংবিধান গ্ৰহণত বাধা দিছিল মোদীৰ দূত জয়শংকৰে ঃ বিস্ফোৰক অভিযোগ অলিৰ



**নিউজ ব্যুৰ’, কাঠমাণ্ডু ২১ ছেপ্টেম্বৰ ঃ** ভাৰতৰ বিৰুদ্ধে পুনৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিলে নেপালৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি শৰ্মা অলিয়ে। প্ৰাক্তন প্ৰধানমন্ত্ৰীজনৰ অভিযোগ অনুসৰি, ২০১৫ত নেপালৰ সংবিধান গ্ৰহণৰ ক্ষেত্ৰত তীব্ৰ আপত্তি প্ৰদৰ্শন কৰিছিল ভাৰতে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসন্তোষ বাৰ্তা নেপালক অৱগত কৰিছিল ভাৰতৰ তদানীন্তন বৈদেশিক সচিব এছ জয়শংকৰে। যোৱা দেওবাৰে নিজৰ দল নেপাল কমিউনিষ্ট পাৰ্টিৰ ষ্টেণ্ডিং কমিটীক অলিয়ে কিছুসংখ্যক কূটনৈতিক নথি জমা দিছিল। কালি নেপালৰ সংবিধান গ্ৰহণৰ বৰ্ষপূৰ্তিৰ দিন আছিল। অলিয়ে দলৰ ষ্টেণ্ডিং কমিটীক দাখিল কৰা নথিত স্পষ্টভাৱে এইদৰে উল্লেখ কৰিছে, ‘ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিশেষ দূত হৈ নেপাললৈ আহিছিল এছ জয়শংকৰ। সংবিধান গ্ৰহণ কৰিলে ইয়াৰ নেতিবাচক প্ৰভাৱ পৰিব বুলি সকীয়নি দিছিল জয়শংকৰে। নেপালৰ ৰাজনীতিবিদক সাক্ষাৎ কৰি তেওঁ কৈছিল যে ভাৰতৰ ইচ্ছাৰ বিৰুদ্ধে নেপালে সংবিধান গ্ৰহণ কৰিলে তাক স্বীকাৰ কৰা নহ’ব।’ স্মৰ্তব্য যে ২০১৫ৰ ২০ ছেপ্টেম্বৰত নতুন সংবিধান গ্ৰহণ কৰি নেপালে গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল।

## মোদীৰ আমেৰিকা ভ্ৰমণ ঃ ২৪ ছেপ্টেম্বৰত প্ৰথমবাৰৰ বাবে হোৱাইট হাউছত বৈঠকত মুখামুখি হ’ব মোদী-বাইডেন



নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২১ ছেপ্টেম্বৰ ঃ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৪ ছেপ্টেম্বৰত হোৱাইট হাউছত সাক্ষাৎ কৰিব আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনক। বাইডেনে যোৱা ২০ জানুৱাৰীত মাৰ্কিন ৰাষ্ট্ৰপতি হিচাপে শপত গ্ৰহণ কৰিছিল। প্ৰথমবাৰৰ বাবে হোৱাইট হাউছত মুখামুখি হ’ব মোদী আৰু বাইডেন। অৱশ্যে আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাৰ পাছত বৰ্তমানলৈকে বাইডেন আৰু মোদীৰ মাজৰ তিনিবাৰ ভাৰ্চুৱেল বৈঠক অনুষ্ঠিত হৈছিল। সোমবাৰে নিশা হোৱাইট হাউছে প্ৰকাশ কৰা অনুসৰি, অহা ২৪ ছেপ্টেম্বৰত মাৰ্কিন ৰাষ্ট্ৰপতিৰ বাসভৱনত বৈঠকত মিলিত হ’ব মোদী আৰু বাইডেন। তদুপৰি বাইডেনক সাক্ষাতৰ পূৰ্বে অহা ২৩ ছেপ্টেম্বৰত মোদীয়ে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছকো সাক্ষাৎ কৰিব। সংবাদ মাধ্যমৰ স’তে হোৱা বাৰ্তালাপত হোৱাইট হাউছৰ এজন বিষয়াই কয়, ‘প্ৰধানমন্ত্ৰী মোদী আমেৰিকা ভ্ৰমণলৈ আহিব। ২৩ ছেপ্টেম্বৰত তেওঁ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছক সাক্ষাৎ কৰিব। ইয়াৰ পিছদিনা অৰ্থাৎ ২৪ ছেপ্টেম্বৰত হোৱাইট হাউছত ৰাষ্ট্ৰপতি বাইডেনে ভাৰতৰ প্ৰধানমন্ত্ৰীক আদৰণি জনাব। আমি বিচাৰো দুয়োখন দেশৰ সম্পৰ্ক আৰু অধিক শক্তিশালী হওক। বাইডেন-হেৰিছ প্ৰশাসনে ভাৰতৰ স’তে নিজৰ গোলকীয় সহযোগিতাক নতুন ৰূপ দিব বিচাৰো। ক’ভিডক নিৰ্মূল কৰিবলৈকো উভয় দেশে সহযোগিতা অব্যাহত ৰাখিব। জলবায়ু পৰিৱৰ্তন আৰু আন কিছু গুৰুত্বপূৰ্ণ প্ৰসংগতো দুই দেশৰ নেতাই বৈঠকত আলোচনা কৰিব।’ বাইডেন ৰাষ্ট্ৰপতি হোৱাৰ পাছত মোদীয়ে ২০২০ৰ ১৭ নৱেম্বৰত তেওঁক ফোন কৰি শুভেচ্ছা জ্ঞাপন কৰিছিল। ইয়াৰ পাছত উভয় ৰাষ্ট্ৰনেতাই যোৱা আঠ ফেব্ৰুৱাৰী আৰু ২৬ এপ্ৰিলতো ফোনযোগে বাৰ্তালাপ কৰিছিল। আনহাতে, উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছেও যোৱা তিনি জুনত মোদীৰ স’তে ফোনত বাৰ্তালাপ কৰিছিল। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ২০১৯ৰ ছেপ্টেম্বৰত অন্তিমবাৰৰ বাবে আমেৰিকালৈ গৈছিল। সেই ভ্ৰমণত আমেৰিকাৰ তদানীন্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ স’তে মোদীয়ে ‘হাউদি মোদী’ অনুষ্ঠানত অংশ লৈছিল। ইয়াৰ পাছতে বিশ্বজুৰি কৰ’নাৰ ব্যাপক সংক্ৰমণ আৰম্ভ হৈছিল আৰু ক’ভিড কালত বিদেশ ভ্ৰমণৰ পৰা বিৰত থকা মোদীয়ে যোৱা মাৰ্চত অন্তিম বিদেশ ভ্ৰমণ হিচাপে বাংলাদেশলৈ গৈছিল। অহা ২৪ ছেপ্টেম্বৰত বাইডেনে কোৱাড গোষ্ঠীৰ দেশসমূহৰ ৰাষ্ট্ৰনেতাৰ স’তে সাক্ষাৎ কৰিব। কোৱাড বৈঠকত ভাৰত, আমেৰিকাৰ লগতে জাপান আৰু অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰীয়ে অংশ ল’ব।

# অৱসৰৰ পাছতো ২৬ মাহ চাকৰি কৰি

*তিনি পৃষ্ঠাৰ পৰা* বয়সৰ প্ৰমাণ পত্ৰ জালিয়াতি কৰি তেওঁ অৱসৰৰ ম্যাদ বৃদ্ধি কৰি অতিৰিক্তভাৱে ২৬ মাহ ধৰি চাকৰি কৰি আছিল। এইজন জ্যেষ্ঠ সহায়কৰ বিৰুদ্ধে আছে দীৰ্ঘদিন ধৰি ব্যাপক অনিয়ম আৰু শিক্ষক-কৰ্মচাৰীক নানা ধৰণে হাৰাশাস্তি কৰি অহাৰ অভিযোগ। শেহতীয়াকৈ জ্যেষ্ঠ সহায়ক বৰ্মনৰ ছাৰ্ভিচ বুক বিদ্যালয়সমূহৰ পৰিদৰ্শকজনে নিৰীক্ষণ কৰাত তেওঁৰ বয়সৰ প্ৰমাণ পত্ৰক লৈ সন্দেহ ওপজে। ইয়াৰ পাছতে বিদ্যালয়সমূহৰ পৰিদৰ্শকে জ্যেষ্ঠ সহায়কজনলৈ এই সন্দৰ্ভত কাৰ্যালয়ৰ পৰা যোৱা ছয় আৰু ন ছেপ্টেম্বৰত দুখন পত্ৰ প্ৰেৰণ কৰে যদিও বৰ্মনে কোনো উত্তৰ নিদিলে। তেতিয়াই বিদ্যালয়সমূহৰ পৰিদৰ্শকজনে জ্যেষ্ঠ সহায়ক বৰ্মনে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ অধ্যক্ষলৈ বৰ্মনৰ বয়সৰ প্ৰকৃত তথ্য বিচাৰি পত্ৰ প্ৰেৰণ কৰে। বিভাগীয়ভাৱে প্ৰেৰণ কৰা পত্ৰৰ উত্তৰত বিদ্যালয়খনৰ অধ্যক্ষই বৰ্মনৰ জন্মৰ তাৰিখ ১৯৫৯ৰ পহিলা জুলাই বুলি নিশ্চিত কৰে। উল্লেখ্য যে জ্যেষ্ঠ সহায়কজনৰ ছাৰ্ভিচ বুকত চিএঞাইীৰে ঘঁহি লিপিবদ্ধ কৰা অৱস্থাত ১৯৬২ৰ পহিলা জুলাই বুলি উল্লেখ আছে। এই বিসংগতি দেখা পাছতে নলবাৰীৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে ১৩ ছেপ্টেম্বৰত সমগ্ৰ ঘটনাৰ প্ৰকৃত তথ্য বিচাৰি অসম মাধ্যমিক শিক্ষা পৰিষদৰ সচিবলৈ এখন পত্ৰ প্ৰেৰণ কৰে। উক্ত পত্ৰৰ উত্তৰত অসম মাধ্যমিক শিক্ষা পৰিষদে যোৱা ১৮ ছেপ্টেম্বৰত বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে নিশ্চিত কৰা জন্মৰ চনটোৰেই বৰ্মনৰ জন্মৰ প্ৰকৃত চন বুলি নিশ্চিত কৰে। অসম মাধ্যমিক শিক্ষা পৰিষদৰ পত্ৰ লাভ কৰাৰ পাছতে জ্যেষ্ঠ সহায়ক বৰ্মনৰ বয়স ফাকিৰ জালিয়াতি উন্মোচিত হয়। ইয়াৰ পাছতে বিদ্যালয়সমূহৰ পৰিদৰ্শক সীমান্ত কুমাৰ ডেকাই বৰ্মনৰ বিৰুদ্ধে নলবাৰী সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ইতিমধ্যে উক্ত এজাহাৰৰ ভিত্তিত এটা গোচৰ পঞ্জীয়ন কৰিছে।

ইপিনে, উক্ত কাৰ্যালয়ৰ অধীনস্থ পশ্চিম বনভাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক উমেশ চন্দ্ৰ দাসৰ বিৰুদ্ধেও বয়স ফাকিৰে চাকৰিৰ ম্যাদ বৃদ্ধি কৰাৰ অভিযোগ উঠিছে। কাৰ্যালয়ৰ সূত্ৰই জনোৱা মতে, শিক্ষকজনে ২০২০ৰ ফেব্ৰুৱাৰীত অৱসৰ গ্ৰহণ কৰিব লাগিছিল। যদিও বয়সৰ জালিয়াতিৰে চাকৰিৰ ম্যাদ বৃদ্ধি কৰি দাসে বিগত ১৭ মাহ অতিৰিক্তভাৱে বেতন ভোগ কৰি আছিল। শিক্ষকজনৰ বয়স ফাকিৰ তথ্য পোহৰলৈ অহাৰ পাছতে বিদ্যালয়সমূহৰ পৰিদৰ্শকে দাসৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিদ্যালয়ৰ অধ্যক্ষলৈ এক নিৰ্দেশনা প্ৰেৰণ কৰিছে।

# তেজপুৰত একাংশ কলা সাধকৰ

*তিনি পৃষ্ঠাৰ পৰা* সমস্যা, মাদক দ্ৰব্যৰ কৰাল গ্ৰাস আৰু পৰিয়ালসমূহত দেখা দিয়া সম্পৰ্কৰ অৱক্ষয়, সামাজিক দায়িত্ব, হাস্যৰস আদিৰে বিভিন্ন বিষয় সাবলীলভাৱে উপস্থাপন কৰি ৰাইজলৈ আঠখন চুটি ছবি উপহাৰ দিছে। উল্লেখ্য যে মুঠ এশখন চুটি ছবি নিৰ্মাণৰ লগতে দৰ্শকলৈ আগবঢ়াই দিবলৈ পৰিকল্পনা কৰা এইসকল শিল্পীয়ে অভিনয়ৰ ক্ষেত্ৰত একাংশ প্ৰবীণ আৰু সুদক্ষ অভিনেতা-অভিনেত্ৰীৰ লগতে একাংশ নবীন অভিনেতা-অভিনেত্ৰীক অভিনয়ৰ সুযোগ দি তেওঁলোকৰ অভিনয় জীৱনলৈ এক যোগাত্মক মাত্ৰা প্ৰদান কৰিছে। আঠখন চুটি ছবিৰে পৰিচালনা প্ৰশান্ত বৰা আৰু দিগন্ত কুমাৰ ভূঞাই কৰাৰ লগতে ভূঞাই সম্পাদনা আৰু আৱহ সংগীতৰ কামো কৰিছে। কেমেৰাত ৰঞ্জিত দাস আৰু ৰূপসজ্জাৰ দায়িত্ব পালন কৰিছে মৃদুস্মিতা বৰাই। তেজপুৰত এইসকল শিল্পী তথা কলা-কুশলীয়ে একত্ৰিত হৈ নিউজ ট্ৰেক অসমৰ বেনাৰত চুটি ছবি নিৰ্মাণৰ যি ধাৰা আৰম্ভ কৰিছে ই সম্প্ৰতি জটিল পৰিস্থিতিৰ মাজত এক অন্যতম ব্যতিক্ৰমী আৰু বিৰল দৃষ্টান্ত বুলি বহু সংখ্যক দৰ্শকে মন্তব্য কৰিছে। সীমিত সুবিধা আৰু অতি সামান্য বাজেটৰে নিৰ্মাণ কৰা প্ৰতিখন ছবিৰে কাহিনী হিচাপে একোটা গুৰুত্বপূৰ্ণ বিষয়ক বাছি লোৱাৰ লগতে সেয়া ৰুচিশীলভাৱে উপস্থাপন কৰাটোৰেই তেজপুৰৰ এইসকল নীৰৱ কলা সাধকৰ অন্যতম উল্লেখনীয় দিশ।

# শুৱালকুছিত বেংক বিষয়াৰ মইমতালিত

*তিনি পৃষ্ঠাৰ পৰা* প্ৰতিষ্ঠানত প্ৰায় ছবছৰ ধৰি কাম কৰিছিল বংশৰৰ শিক্ষিত যুৱক ধনজিৎ দাসে। দেশত কৰ'না মহামাৰী ৰোধ কৰাৰ উদ্দেশ্যে তলাবন্ধ ঘোষণা কৰাত উদ্যোগ প্ৰতিষ্ঠানটোৰ লোকচানৰ দোহাই দি যুৱকজনক প্ৰতিষ্ঠানটোৰ পৰা অব্যাহৃত দিয়ে। যাৰ ফলত পৰিয়ালটোৰ মাজত পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হয়। উপায়হীন হৈ যুৱকজনে প্ৰায় ছবছৰ ধৰি উদ্যোগ প্ৰতিষ্ঠানটোত কাম কৰাৰ বাবে কৰ্মচাৰী ভৱিষ্যনিধি আঁচনিৰ অধীনত পাবলগীয়া ধনৰ বাবে আবেদন কৰে। সেই আবেদন অনুসৰি ২৬/৭/২১ তাৰিখে কৰ্মচাৰী ভৱিষ্যনিধি আঁচনিৰ ধন গ্ৰামীণ বিকাশ বেংকৰ শুৱালকুছি শাখাত ধনজিৎ দাসৰ নামত থকা ৭২৯৫০১০০৮৬৭১৮ একাউণ্টত পাবলগীয়া ৪৪,৭৬৬ টকা ষ্টেট বেংক অৱ ইণ্ডিয়াৰ আঠগাঁও এটি ৰোড শাখাৰ পৰা এনইএফটিৰ জৰিয়তে মোকলাই দিয়ে। কিন্তু আজিলৈকে তেওঁ গ্ৰামীণ বিকাশ বেংক শুৱালকুছি শাখাৰ বেংক পৰিচালকৰ মইমতালি আৰু হেমাহিৰ বাবে দুমাহ ধৰি বেংকলৈ বাটকুৰি বাই থাকিও পাবলগীয়া ধন পোৱা নাই বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। এই সন্দৰ্ভত বেংকৰ শাখা পৰিচালকক সুধিলে গা এৰা দিয়া মন্তব্য দিয়াৰ লগতে দুৰ্ব্যৱহাৰহে কৰা বুলি মন্তব্য কৰে যুৱকজনে। আনহাতে, কৰ্মচাৰী ভৱিষ্যনিধি আঁচনিৰ ধন নোপোৱাৰ ক্ষেত্ৰত শুৱালকুছি গ্ৰামীণ বিকাশ বেংকৰ শাখা পৰিচালকলৈ যুৱকজনে কে'বাবাৰো আবেদন কৰে যদিও পাছত বেংকলৈ গ'লে সেই আবেদন হেৰুওৱা বুলি কৈ পুনৰ আবেদন লিখিবলৈ দিয়ে। ইপিনে, বেংকৰ একাউণ্টৰ বহী আপডেট কৰিব খুজিলেও মেচিন বেয়া হোৱা বুলি কোৱাৰ লগতে সময়ৰ নাটনিৰ দোহাই দি আপডেট কৰি নিদিয়াৰো গুৰুতৰ অভিযোগ উত্থাপন কৰে ভুক্তভোগী যুৱকজনে। পাবলগীয়া ধন নোপোৱাত হতাশাত ভাগি পৰিছে যুৱকজন। উপায়বিহীন হৈ অতি দৰিদ্ৰ শিক্ষিত যুৱকজনে তেওঁৰ পাবলগীয়া ধন পোৱাৰ ব্যৱস্থা কৰি দিবলৈ শুৱালকুছি সাংবাদিক সন্থাৰ ওচৰ চাপে আৰু তেওঁ বিগত দুমাহ ধৰি বেংকত সন্মুখীন হৈ অহা সকলো কথা বিৱৰি কৈ এই ক্ষেত্ৰত সাংবাদিক সন্থাৰ সহায় বিচাৰে।

# এশ শতাংশই বেদখল জুকুতা-কোচমৰা

*তিনি পৃষ্ঠাৰ পৰা* সংমণ্ডলৰ অধীনস্থ কোচমৰা সংৰক্ষিত বনাঞ্চল। আনহাতে, বেদখলকাৰীৰ কবলত পৰি নিশ্চিহ্ন হোৱাৰ পথত অগ্ৰসৰ হৈছে বাকী সংৰক্ষিত বনাঞ্চল, যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চল, বৰপানী সংৰক্ষিত বনাঞ্চল, লুটুমাৰী সংৰক্ষিত বনাঞ্চল, পিলখানা সংৰক্ষিত বনাঞ্চল আৰু মাধৱপাৰা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল। বন বিভাগৰ পৰা পোৱা তথ্য অনুসৰি, দক্ষিণ নগাঁও বন সংমণ্ডলৰ অধীনস্থ লামডিং সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিকালি ২৫,২৪৫ হেক্টৰ যদিও ইয়াৰে ১,০৬৪ হেক্টৰ মাটি বেদখলকাৰীৰ কবলত পৰিছে। আনহাতে, ১১,১৩৩ হেক্টৰ মাটিকালিৰ কাকী সংৰক্ষিত বনাঞ্চলৰ ৯,৭০০ হেক্টৰ, ৭,৮৫৯ হেক্টৰ মাটিকালিৰ ডবকা সংৰক্ষিত বনাঞ্চলৰ ৩০ হেক্টৰ মাটি, ১,৪৫৬ হেক্টৰ মাটিকালিৰ যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চলৰ ১,২৭৮ হেক্টৰ মাটি ইতিমধ্যে বেদখলকাৰীৰ কবলত পৰিছে। ঠিক একেদৰে নগাঁও বন সংমণ্ডলৰ (টেৰিটৰীয়েল) অধীনস্থ ৩,১৭৩ হেক্টৰ মাটিকালিৰ বৰপানী সংৰক্ষিত বনাঞ্চলৰ ২,২১২ হেক্টৰ মাটি, ২,২২৬ হেক্টৰ মাটিকালিৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ ১,২৫০ হেক্টৰ মাটি, ১৩৯ হেক্টৰ মাটিকলিৰ জুকুতা সংৰক্ষিত বনাঞ্চলৰ এশ শতাংশ ভূমি, ১৬৬ হেক্টৰ মাটিকালিৰ পিলখানা সংৰক্ষিত বনাঞ্চলৰ ৪৪ হেক্টৰ মাটি, ৬,০৪৭ হেক্টৰ মাটিকালিৰ খোলাহাট সংৰক্ষিত বনাঞ্চলৰ ৩.৫০ হেক্টৰ মাটি, ৫,২৯৪ হেক্টৰ মাটিকালিৰ সোণাইকুছি সংৰক্ষিত বনাঞ্চলৰ ৮.৫০ হেক্টৰ মাটি আৰু ৬৪ হেক্টৰ মাটিকালিৰ মাধৱপাৰা (প্ৰস্তাৱিত) সংৰক্ষিত বনাঞ্চলৰ ৩২ হেক্টৰ মাটি বেদখলকাৰীৰ কবলত পৰিছে। অৱশ্যে চৰকাৰী তথ্যৰ বিপৰীতে বেচৰকাৰী তথ্য অনুসৰি সংশ্লিষ্ট বনাঞ্চলসমূহৰ বেদখলকাৰীৰ কবলত পৰা ভূমিৰ পৰিমাণ চৰকাৰী তথ্যতকৈ বহু বেছি। ইপিনে, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ লাওখোৱা অভয়াৰণ্যৰ মুঠ মাটিকালি ৭০.০১ বৰ্গ কিলোমিটাৰ যদিও অভয়াৰণ্যখনৰ ১৩৫ হেক্টৰ মাটি বেদখলকাৰীৰ কবলত পৰিছে। ঠিক একেদৰে বুঢ়াচাপৰি অভয়াৰণ্যৰ মুঠ মাটিকালি ৪৪.০৬ বৰ্গ কিলোমিটাৰ যদিও ইয়াৰ ৪২৩ হেক্টৰ মাটি বেদখলত পৰাত অভয়াৰণ্যখন সংকুচিত হৈ পৰিছে। ইপিনে, নগাঁও বন্যপ্ৰাণী সংমণ্ডলৰ অধীনস্থ তাহানিৰ সেউজ অৰণ্যাবৃত কোচমৰা সংৰক্ষিত বনাঞ্চলৰ মুঠ মাটিকালি ২১.৫৫ বৰ্গ কিলোমিটাৰ যদিও সংৰক্ষিত বনাঞ্চলখনৰ প্ৰায় এশ শতাংশ ভূমিয়েই বেদখলকাৰীৰ কবলত পৰিছে। ফলত তাহানিৰ সেউজ অৰণ্যাবৃত বনাঞ্চলখন সম্প্ৰতি জনাঞ্চলত পৰিণত হয়। প্ৰায় ২০টা চৰ-চাপৰিৰে সমৃদ্ধ কোচমৰা সংৰক্ষিত বনাঞ্চলৰ আটাইকেইটা চৰেই বেদখলকাৰীৰ কবলত পৰাত তাহানিৰ সেউজ অৰণ্যাবৃত কোচমৰা সংৰক্ষিত বনাঞ্চল এতিয়া জনাঞ্চললৈ পৰ্যবসিত হৈছে। বন বিভাগৰ তথ্য মতেই অবিভক্ত নগাঁও জিলাৰ ১২খন সংৰক্ষিত বনাঞ্চল আৰু দুখন অভয়াৰণ্যৰ ১৬.৫১৯ হেক্টৰ মাটি বেদখলকাৰীৰ কবলত পৰিছে বুলি প্ৰকাশ পাইছে যদিও বেচৰকাৰী সংস্থাৰ তথ্য অনুসৰি এই বনাঞ্চল আৰু অভয়াৰণ্যৰ বেদখলকৃত মাটিৰ পৰিমাণ প্ৰায় ২০ হেজাৰ হেক্টৰ হ'বগৈ। অবিভক্ত নগাঁও জিলাৰ বেদখলকাৰীৰ কবলত পৰা বনাঞ্চলসমূহত অভিযান চলাই সেইবোৰ বেদখলমুক্ত কৰিবলৈ সচেতন ৰাইজ, বিভিন্ন দল-সংগঠনে চৰকাৰক দাবী জনাই আহিছে যদিও অবিভক্ত নগাঁও জিলাৰ বনাঞ্চল-অভয়াৰণ্যত হোৱা বেদখল উচ্ছেদৰ ক্ষেত্ৰত চৰকাৰে সদায় অনীহা প্ৰদৰ্শন কৰি অহা পৰিলক্ষিত হৈছে। জিলাখনত বনাঞ্চলত চলা অবাধ বন ধ্বংসযজ্ঞৰ ফলত জৈৱ-বৈচিত্ৰ্যৰ প্ৰতিও চৰম ভাবুকি নামি আহিছে। বন ধ্বংসৰ ফলতেই জিলাখন প্ৰাকৃতিক ভাৰসাম্যহীনতাৰ দিশে ধাৱমান হোৱাও পৰিলক্ষিত হৈছে।

# যোৰহাটৰ পৰা বিহাৰলৈ মাখনাৰ চোৰাং

*তিনি পৃষ্ঠাৰ পৰা* আৰু অতিশয় পুষ্টি সম্পন্ন খাদ্য মাখনা প্ৰস্তুত হোৱা নিযেৰি। ঠাইভেদে মাখনা, নিকৰি, সকল গুটি, উৎপল, পানী শিঙৰা আদি বিভিন্ন নামে পৰিচিত এই মাখনাৰ এই চোৰাং বেহাৰ লগত জড়িত হৈ আছে বিহাৰৰ এটা শক্তিশালী চক্ৰ। বিহাৰৰ জনৈক ৰামদেৱ চৌধুৰীৰ নেতৃত্বত বৰ্তমান পতিয়া ফকলা গাঁও পঞ্চায়তৰ অন্তৰ্গত তিনিখন চৰকাৰী বিল ক্ৰমে সৰু চৰলা, বৰ চৰলা, গৰডা আৰু জেলুকনি বিলত মাখনাৰ গুটি চপোৱাৰ কাম যুদ্ধকালীন গতিত চলি আছে আৰু বৰ আলিৰে জনৈক লাচিতৰ ঘৰত বস্তা বস্তাকৈ গুটিবোৰ বিহাৰলৈ চালান দিয়াৰ উদ্দেশ্যে জমা কৰি থোৱা হৈছে। স্থানীয় সূত্ৰই এই কথা জনাইছে। সূত্ৰটোৰে জনোৱা মতে, বিহাৰৰ জনৈক ৰামদেৱ চৌধুৰী, মনোজ কুমাৰ চাহানি আৰু ঠাকু মুখীয়াৰ নেতৃত্বত অসমৰ বিভিন্ন ঠাইৰ পৰা চোৰাংকৈ এই মূল্যৱান জলজ উদ্ভিদবিধ বিহাৰলৈ চালান দি আহিছে। ইয়াৰ পৰা অসম চৰকাৰে এটকাও ৰাজহ পোৱা নাই। লোকচক্ষুৰ আঁৰতে স্থানীয় ৰাইজৰ অজ্ঞতা আৰু চৰকাৰৰ নিৰ্লিপ্ততাৰ সুযোগ লৈ এই চক্ৰটোৱে দীৰ্ঘদিন ধৰি লুণ্ঠন চলাই আহিছে। শেহতীয়াকৈ জানিব পৰা মতে, এই চক্ৰটোৱে ব্ৰহ্মপুত্ৰৰ দাঁতি কাষৰীয়া এই সৰু চৰলা, বৰ চৰলা, গৰডা আৰু জেলুকনিত বিহাৰৰ পৰা ১৮ জন শ্ৰমিক আনি বিলৰ পৰা মাখনাৰ গুটি উঠোৱাৰ কামত লগাই আছে। স্থানীয় সূত্ৰই জনোৱা মতে, এই চক্ৰটোক সহায় কৰিছে বৰআলি অঞ্চলৰে লাচিত, গণেশ, তপন আদিয়ে সহযোগ কৰি আহিছে। ইয়াৰে লাচিতৰ ঘৰতে শ্ৰমিকসকলক থকাৰ ব্যৱস্থা কৰাৰ উপৰি সংগৃহীত মাখনাবোৰ জমা কৰি ৰাখিছে। এই পৰ্যন্ত প্ৰায় ২০ কুইণ্টল উঠাই লাচিতৰ ঘৰত গোটাই থোৱা বুলি সূত্ৰটোৱে জনাইছে। ইপিনে, দৈনিক বস্তাই বস্তাই মাখনাৰ গুটি বিলৰ পৰা উঠাই থকা হৈছে। এইবাৰ চাৰিওখন বিলৰ পৰা দুশ কুইণ্টলৰো অধিক মাল উঠোৱাৰ টাৰ্গেত কৰা হৈছে। উল্লেখ্য যে বিহাৰৰ পৰা অনা বিশেষভাৱে প্ৰশিক্ষিত এই শ্ৰমিকসকলে পানীত বুৰ মাৰি গুটিবোৰ নাৱত জমা কৰে। তাৰ পাছত সেইবোৰ ধুই শুকুৱাই বস্তাত ভৰোৱা হয়। বিগত কে'বা বছৰ ধৰি এই চক্ৰটোৱে এই বিলকেইখনৰ পৰা এনেদৰে মাখনাৰ গুটি সংগ্ৰহ কৰি আছে। স্থানীয় সূত্ৰটোৰে জনোৱা মতে, বিহাৰৰ পৰা গুটি আনি এই চৰকাৰী বিলসমূহত সিঁচি দিয়া হয়। যিদৰে বিলৰ ডাক পাই তেওঁৰ তত্ত্বাৱধানতে এইবোৰ তদাৰক কৰা হয়। চৰকাৰীভাৱে মাছৰ বাবে বিলসমূহ আবণ্টন দিয়া হয় যদিও মাখনাৰ পৰা তেওঁলোকে অধিক লাভ কৰে। অথচ তাৰ বিনিময়ত এটকাও ৰাজহ লাভ নকৰে চৰকাৰে। এই ক্ষেত্ৰত জিলা আৰু আৰক্ষী প্ৰশাসনৰ হস্তক্ষেপ কামনা কৰিছে স্থানীয় ৰাইজে। পানীৰ দৰত ক্ৰয় কৰা এই মাখনাৰ এক কেজি শুকান গুটিৰ মূল্য আন্তৰ্জাতিক বজাৰত আঠৰ পৰা ১০ হেজাৰ টকা। এই মাখনা দেশীয়ভাৱে এশ এখন বৃহৎ বজাৰ থকাৰ উপৰি ইউৰোপ মহাদেশৰ লগতে চীন, জাপান আদি দেশতো ইয়াৰ চাহিদা আছে। বিহাৰতে সৰ্বাধিক উৎপাদন হয় এই মাখনা। এই মাখনাৰ পৰা উৎপন্ন হয় বিভিন্ন পুষ্টিকৰ খাদ্য। শিশু খাদ্য, মাখনা ক্ষীৰ, মাখনা দাল শৰীৰৰ বাবে অতি উপযোগী বুলি প্ৰকাশ। এইবিধ জলজ উদ্ভিদৰ পৰা উৎপাদিত খাদ্য এজন ব্যক্তিয়ে দৈনিক ১৮ গ্ৰাম সেৱন কৰিলে শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পোৱাৰ উপৰি হৃদৰোগ, বৃক্ক, হাওঁফাওঁ, ছালৰ ৰোগ, ৰক্তহীনতা, চকুৰ অসুখ আৰোগ্য হয় বুলি পোৱা যায়।

# খোপনিকুছি আঞ্চলিক হাইস্কুলত ৰাষ্ট্ৰীয় পোষণ মাহ পালন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ ছেপ্টেম্বৰ ঃ** হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ অন্তৰ্গত আঠ নম্বৰ চক্ৰৰ ১৭৪ নম্বৰ খোপনিকুছি পশ্চিম জানৰপাৰ অংগনৱাড়ী কেন্দ্ৰৰ উদ্যোগত আজি ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন কৰা হয়। অনুষ্ঠান উদ্বোধন কৰে হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া নাছিউৰ ৰহমানে। বিভিন্ন সজাগতামূলক গীত, শোভাযাত্ৰা, বাটৰ নাট পৰিৱেশনৰ যোগেদি জ্যেষ্ঠ সমাজকৰ্মী আব্দুৰ ৰহিমৰ সভাপতিত্বত অনুষ্ঠিত পোষণ মাহ উদ্‌যাপনৰ শীৰ্ষক কাৰ্যসূচীত পৰিষ্কাৰ-পৰিচ্ছন্নতা, আইৰণ সেৱন, বাল্যবিবাহ, বন্ধ্যাকৰণ আদি বিভিন্ন বিষয়ৰ ওপৰত গৰ্ভৱতী শিশু প্ৰসূতি মাতৃসকলক সজাগ কৰাৰ লগতে পুষ্টিকৰ খাদ্যাভ্যাস সম্পৰ্কে তৃণমূল পৰ্যায়ত ল'বলগীয়া যতন সন্দৰ্ভত বক্তব্য দাঙি ধৰে। অনুষ্ঠানতো শিশুসকল আৰু মাতৃসকলৰ পৰিপুষ্টি আহাৰৰ নিদৰ্শনৰূপে বিভিন্ন ফল-মূল, শাক-পাচলি, কণী আইৰণ টেবলেট আদি সজাই-পৰাই ৰখা খাদ্যাভ্যাস, শিশু অন্নপ্ৰাসন্ন, নাম-প্ৰসংগ আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰাও পৰিলক্ষিত হৈছে। সজাগতামূলক সভাত উপস্থিত থাকে হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেৱিকা নমিতা ডেকা, খোপনিকুছি আঞ্চলিক হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক ফিৰুজ আলী, সুৰেন দাস মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ প্ৰবক্তা আবুল হুছেইন, হাজো শিক্ষা খণ্ডৰ চিআৰচিচি ফুটফৰ ৰহমান মোল্লা, খোপনিকুছি গাঁৱৰ গাঁওবুঢ়া বিল্লাল হুছেইন, কলিতাকুছি গাঁও পঞ্চায়তৰ উপ-সভাপতি আছমিনা বেগমকে প্ৰমুখ্যে কৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ অংগনৱাড়ী কেন্দ্ৰৰ প্ৰায় শতাধিক কৰ্মী-সহায়িকা।

# ৰঙাপৰাত হাতী-মানুহৰ সংঘাত

*তিনি পৃষ্ঠাৰ পৰা* নগাপথাৰ গাঁৱৰ নিবাসী প্ৰয়াত ফুলচন্দ কুমাৰৰ পুত্ৰ তথা তিনিটা সন্তানৰ পিতৃ বিজয় কুমাৰ (৩৫)-এ সন্ধিয়া গাঁওখনৰে কাষেৰে বৈ যোৱা ডিপোটো নৈত মাছ মাৰিবলৈ বুলি গৈছিল। ঠিক তেনে সময়তে এটা বনৰীয়া হাতীৰ স'তে বিজয়ৰ মুখামুখি হয়। পাছত বনৰীয়া হাতীটোৰ আক্ৰমণত শ্ৰমিকজনৰ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। সন্ধিয়া মাছ মাৰিবলৈ ওলাই যোৱা বিজয় নিশা পৰ্যন্ত ঘৰলৈ উভতি নহাত পুৱতি নিশা পত্নীয়ে বিচাৰি যোৱাত স্বামীক নৈৰ পাৰত মৃত অৱস্থাত প্ৰত্যক্ষ কৰে। নিহত বিজয়ে ৰূপাজুলি চাহ বাগিচাৰ স্থায়ী শ্ৰমিক হিচাপে কৰ্মৰত আছিল। ইতিমধ্যে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰলৈ প্ৰেৰণ কৰে। ঘটনা সংক্ৰান্তত ৰঙাপৰা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেবেন বৰাই বিজয় কুমাৰৰ হাতীৰ গচকত মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰি মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনে মৃত্যুৰ কাৰণ নিৰ্ণয় কৰিব বুলি প্ৰকাশ কৰে। ইফালে, স্থানীয় ৰাইজে ধাননি পথাৰ বনৰীয়া হাতীৰ পৰা সুৰক্ষা প্ৰদানৰ বাবে দিয়া সৌৰশক্তি তাঁৰত লাগি মৃত্যু হোৱা বুলি স্থানীয় ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। স্থানীয় লোকৰ মতে, খেতিপথাৰ যাতে বনৰীয়া হাতীয়ে প্ৰৱেশ কৰি অনিষ্ট কৰিব নোৱাৰে সেই উদ্দেশ্যেৰে চৌদিশে সৌৰশক্তি তাঁৰ লগাই থৈছিল আৰু হাতীৰ ভয়তে পলাবলৈ ধৰাৰ সময়তে ব্যক্তিজনে উক্ত তাঁৰত লাগি মৃত্যু হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে।

# তামুলপুৰত গৰিয়া-মৰিয়া-দেশী

*তিনি পৃষ্ঠাৰ পৰা* সংগঠনটোৰ কে'বাটাও দাবী সম্বলিত এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কাৰ্যসূচীত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক জালালুদ্দিন আহমেদ, তামুলপুৰ জিলা আহ্বায়ক সমিতিৰ মজিবৰ ৰহমান, আলাউদ্দিন আহমেদ, ৰাতুল আলী, চমীৰ আহমেদ, মোবাৰক আলী, জেচমিন বেগম প্ৰমুখ্যে শতাধিক লোক উপস্থিত থাকে।

# জলপাইগুৰি চাইল্ড লাইনে

*তিনি পৃষ্ঠাৰ পৰা* যোৱা মাৰ্চত কাম কৰাৰ চলেৰে জলপাইগুৰিলৈ পলুৱাই লৈ যায়। পাছত শিশু শ্ৰমিক আৰু বাল্য বিবাহৰ সন্দেহত জলপাইগুৰি আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰি কিশোৰীগৰাকীক জলপাইগুৰি চাইল্ড লাইনক গতাই দিয়ে। জলপাইগুৰি চাইল্ড লাইনত কিশোৰীগৰাকী আঠমাহ থকাৰ পাছত আজি ওদালগুৰি জিলা শিশু সুৰক্ষা সমিতিত হাজিৰ কৰাই অভিভাৱকক গতাই দিয়ে।

# খান্দাজানত ননৈৰ পাৰত

*তিনি পৃষ্ঠাৰ পৰা* বিলৰ পাঁচশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত ইটাভাটা নিৰ্মাণ কৰিব নোৱাৰে। তেনে ক্ষেত্ৰত দায়িত্বৰত প্ৰদূষণ বিষয়া মৃদুল বৰুৱা, ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়া আৰু দৰং জিলা উপায়ুক্তই ননৈ নদীৰ মথাউৰিৰ গাতে ভাটা স্থাপনৰ অনুমতি কেনেদৰে প্ৰদান কৰিলে সেয়া ৰহস্যৰ আৱৰ্তত। অভিযোগ অনুসৰি, দৰং জিলাৰ পশ্চিম প্ৰান্তত এতিয়া চলিছে ভাটা স্থাপনৰ প্ৰতিযোগিতা। বিভাগীয় সকলো নিয়ম ধোঁৱাচাঙত তুলি অবৈধভাৱে স্থাপন কৰি থকা এই ভাটাসমূহে সাধাৰণ ৰাইজক বিপাঙত পেলালেও নোদোকা কৰিছে লাটমণ্ডলৰ পৰা আৰম্ভ কৰি বিভাগীয় বিষয়া-কৰ্মচাৰীক। নতুনকৈ ইটাভাটা স্থাপনৰ বিৰুদ্ধে ৰাইজে অভিযোগৰ পাছত অভিযোগ উত্থাপন কৰাৰ পাছতো সাংঘাতিকভাৱে মৌনতা অৱলম্বন কৰিছে দৰং জিলা প্ৰশাসনে। যাৰ সুবিধা গ্ৰহণ কৰি অসাধু চক্ৰসমূহে এটাৰ পাছত এটাকৈ পূৰ্ণগতিত অবৈধভাৱে চলাই আহিছে ইটাভাটাৰ চিমনি নিৰ্মাণৰ কাম।

# বৰ তেজপুৰত দুৰ্ঘটনাত নিহত

*তিনি পৃষ্ঠাৰ পৰা* এ এছ-০১ এল চি-৭৪৮৮ নম্বৰৰ ডাম্পাৰ এখনে তীব্ৰ জোৰে গুৱাহাটীৰ পৰা বকো অভিমুখে আহি আছিল। সেই সময়তে বৰ তেজপুৰৰ আইটিচি কোম্পানীৰ সন্মুখত তীব্ৰ জোৰে ডাম্পাৰখনে স্কুটীখনক খুন্দা মৰাৰ ফলত ঘটনাস্থলীতে নিহত হয় বিপিন কলিতা নামৰ লোকজন। ঘটনাৰ খবৰ পোৱাৰ পাছতে বিজয়নগৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ততাতৈয়াকৈ মৃত লোকজনক পলাশবাৰী থানাৰ শৱগৃহলৈ নিয়ে আৰু সংকটজনক অৱস্থাত থকা যুৱকজনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে।

# মঙলদৈ ৰামহৰিত মৃতদেহ

*তিনি পৃষ্ঠাৰ পৰা* সৰ্বশৰীৰতেই হয় এই আশ্চৰ্যজনক কাণ্ড। অৱশ্যে ডাড়ি খুৰোৱা মুখমণ্ডল একেদৰেই আছে। সেয়ে তেওঁৰ ভ্ৰাতৃ আৰু কন্যাই তেওঁক গৰম পানী তথা এচিড জাতীয় পদাৰ্থৰে হত্যা কৰা বুলি সন্দেহ কৰি উচিত তদন্তৰ বাবে আৰক্ষীলৈ কাতৰ আহ্বান জনায়। ইপিনে, মঙলদৈ অসামৰিক চিকিৎসালয়লৈ উধাতু খাই অহা পত্নীয়ে কান্দোনত ভাগি পৰি কয় যে তেওঁ কৰিমচ'কৰ হোটেলত কাম কৰে যদিও গিৰিয়েকক বেলেগৰ ঘৰত কাম কৰা বুলি কৈছিল। কাৰণ হোটেলত কাম কৰা বুলি ক'লে গিৰিয়েকে দুখ পাব। দুয়ো অতি কষ্টৰে পৰিয়ালটো পোহপাল দিয়া বুলি তেওঁ কয় যে গিৰিয়েকৰ কোনো বেয়া স্বভাৱ নাছিল আৰু কোনো শত্ৰুও নাছিল। সেয়ে নিশ্চয় কোনোবাই হত্যা কৰিছে। তিনি সন্তানৰ পিতৃৰ এনে অস্বাভাৱিক মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# তামুলপুৰৰ লতিবাৰীত বনৰীয়া

*তিনি পৃষ্ঠাৰ পৰা* জাকটোৱে নিশা হোৱাৰ লগে লগে জনাঞ্চলত প্ৰৱেশ কৰি বহু বিঘা সজাল ধৰা ধান খেতি, জিকা, পটল, বেঙেনা আদি পাচলি খেতিৰ উপৰি তামোলবাৰী, মালভোগ কলৰ বাগিচা আদি খাই তহিলং কৰাৰ লগতে ভাঙি-ছিঙি চুৰমাৰ কৰে। বনৰীয়া হাতীৰ জাকে আনকি খেতিপথাৰত থকা বাহৰ চাংঘৰ, দমকল ঠেলা গাড়ী আদি ভাঙি ক্ষতিসাধন কৰে। নিশা বনৰীয়া হাতীৰ উপদ্ৰৱত পূব কচুকাটা গাঁৱৰ আনন্দ ডেকা, প্ৰসন্ন মেধি, বিপুল ডেকা, অংকুৰ ডেকা, মনোজ মালাকৰ মনোপাল দাস, গজেন মেধি, অনুপম ৰাভা, ডিম্বেশ্বৰ কলিতা, কংকন ডেকা আদিকে ধৰি কে'বাজনো খেতিয়কৰ ধান খেতি, পাচলিৰ খেতিৰ বিস্তৰ ক্ষতিসাধন হয়। বনৰীয়া হাতীৰ উপদ্ৰৱত বহু কষ্টৰে কৰা ধান খেতি, পাচলি খেতিৰ বিস্তৰ ক্ষতি হোৱাত উপায়হীন হৈ পৰা খেতিয়কসকলৰ বন বিভাগক কাতৰ অনুৰোধ বনৰীয়া হাতীৰ জাকটো সেই অঞ্চলৰ পৰা খেদি পঠিওৱাৰ দিহা কৰিবলৈ। উল্লেখ্য যে নিশা অঞ্চলটোত উপদ্ৰৱ চলাই বনৰীয়া হাতীৰ জাকটোৱে পুনৰ বৰনদীৰ পাৰৰ হাবিয়নিত অৱস্থান কৰি থকাত পুনৰ আজি নিশা গাঁৱত প্ৰৱেশ কৰি উপদ্ৰৱ কৰাৰ আশংকাত আতংকিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ।

# তৃণমূল পৰ্যায়লৈ কামৰূপ জিলা প্ৰশাসন

## ■ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলৰ স'তে খণ্ড উন্নয়ন পৰ্যায়ত আলোচনা সভা

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ২১ ছেপ্টেম্বৰ ঃ** নিৰ্ধাৰিত বহনক্ষম লক্ষ্য (এছ ডি জি)ত উপনীত হৈ অসমে দেশৰ শীৰ্ষৰ পাঁচখন ৰাজ্যৰ তালিকাত স্থান লাভ কৰাত সহায় কৰিবলৈ কামৰূপ জিলাৰ প্ৰতিটো বিভাগে নিজ নিজ ক্ষেত্ৰত সম্পূৰ্ণ পৰিকল্পিতভাৱে আৰু দায়বদ্ধতাৰে আগবাঢ়িব লাগিব। ছয়ানি বৰদুৱাৰ উন্নয়ন খণ্ডৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত আজি অনুষ্ঠিত আলোচনা সভাত জিলা উন্নয়ন আয়ুক্ত নৰসিং বেয়ে এইদৰে কয়। উল্লেখ্য যে কামৰূপ জিলাৰ প্ৰতিটো বিভাগে নিৰ্ধাৰিত বহনক্ষম উন্নয়ন লক্ষ্য (এছ ডি জি)ত উপনীত হ'বৰ বাবে জিলা প্ৰশাসনে বিভিন্ন ব্যৱস্থা হাতত লৈছে। ইয়াৰে অংশৰূপে জিলা প্ৰশাসনক তৃণমূলৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলক অনুপ্ৰাণিত কৰাৰ লগতে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত তেওঁলোকে সন্মুখীন হোৱা সমস্যা আৰু প্ৰত্যাহ্বানসমূহৰ বুজ লোৱাৰ অৰ্থে উন্নয়ন খণ্ড পৰ্যায়ত অনুষ্ঠিত কৰিবলৈ লোৱা আলোচনা সভালানিৰ প্ৰথম দুখন সভা আজি মিৰ্জাস্থিত কামৰূপ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত অনুষ্ঠিত কৰা হয়। এদিনত দুটাকৈ উন্নয়ন খণ্ড সামৰি জিলাখনৰ ১৪টা উন্নয়ন খণ্ডৰ বাবে সাতদিনীয়াকৈ অনুষ্ঠিত কৰা আলোচনা সভালানিৰ আজি প্ৰথম দিনৰ প্ৰথমখন সভা ছয়ানি বৰদুৱাৰ উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত অনুষ্ঠিত কৰা হয়। সভাত উপস্থিত থকা প্ৰতিটো বিভাগে ৰূপায়িত হৈ থকা আঁচনি সম্পৰ্কত বক্তব্য উপস্থাপন কৰে। সভাত সভাপতিত্ব কৰি জিলা উন্নয়ন আয়ুক্ত নৰসিং বেয়ে তৃণমূল পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলৰ স'তে মত বিনিময় কৰে। ভাষণ প্ৰসংগত তেওঁ প্ৰতিটো বিভাগকে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বৰ বাবে সময় নিৰ্ধাৰণ কৰি ল'বলৈও আহ্বান জনায়। এনেদৰে আগবাঢ়িলে দেশৰ আগশাৰীৰ ৰাজ্যৰ তালিকাত অসমৰ নাম সন্নিবিষ্ট কৰিবৰ বাবে মুখ্যমন্ত্ৰীগৰাকীয়ে কৰা পৰিকল্পনা বাস্তৱায়িত হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে এই ক্ষেত্ৰত কামৰূপ আদৰ্শ জিলাৰূপে প্ৰতিষ্ঠিত হ'ব লাগিব। সভাৰ আৰম্ভণিতে এছ ডি জিৰ নিৰ্ধাৰিত ১৭টা লক্ষ্য সম্পৰ্কত বিতং ব্যাখ্যা আগবঢ়ায় অতিৰিক্ত সহকাৰী আয়ুক্ত চেহনাজ চাহিনে। সভাত ৰাজহ, স্বাস্থ্য সমাজ কল্যাণ, শিক্ষা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, জনস্বাস্থ্য কাৰিকৰী, খাদ্য আৰু অসামৰিক যোগান, তথ্য আৰু জনসংযোগ আদি বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। আজিৰ দ্বিতীয়খন সভা ৰামপুৰ উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত অনুষ্ঠিত কৰা হয়। ক্ষেত্ৰ পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত সাতদিন ধৰি চলিবগীয়া জিলা প্ৰশাসনৰ এই খণ্ড উন্নয়ন ভিত্তিক আলোচনা সভা লানিৰ পৰৱৰ্তী সভাকেইখন অহা ২৪, ২৮, ৩০ ছেপ্টেম্বৰ আৰু এক, পাঁচ আৰু আঠ অক্টোবৰত অন্যান্য উন্নয়ন খণ্ডসমূহত অনুষ্ঠিত হ'ব। এইখিনিতে উল্লেখ কৰিব পাৰি যে দুয়োটা উন্নয়ন খণ্ডতে উৎকৃষ্ট সেৱা আগবঢ়োৱা কে'বাগৰাকী বিষয়া-কৰ্মচাৰীক সভাত প্ৰশংসা পত্ৰ প্ৰদান কৰা হয়।

# নলবাৰীৰ শান্তি নিৱাস অনাথ আশ্ৰমত মহিলা মৰ্চাৰ প্ৰধানমন্ত্ৰীৰ ওপজা দিন পালন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২১ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ সংখ্যক ওপজা দিনৰ ২০ দিনীয়া কাৰ্যসূচীৰ অংশস্বৰূপে বিজেপিৰ নলবাৰী জিলা মহিলা মৰ্চাৰ উদ্যোগত প্ৰধানমন্ত্ৰী মোদীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি নলবাৰীৰ শান্তি নিৱাস অনাথ আশ্ৰমত থকা বৃদ্ধ আৱাসীৰ মাজত ফলমূল, হৰলিক্স বিতৰণ কৰে। বিজেপিৰ নলবাৰী জিলা মহিলা মৰ্চাৰ সভানেত্ৰী অঞ্জনা বৰ্মনৰ নেতৃত্বত যোৱা মহিলা মৰ্চাৰ জিলা কাৰ্যকৰ্তাৰ লগত সহযোগিতা আগবঢ়ায় স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ পত্নী জুলি ডেকা বৰুৱা, নলবাৰী জিলাৰ প্ৰভাৰী প্ৰেমদা ভূএঞা, সহকাৰী প্ৰভাৰী দীপিকা গোস্বামী, জিলা মহিলা মৰ্চাৰ উপ-সভানেত্ৰী চপলা মেধি, কল্পনা কলিতা, সাধাৰণ সম্পাদিকা পপী দত্ত, সম্পাদিকা মীৰা ডেকা, নমিতা ৰাজবংশী, ৰীতা দত্ত, কাৰ্যনিৰ্বাহক ধৰিত্ৰী ডেকাৰ উপৰি অন্যান্য কাৰ্যকৰ্তা, অ' বি চি মৰ্চাৰ কাৰ্যকৰ্তাসকলে দলটোৱে শান্তি নিৱাস অনাথ আশ্ৰমত থকা ৩০ গৰাকী আৱাসীৰ লগত ফলমূল হৰলিক্স আদি বিতৰণ কৰি সকলোৰে লগত মনৰ ভাৱ বিনিময় কৰে।

# পঞ্চায়তৰ দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ

*তিনি পৃষ্ঠাৰ পৰা* কৰাৰ ব্যৱস্থা কৰিব । চৰকাৰী আঁচনিৰ ধন লুণ্ঠন তথা দুৰ্নীতি কৰি অভিযন্তা তথা পঞ্চায়ত প্ৰতিনিধি সাৰি যাব নোৱাৰিব। এখন গাঁও তথা অঞ্চল উন্নয়নৰ অবিহনে চৰকাৰে সফলতা লাভ কৰিব নোৱাৰে বুলি মন্তব্য কৰে মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে। ইফালে থাওৰা সমষ্টিৰ ডিমৌ উন্নয়ন খণ্ডৰ **২০১৮-১৯** বৰ্ষত চতুৰ্থ বিত্তীয় আয়োগৰ পুঁজিৰে নিৰ্মাণ কৰা ড্ৰাষ্টবিন নিৰ্মাণত সংঘটিত হোৱা দুৰ্নীতিৰ সন্দৰ্ভত মন্ত্ৰীগৰাকীক প্ৰশ্ন উত্থাপন কৰাত ইয়াৰ যথোচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ব্যক্ত কৰে। তাৰোপৰি ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত অন্যতম পাৰিজাত পঞ্চায়তত প্ৰধান মন্ত্ৰীৰ আবাসগৃহ নিৰ্মাণত হোৱা অনিয়ম সন্দৰ্ভতো ডিমৌ উন্নয়ন খণ্ড বিষয়াৰ লগত আলোচনা কৰি শীঘ্ৰে তদন্ত ব্যৱস্থা কৰা হ'ব বুলিও আশ্বাস প্ৰদান কৰে। আনহাতে ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীৰে হোৱা আলোচনাত নহাট পঞ্চায়তৰ সভানেত্ৰী পুষ্পা গগৈয়ে যোৱা বাইশটা মাহেক পঞ্চায়ত প্ৰতিনিধিসকলে কোনোধৰণৰ পাৰিতোষিক অবিহনে কাৰ্যনিৰ্বাহ কৰি থকা সন্দৰ্ভত অৱগত কৰাত মন্ত্ৰীগৰাকীয়ে ইয়াৰ বাবে মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰি এক স্থায়ী সমাধান কৰা হ'ব বুলি মত প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীক আগন্তুক থাওৰা উপ-নিৰ্বাচনৰ সন্দৰ্ভত জানিব বিচৰাত তেওঁ কয় যে মই পঞ্চায়তৰ উন্নয়ন সন্দৰ্ভতে আজি আহিছো। মই দলীয় কামত অহা নাই বুলি কৈ উপনিৰ্বাচন সম্পৰ্কত মন্তব্য প্ৰকাশ কৰিবলৈ বিৰত থাকে। মন্ত্ৰীগৰাকীৰ আজি ভ্ৰমণ কালত সংগ দিয়ে থাওৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক কুশল দুৱৰী, শিৱসাগৰ জিলা মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলে, ডিমৌ খণ্ড উন্নয়ন বিষয়া অৰুণ গগৈ, জিলা বিজেপিৰ সভাপতি ময়ুৰ বৰগোহাঁই, জিলা পৰিষদৰ সদস্য প্ৰদীপ গগৈ, অসম বেচা-কিনা নিগমৰ উপাধ্যক্ষ শিৱ প্ৰসাদ বদ্ৰা, জ্যেষ্ঠ বিজেপি নেতা মুনীন দিহিঙীয়াই।

# বিটিআৰত ৫০ হেজাৰ উত্তীৰ্ণৰ বিপৰীতে

*তিনি পৃষ্ঠাৰ পৰা* যোগ্যতা থকাৰ পাছতো বড়ো মাধ্যমত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰাৰ বাবেই এজন প্ৰাৰ্থী নিযুক্তিৰ পৰা বঞ্চিত হোৱাটো কোনোপধ্যে মানি ল'ব নোৱাৰি। এই ক্ষেত্ৰত শিক্ষামন্ত্ৰীৰ হস্তক্ষেপ আমি দাবী কৰিছো। অসমত বড়ো মাধ্যমত উচ্চতৰ মাধ্যমিকৰ পাঠদান আজিলৈকে আৰম্ভ কৰিব পৰা হোৱা নাই, যাৰ বাবে দশম শ্ৰেণীলৈকে বড়ো মাধ্যমত অধ্যয়ন কৰা শিক্ষাৰ্থীয়েও পাছলৈ ইংৰাজী মাধ্যমত উচ্চতৰ, স্নাতক আৰু স্নাতকোত্তৰ অধ্যয়ন কৰে। তেনে ক্ষেত্ৰত বড়ো মাধ্যমত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰা শিক্ষাৰ্থীক কেৱল বড়ো মাধ্যমৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আবেদনৰ বাবে প্ৰকাশ কৰা নিযুক্তিৰ বিজ্ঞাপনে নিজৰ মাতৃভাষাত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰা প্ৰাৰ্থীক সকলো যোগ্যতাৰ পাছতো নিযুক্তিৰ পৰা বঞ্চিত কৰিব বুলি অভিযোগ তোলে।' অসম চৰকাৰৰ শিক্ষা বিভাগৰ অকৰ্মণ্যতাৰ বাবে এনে বিসংগতি হোৱা বুলি অভিযোগ উত্থাপন কৰি এবছু নেতাজনে এই ক্ষেত্ৰত শিক্ষামন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰে। অয়াৰ লগতে হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সমস্যাৰ লগতে শিক্ষা সম্পৰ্কীয় আন কে'বাটাও সমস্যাৰ ওপৰত আলোকপাত কৰি এই সমস্যাসমূহ সমাধানৰ বাবে চৰকাৰক দাবী জনায়। উল্লেখ্য যে কেৱল বিটিআৰতে একাদশ শ্ৰেণীত নামভৰ্তিৰ ক্ষেত্ৰত প্ৰায় ২৮ হেজাৰ ছাত্ৰ ছাত্ৰীৰ মাজত হাহাকাৰৰ সৃষ্টি হোৱা বুলি সংবাদমেলত তথ্য দাঙি ধৰি এই ক্ষেত্ৰত অসম চৰকাৰৰ শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে এবছু নেতাজনে। তেওঁ কয় যে এইবেলি বিটিআৰত ৫০ সহস্ৰাধিক শিক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ বিপৰীতে অঞ্চলটোত ২২ হেজাৰ উচ্চতৰ মাধ্যমিকৰ আসন আছে। ফলত ২৮ হেজাৰ শিক্ষাৰ্থীৰ নামভৰ্তিৰ ক্ষেত্ৰত আশংকাই দেখা দিছে। ইপিনে, কোকৰাঝাৰৰ উল্টাপানীত আৰক্ষীৰ গুলিত দুজন বড়ো যুৱক নিহত হোৱা ঘটনাৰ লগতে একাংশ লোকে নতুন অস্ত্ৰ তুলি লৈ বিটিআৰত পুনৰ অশান্তি সৃষ্টি কৰাৰ ক্ষেত্ৰতো তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে এবছুৰ সভাপতি বড়োৱে। উল্টাপানীৰ ঘটনাক লৈ পূৰ্বৰ স্থিতিৰ বিপৰীতে উল্টাপানীৰ ঘটনাক ভুৱা সংঘৰ্ষ বুলি অভিযোগ কৰি উক্ত ঘটনাৰ ন্যায়িক তদন্ত দাবী কৰে। ভৱিষ্যতে সংঘৰ্ষৰ নামত ভুৱা সংঘৰ্ষ বন্ধ কৰাৰ বাবেও তেওঁ দাবী উত্থাপন কৰি জনক ব্ৰহ্ম আৰু জৌংচাৰ মোছাহাৰীৰ পৰিয়ালক উচিত ক্ষতিপূৰণ দিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়। সংবাদমেলত তেওঁ পুনৰ কয় যে ২০২০ৰ ২৭ জানুৱাৰীত হোৱা বিটিআৰ গঠনৰ জৰিয়তে অঞ্চলটোলৈ এক শান্তিৰ পৰিৱেশ ঘূৰি আহিছিল। তাৰ পাছতো একাংশই অঞ্চলটোত অশান্তি সৃষ্টি কৰাৰ চেষ্টা চলাই অহাটো দুৰ্ভাগ্যজনক আখ্যা দিয়ে। বিটিআৰ গঠনৰ পাছত কোনোৱে নতুনকৈ সংগঠন খুলি হাতত অস্ত্ৰ তুলি লোৱাৰ কোনো প্ৰয়োজন নাই। ইয়াৰ দ্বাৰাই বড়ো জনগোষ্ঠীটোৰ অধিক ক্ষতি হ'ব বুলি উল্লেখ কৰি বন্দুকৰ দ্বাৰা নহয় আলাপ-আলোচনাৰ জৰিয়তেহে সমাধান হ'ব বুলি বড়োৱে উল্লেখ কৰে। সমান্তৰালভাৱে নতুনকৈ গঠন হোৱা ইউএলবি সংগঠনকো মূলসুঁতিলৈ উভতি অহাৰ আহ্বান জনায়।

# মৰিগাঁও অসামৰিক চিকিৎসালয়ত

*তিনি পৃষ্ঠাৰ পৰা* ঠিকাদাৰৰ বিসংগতি তথা নিম্নমানৰ কাম কৰিয়েই কোটি টকা আত্মসাৎ কৰাৰ ফন্দি উদঙাই দিয়ে। ক'ভিড ভয়াৱহতালৈ লক্ষ্য কৰি মৰিগাঁৱত যোৱা ১১ জুনত ৰাজ্যৰ স্বাস্থ্য তথা মৰিগাঁৱৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই মৰিগাঁৱৰ অসামৰিক চিকিৎসালয়ত নিৰ্মাণ হৈ থকা আইচিইউ নিৰ্মাণ আৰু বিছনাসমূহ পৰ্যবেক্ষণ কৰি যোৱা ৩০ জুনতেই ৰোগীৰ বাবে আইচিইউ কক্ষ আৰু বিছনা মুকলি কৰি দিয়া হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু অতি আশ্চৰ্যজনকভাৱে আইচিইউ কক্ষ আৰু বিছনাসমূহ আজি তিনি মাহেও নিৰ্মাণ হৈ নুঠিল। তথ্য মতে, মৰিগাঁও অসামৰিক চিকিৎসালয়খনত ২৪ খন বিছনাযুক্ত আইচিইউ কোঠা নিৰ্মাণ আৰু বিছনাৰ বাবে আছাম ক্ৰিটিকেল কেয়াৰ প্ৰজেক্ট ২০২০ৰ অধীনত ১২ কোটি ৩২ লাখ ৩৭ হেজাৰ ৭৮০ টকা আৱণ্টিত হৈছিল নিৰ্মাণৰ বাবে। কিন্তু পৰিতাপৰ বিষয় যে এই আইচিইউ কোঠা আৰু বিছনাৰ বাবে ইমান বৃহৎ সংখ্যক ধন আৱণ্টিত হোৱাৰ পাছতো নিৰ্মাণ সম্পূৰ্ণ হৈ উঠাতো দূৰৈৰ কথা, এতিয়া তাত ব্যাপক কেলেংকাৰি সংঘটিত হোৱাৰ ভয়ানক তথ্য পোহৰলৈ অহাত মৰিগাঁৱৰ বিভিন্ন মহলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নবিৰুল ইছলাম নামৰ ঠিকাদাৰজনৰ দ্বাৰা নিৰ্মিত হৈ থকা এই আইচিইউ নিৰ্মাণত প্ৰায় ১১ টাকৈ বৃহৎ বিসংগতি থকা বুলি জিলা স্বাস্থ্য আৰু লোকনিৰ্মাণ গৃহ বিভাগে ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ গৃহ বিভাগৰ মুখ্য অভিযন্তালৈ আৰু নিৰ্মাণকাৰী ঠিকাদাৰ ইছলামলৈ দুখনকৈ পত্ৰ প্ৰেৰণ কৰা ঘটনাই এতিয়া মৰিগাঁৱত তীব্ৰ জোঁকাৰণিৰ সৃষ্টি কৰিছে। দুয়োটা বিভাগে সংশ্লিষ্ট কৰ্তৃপক্ষক প্ৰেৰণ কৰা পত্ৰত উল্লেখ আছে একাধিক বিসংগতি। অসামৰিক চিকিৎসালয়খনত নিৰ্মাণ কৰি কোঠাসমূহত নিম্নমানৰ টাইলছ, নিম্নমানৰ দুৱাৰ-খিৰিকী, এচি কুলিং, নাৰ্ছ ষ্টেছন, কোঠাৰ বাহিৰৰ শব্দ নিয়ন্ত্ৰণকে ধৰি একাধিক কাম-কাজত ব্যাপক বিসংগতিৰ লগতে অতি নিম্নমানৰ কাম হোৱা বুলি পত্ৰখনত স্পষ্টকৈ উল্লেখ আছে। ইপিনে, মৰিগাঁও অসামৰিক চিকিৎসালয়ত ৰাজ্য চৰকাৰৰ এই বৃহৎ পুঁজিৰে আইচিইউ কক্ষ নিৰ্মাণৰ নামত সংশ্লিষ্ট ঠিকাদাৰজনে অতি নিম্নমানৰ কাম কৰিয়েই এক বৃহৎসংখ্যক ধন আত্মসাৎ যে কৰিব এয়া ইতিমধ্যে স্পষ্টকৈ প্ৰতিফলিত হোৱা লগতে চৰকাৰী বিভাগ দুটাই দিয়া পত্ৰ দুখনেই এই কথা প্ৰমাণিত কৰিছে। এতিয়া প্ৰশ্ন হ'ল মৰিগাঁও জিলাৰ তিনিগৰাকী স্বাধীনতাৰ বীৰ ছহিদ তিলক ডেকা, গুণাভিৰাম বৰদলৈ আৰু হেমৰাম পাতৰৰ পৱিত্ৰ স্মৃতিত উৎসৰ্গিত মৰিগাঁও জিলাৰ একমাত্ৰ অসামৰিক চিকিৎসালয়খনত সংঘটিত এই ১২ কোটিটকীয়া কেলেংকাৰিয়ে ইতিমধ্যে মৰিগাঁৱত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে মৰিগাঁও জিলাত ইয়াৰ পূৰ্বেও ক'ভিড পৰিস্থিতিত হোটেলৰ নামত, খাদ্যৰ নামত মাস্ক, ছেনিটাইজাৰকে ধৰি একাধিক সামগ্ৰীৰ নামত কোটি কোটি টকা এটা চক্ৰই লুটপাট চলোৱা বুলি অভিযোগ উত্থাপিত হৈছিল। এই ক্ষেত্ৰত ৰাজ্যৰ স্বাস্থ্য তথা মৰিগাঁৱৰ অভিভাৱক মন্ত্ৰী মহন্তই কি ভূমিকা গ্ৰহণ কৰে সেয়াও লক্ষ্যণীয় হ'ব।

# ৰাজ্যত ৫২০ মাটিৰ দালালক আটক

*এক পৃষ্ঠাৰ পৰা* বহাল তবিয়তে থকাৰ সুযোগ দিয়া হৈছে বুলিও প্ৰশ্ন উত্থাপন হৈছে। কোটিপতি দালালসকলক কেতিয়া গ্ৰেপ্তাৰ কৰা হ'বনে বুলিও ব্যাপক চৰ্চা চলিছে।

চৰকাৰৰ এই অভিযানৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই আজি সদৰী কৰে যে যোৱা নিশাৰ ভিতৰতে ৪৫০ জন দালালক আৰক্ষীয়ে কৰায়ত্ত কৰে। চৰকাৰৰ হাতত সাতশ দালালৰ নাম থকা বুলি উল্লেখ কৰি শৰ্মাই কয় যে বাকীসকলকো আজি নিশাৰ ভিতৰতে গ্ৰেপ্তাৰ কৰিব পৰা যাব। তেওঁ কয়, 'এইটো কেৱল মাত্ৰ এটা সতৰ্কবাণী। আমি সেই মানুহবোৰক ধৰি ৰাইজৰ সন্মুখলৈ আনিব বিচাৰিছো। বেছি খান্দিলে আন আন নামো ওলাব। আমি বিচাৰিছো মধ্যভোগী নোহোৱাকৈ ৰাইজৰ কাম অফিচবোৰত হওক। সেইকাৰণে চৰকাৰী বিষয়া-কৰ্মচাৰীকো দালালৰ আশ্ৰয়ত নাহিবলৈ আহ্বান জনাইছো। ৰাইজকো অনুৰোধ জনাইছো আপোনাৰ কামটো শেষ হওতে হয়তো দুদিন বেছি লাগিব। দুদিন বেছি হওক, পইচা নিদিব। সকলোবোৰ মোৰ নজৰত আছে। এইবোৰ শেষ হ'ব লাগিব। অসম শ্ৰেষ্ঠ ৰাজ্য হ'ব লাগিলে এইবোৰ বন্ধ হ'বই লাগিব।' কেৱল চক্ৰ বিষয়াৰ কাৰ্যালয়ে নহয়, পৰিবহণ বিষয়াৰ কাৰ্যালয়, উপায়ুক্ত কাৰ্যালয়, আৰক্ষী থানা আদিতো দালাল থাকিব নালাগিব বুলিও মুখ্যমন্ত্ৰীয়ে দোহাৰে।

উল্লেখ্য যে কালিৰ পৰা আকস্মিকভাৱে আৰম্ভ কৰা এই অভিযানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে উপায়ুক্তসকলক ইয়াৰ প্ৰস্তুতি চলাবলৈ কেইদিনমান পূৰ্বে নিৰ্দেশ দিছিল। উপায়ুক্তসকলৰ লগত ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে হোৱা আলোচনাত মুখ্যমন্ত্ৰীয়ে চক্ৰ বিষয়াৰ কাৰ্যালয়ত সক্ৰিয় হৈ থকা দালালৰ তালিকা শীঘ্ৰে প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছিল। তালিকা প্ৰস্তুতৰ পাছতে সকলো জিলাত একেলগে এই অভিযান জিলা প্ৰশাসনে আৰক্ষীৰ সহযোগত আৰম্ভ কৰে। অৱশ্যে সেই তালিকাক লৈয়ো চৰ্চা চলিছে। কাৰণ ৰাইজক হাৰাশাস্তি কৰা বহু দালালৰ নাম এনে তালিকাবোৰত অন্তৰ্ভুক্ত নোহোৱা বুলি জিলাই জিলাই অভিযোগ উত্থাপন হৈছে।

## ক'ত কিমান জালত পৰিল?

অসম আৰক্ষীয়ে সদৰী কৰা তথ্য অনুসৰি আজি সন্ধিয়ালৈ সমগ্ৰ অসমত ৫২০ জন মাটিৰ দালালক আটক কৰা হয়। তাৰে একাংশক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে বাকীসকলক আটক কৰি ৰখা হৈছে। বিভিন্ন জিলাত আৰক্ষীয়ে কৰায়ত্ত কৰা দালালৰ সংখ্যা হ'ল ক্ৰমে ওদালগুৰিত তিনি, লখিমপুৰত ১৩, ধুবুৰীত ১২, বঙাইগাঁৱত ১৪, গোলাঘাটত ১৪, কৰিমগঞ্জত ১৬, হোজাইত ২৬, ডিব্ৰুগড়ত ১৭, কাৰ্বি আংলঙত তিনি, যোৰহাটত ১৫, শদিয়াত তিনি, ওদালগুৰিত দুই, বিশ্বনাথত ৩৩, শোণিতপুৰত ১২, কোকৰাঝাৰত ২২, বৰপেটাত ৪১, গোৱালপাৰাত ১৩, গুৱাহাটীত ৩৫, কামৰূপত ৫২, মৰিগাঁৱত ২৭, নগাঁৱত ২২, হাইলাকান্দিত ১২, কাছাৰত ১২, ধেমাজিত তিনি, তিনিচুকীয়াত চাৰি, শিৱসাগৰত পাঁচ, দক্ষিণ শালমাৰাত পাঁচ, চিৰাঙত আঠ, বাগ্‌সাত ১৪, বজালীত ১৭ আৰু দৰঙত ১১জন। এইসকলৰ ভিতৰত বহু প্ৰভাৱশালী দালালো আছে। গুৱাহাটীত আৰক্ষীৰ জালত পৰা তেনে দালালৰ ভিতৰত দুটা বিশেষ নাম হ'ল ৰামেশ্বৰ তালুকদাৰ আৰু শ্ৰীমন্ত চৌধুৰী। আৰক্ষীয়ে জনোৱা মতে, গান্ধীবস্তিৰ পৰা প্ৰদীপ চৌধুৰী, আজৰাৰ পৰা লতিফ আলী (হাটখোৱাপাৰা), আলতাব আলী (মজুলি), পুলক কলিতা (ধাৰাপুৰ), দিছপুৰৰ পৰা আতিকুৰ, চাজন সিং, উদ্দীপ্ত সিং, বশিষ্ঠৰ পৰা আব্দুল ৰহমত, হৰেণ শইকীয়া, তাপশ চৌধুৰী, বংকিম শৰ্মা আৰু নীলমণি তালুকদাৰক গ্ৰেপ্তাৰ কৰা হৈছে।

## জালত পৰিব নে কোটিপতি মাটিৰ দালাল

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** যোৱা নিশাৰে পৰা চলোৱা অভিযানত ডিব্ৰুগড় আৰক্ষীয়ে ১৭জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জনোৱা মতে, সম্ভাব্য তালিকাত আছে ২৫জনৰ নাম। অৱশ্যে এই তালিকা অধিক দীঘলীয়া হোৱাৰ সম্ভাৱনা আছে। আৰক্ষী অধীক্ষক শ্বেতাং মিশ্ৰই কয় যে গ্ৰেপ্তাৰ হোৱা দালালৰ প্ৰাৰম্ভিক তদন্তত আন বহু লোকৰ নাম সাঙোৰ খাইছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চক্ৰ বিষয়াৰ কাৰ্যালয়ত সকীয়াই দিয়াৰ পাছত ডিব্ৰুগড় জিলাত মাটিৰ দালালৰ বিৰুদ্ধে আৰক্ষী তৎপৰ হৈছে। মাটি কিনা-বেচাত ধৃত দালালসকলে বিভিন্ন সময়ত গ্ৰাহকক প্ৰৱঞ্চনাৰে মুনাফা লুটিছিল। অভিযানকালত আৰক্ষীয়ে ডিব্ৰুগড় সদৰ থানাত নজন, লাহোৱালত দুজন, মৰাণত এজন, জয়পুৰত এজন, নাহৰকটীয়াত এজন, খোৱাঙত দুজন আৰু বৰবৰুৱা থানাত এজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। সম্প্ৰতি আদালতত হাজিৰ কৰাৰ পাছত ধৃতসকলক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। আৰক্ষী সূত্ৰত প্ৰকাশ যে প্ৰস্তুত কৰা ২৫জনীয়া তালিকাত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীও আছে। আৰক্ষী অধীক্ষক মিশ্ৰই জনোৱা মতে ১৫জনক ডিব্ৰুগড় ন্যায়িক আদালতত আৰু দুজনক নাহৰকটীয়া ন্যায়িক আদালতত হাজিৰ কৰোৱা হয়।

আজি ন্যায়িক জিম্মালৈ প্ৰেৰণৰ প্ৰাকমুহূৰ্তত ডিব্ৰুগড় সদৰ থানাত গ্ৰেপ্তাৰ হোৱা মাটিৰ দালালে চিঞৰি চিঞৰি ডিব্ৰুগড়ৰ নামী-দামী চিকিৎসকৰ নাম উচ্চাৰণ কৰে। ডিব্ৰুগড়ৰ বিভিন্ন স্থানত শ শ বিঘা মাটি ক্ৰয় কৰি এই চিকিৎসকে পুনৰ বিক্ৰী কৰাৰ বিষয়ে চহৰখনৰ সকলো জ্ঞাত। ধৃত দালালে একেদৰে ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচিত চাহ খেতিয়ক, ব্যৱসায়ী আদিৰ নাম উল্লেখ কৰে। সমাজত বিজ্ঞ লোক বুলি পৰিচিত এইসকলৰ মাটিৰ দালালৰ স'তে কি সম্পৰ্ক বুলি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জনপ্ৰিয় চিকিৎসক, চাহ খেতিয়ক, সামাজিকভাৱে প্ৰভাৱশালী, প্ৰতিষ্ঠিত ব্যৱসায়ী আদিকে ধৰি বহু লোকৰ নাম আৰক্ষীৰ সন্মুখতে ধৃত দালালৰ মুখত আখৈ ফুটা দি ওলোৱাত স্বাভাৱিকতে চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰশ্ন উত্থাপন হৈছে যে এইসকল বিশিষ্ট লোকৰ নাম ৰাজহুৱা স্থানত দালালে চিঞৰি চিঞৰি কিয় উচ্চাৰণ কৰিলে। মনকৰিবলগীয়া যে ডিব্ৰুগড়ৰ চুকে-কোণে সোমাই থকা মাটিৰ দালালৰ স্থানীয় আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও এনে দালালৰ মুখতে আৰক্ষী থানাত নাম উচ্চাৰিত হোৱাসকলক তদন্ত প্ৰক্ৰিয়াৰ আওতালৈ আহিব নে নাহে সেই প্ৰশ্ন উত্থাপন কৰিছে সচেতন মহলে। অভিযোগ অনুসৰি, প্ৰতিটো ৰাজহ চক্ৰৰ অধীনত মাটিৰ ক্ৰয়-বিক্ৰয়ৰ নামত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ মেনেজৰ পৰা আনুষংগিক বিভিন্ন কামৰ মতা অংকৰ ধন লৈ বছৰ পাছত বছৰ ধৰি ধন লৈ বৃহৎ বেহা চলাই অগাধ সম্পত্তিৰ গৰাকী হোৱা এনে বৃহৎ মধ্যভোগীসকলৰ নিস্তাৰ নাই বুলি আৰক্ষীয়ে দাবী কৰিছে। ভাৰতীয় দণ্ড বিধিৰ ধাৰা ১২০ (খ), ৪৬৮/৪৭১/৪০৯/৪০৬ আৰু ৪২০ ধাৰাত গোচৰ ৰুজু কৰা হৈছে।

**যোৰহাটৰ অগ্ৰদূত বাৰ্তা ঃ** জিলাখনৰ ১৪জন মাটিৰ দালালক আজি গ্ৰেপ্তাৰ কৰে যোৰহাট আৰক্ষীয়ে। আৰক্ষীৰ এটা দলে যোৱা নিশাই বিভিন্ন ঠাইত অভিযান চলাই গ্ৰেপ্তাৰ কৰে ধৰণী চেতিয়া, মনজিৎ চাংমাই, পংকজ বৰুৱা, দিগন্ত গগৈ, বাবু বৰা, চিৰঞ্জীত ৰাজখোৱা, বিজয় বৰা আৰু দীপ নেওগক। আনহাতে, আজি চিনামৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে ভূপেন হাজৰিকা (জ্যেষ্ঠ), পুলক শৰ্মা, অজিত সৰকাৰ, শ্যাম শৰ্মা, ভূপেন হাজৰিকা (কনিষ্ঠ) আৰু সঞ্জীৱ উপাধ্যায়ক। উল্লেখ্য যে যোৰহাট জিলা আৰক্ষীয়ে ৬০জনীয়া এখন তালিকা প্ৰস্তুত কৰি এই অভিযান চলাইছে। উল্লেখ্য যে কালি নিশা গ্ৰেপ্তাৰ কৰা নজন দালালৰ আঠজনকে আদালতত হাজিৰ কৰাই জেল হাজোলৈ প্ৰেৰণ কৰা হয় যদিও ৰহস্যজনকভাৱে টীয়কৰ ধৰণী চেতিয়া বোলা দালালজনক নিশাই আটক কৰি আনে যদিও এই পৰ্যন্ত গ্ৰেপ্তাৰ কৰা হোৱা নাই। ইয়াৰ বিপৰীতে তেওঁ বৰ্তমান যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ কেবিনত চিকিৎসাধীন হৈ আছে। আটক কৰা অৱস্থাত সুস্থ অৱস্থাত থকা মাটিৰ দালালজন হঠাৎ কিদৰে অসুস্থ হৈ চিকিৎসাধীন হ'ব লগা হ'ল সেই কথাই ৰহস্যৰ সৃষ্টি কৰিছে। মনকৰিবলগীয়া কথাটো হ'ল ধৰণী শাসকীয় বিজেপি দলৰ এজন সক্ৰিয় সদস্য। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত টীয়কৰ বিধায়ক মেম্বৰ গগৈৰ লগত থকা ভাল সম্পৰ্কৰ দোহাই দি সোঁৱে-বাঁৱে ধন ঘটি কোটিপতি হোৱা ধৰণীয়ে চৰকাৰ সলনি হোৱাৰ লগে লগে দলো সলনি কৰে আৰু বৰ্তমান বিজেপিৰ এজন প্ৰভাৱশালী কৰ্মকৰ্তা। তাৰ সুবাদতে তেওঁক গ্ৰেপ্তাৰ নকৰি হাস্পতালত ভৰ্তি কৰোৱা হৈছে বুলি চৰ্চা চলিছে। ইপিনে, জেললৈ প্ৰেৰণ কৰা মনজিৎ চাংমাই হ'ল কংগ্ৰেছৰ ঢেকৰগড়া ব্লকৰ সভাপতি। মাটিৰ দালালক গ্ৰেপ্তাৰ কৰা কাৰ্যক ছাত্ৰ সন্থাই আদৰণি জনাইছে যদিও ৰৌ-বৰালি দালালবোৰক এৰি পুঠি-খলিহনাককহে গ্ৰেপ্তাৰ কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰিছে। এক বিবৃতিত যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাই প্ৰত্যাহ্বান জনাই কয় যে সাহস আছে যদি চৰকাৰে যোৰহাটত দীৰ্ঘদিন ধৰি ভূমাফিয়াগিৰি চলাই অহা পৃথানী, জৈন, জালান, আগৰৱালা উপাধিধাৰী কেইজনৰ লগতে বিনোদ ছাৰফ, দত্ত, মোৰ, ধেলি আদিক গ্ৰেপ্তাৰ কৰক।

**আলোপতি ঃ** নগৰবেৰা আৰক্ষীয়ে আব্দুল কাদেৰ, ইনতাজ আলী, আজাদ আলী আৰু আবুল কালাম আজাদক গ্ৰেপ্তাৰ কৰি বকোলৈ প্ৰেৰণ কৰে। দীৰ্ঘদিন ধৰি এই দালালকেইজনে নগৰবেৰা অঞ্চলত দালালৰাজ চলোৱাৰ অভিযোগ আছে যদিও এই কেইজন পুঠি-খলিহনাহে। মাটিৰ দালালত জড়িত কে'বাজনো কোটিপতি এতিয়াও নিৰাপদ দূৰত্বতে আছে বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। বিগত সময়ত নগৰবেৰাত কোনে কিমান মাটি ক্ৰয় কৰিছে আৰু কিদৰে কাক দোষী কৰিছে এইসমূহ তথ্য ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত থকা তথ্যৰ ভিত্তিত এনে কোটিপতি দালালৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আৰক্ষী তথা প্ৰশাসনক স্থানীয় লোকে দাবী জনাইছে। এইসকল জালত পৰিব নে সেয়া বৃহৎ প্ৰশ্ন।

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত দুজন লাট মণ্ডলসহ মুঠ ১৩জনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষী অধীক্ষকে জনোৱা মতে, এইকেইজন হৈছে বিলাত পৰিমাণী আলী, মিন্নাত আলী মণ্ডল, অহাব আলী, গোলাপ হুছেইন, খলিল ৰহমান, ইস্তাক আলী, মজিদ আলী, আব্দুল মতলেব, শুকুৰ আলী আৰু বদিউৰ জামানৰ লগতে লাট মণ্ডলদ্বয় ক্ৰমে মাটিয়া ৰাজহ চক্ৰৰ তহিদুৰ ৰহমান আৰু লক্ষীপুৰ ৰাজহ চক্ৰৰ গোলাম মোস্তাফা আহমেদ। ৰৌ-বৰালিক এৰি আৰক্ষীয়ে পুঠি-খলিহনাক গ্ৰেপ্তাৰ কৰা বুলি ৰাইজৰ মাজত সৰৰ চৰ্চা চলিছে। অতি শীঘ্ৰে মাটিৰ ব্যৱসায়ত জড়িত কোটিপতি দালালক গ্ৰেপ্তাৰৰ দাবী জনাইছে গোৱালপাৰাৰ বিভিন্ন দল-সংগঠনে। অৱশ্যে আৰক্ষী সূত্ৰই দাবী কৰে যে অভিযান অব্যাহত থাকিব।

**হোজাই/যমুনামুখৰ অগ্ৰদূত বাৰ্তা ঃ** হোজাই, মোৱাঝাৰ, ডবকা, লংকা আৰু যমুনামুখ থানাৰ অধীনস্থ অঞ্চলৰ পৰা মুঠ ২৬জন মাটিৰ দালালক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। হোজাইৰ পৰা গ্ৰেপ্তাৰ কৰা নজন দালাল ক্ৰমে ৰাজীৱ চাহু, ইব্ৰাহিম আলী, আলীৰাজা লস্কৰ, মহম্মদ বিলাল উদ্দিন, কালিম উদ্দিন, পল্টন ৰয়, নিজামুদ্দিন চৌধুৰী, হানছিং তেৰাং আৰু ধ্ৰুৱজ্যোতি শৰ্মা। মোৱাঝাৰৰ পৰা গ্ৰেপ্তাৰ হৈছে আজিজুৰ ৰহমান, আফতাব উদ্দিন, হেলাল উদ্দিন, নাজিম উদ্দিন আৰু মৰতাজা আহমেদ। একেদৰে লংকাৰ পৰা আফতাৰ উদ্দিন, গোপাল শীল, দেৱাশীষ ধৰ, কমৰুল ইছলাম বৰভূঞা তথা যমুনামুখ থানাই গ্ৰেপ্তাৰ কৰে মিঠুন চন্দ, মুকুল দে, ফাৰুক আহমেদ আৰু আনোৱাৰ হুছেইন। ডবকাৰ পৰা গ্ৰেপ্তাৰ হয় আফতাব উদ্দিন, আজিজুৰ ৰহমান, হিলাল উদ্দিন বৰভূঞা, নাজিম উদ্দিন চৌধুৰী। হোজাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা আলিৰাজা লস্কৰ, স্থানীয় আব্দুল হাছিব উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক, ডবকাত গ্ৰেপ্তাৰ হোৱা আজিজুৰ ৰহমান ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰক্ষী শিক্ষক আৰু আফটাব উদ্দিন ডবকা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি। ইপিনে, মোৱাঝাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা হেলাল আহমেদ স্থানীয় সংবাদদাতা।

**নলবাৰীৰ বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী ৰাজহ চক্ৰৰ দুজন বিতৰ্কিত মণ্ডল চক্ৰেশ্বৰ কলিতা, দেৱকুমাৰ বৰুৱা, শিক্ষক কন্দৰ্প ডেকা আৰু স্থানীয় সংবাদদাতা সঞ্জয় জৈনসহ জিলাখনৰ পৰা ৩০জন ভূসম্পত্তি দালালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। নলবাৰী সদৰ আৰক্ষীয়ে ১৮জন, মুকালমুৱাত এজন, বেলশৰত এজন আৰু টিহুত পাঁচজন এনে দালালক জব্দ কৰে আৰক্ষীয়ে। নলবাৰী চহৰৰ ব্যৱসায়ী তথা বিগত বহু বছৰ ধৰি নলবাৰীত দপ্‌দপাই থকা কুখ্যাৎ ভূমাফিয়া অনিল জৈন, ওম প্ৰকাশ আৰক্ষীৰ জালত পৰিছে। আৰক্ষীয়ে জব্দ কৰা আন কেইজন হৈছে নলবাৰী থানাৰ অন্তৰ্গত মালিকুছিৰ মহিবুৰ ৰহমান, আজিজুল হক, ৰুবুল আলী, তাজেৰ আলী, চামছুল আলী, আইনুৰ হুছেইন, দাদুল আহমেদ, নলবাৰী চহৰৰ মুকেশ জৈন, অনিল কুমাৰ জৈন, চন্দ্ৰ জৈন, সঞ্জয় কুমাৰ জৈন, শুক্ৰেশ কুমাৰ জৈন, অজয় কুমাৰ জৈন, ৰাজেশ জৈন, কৃষ্ণ আগৰৱালা আৰু মৰোৱা অঞ্চলৰ দেৱকুমাৰ বৰুৱা (মণ্ডল)। আনহাতে, মুকালমুৱা থানাৰ অন্তৰ্গত নাৰায়ণপুৰত মোবাৰক হুছেইন, হেমনুৰ আলী, পশ্চিম হাউলিঘাটৰ তাজনুৰ আলী, আমৰাট্টাৰীৰ ফাৰুক আলী আহমেদ, ঘূৰিবহাৰ মাধৱ নাথ আৰু জৈনাল আবেদিন, বেলশৰ থানাৰ অন্তৰ্গত পংকজ নাথক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। টিহুৰ নাথকুছিৰ ৰাজীৱ কলিতা, ৰণাকুছি যমুনাট্টাৰীৰ মধুসূদন কলিতা, বামুণবৰীৰ নিজ নামাতিৰ মাণিক কলিতা, ভেল্লাৰ বিপুল দাস, নানাট্টাৰীৰ কন্দৰ্প ডেকা (শিক্ষক)ক গ্ৰেপ্তাৰ কৰিছে। যোৱা নিশা এওঁলোকক আটক কৰা হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, আন কে'বাজনৰ ওপৰত দৃষ্টি আছে। ইপিনে, আটকাধীন দালালকেইজনৰ উপৰি জিলাখনত কে'বাজনো ভূদালাল দপ্‌দপাই থকা বুলি ৰাইজে অভিযোগ কৰিছে। অভিযোগ অনুসৰি, একাংশ চিকিৎসক এনে দালাল চক্ৰত জড়িত আছে। বিতৰ্কিত মণ্ডল চক্ৰেশ্বৰ কলিতাই দীৰ্ঘদিন ধৰি এই দালাল চক্ৰৰ কিংমেকাৰ ভূমিকা লৈ অগাধ সম্পত্তিৰ পাহাৰ গঢ়া বুলি ৰাজহুৱা অভিযোগ আছে। অভিযোগ অনুসৰি, অনিল জৈন, ওম প্ৰকাশ, মুকেশ জৈন, সঞ্জয় জৈন আদি বৃহৎ দালাল চক্ৰই জিলাখনৰ প্ৰায়বোৰ অঞ্চলতে কমিছন ভিত্তিত কিছুমান এজেণ্ট নিয়োগ কৰিছে। এনে এজেণ্টৰ জৰিয়তে মানুহৰ দুৰ্বলতাৰ সুযোগ লৈ তেওঁলোকে কৃষিভূমি অথবা গৃহভূমিৰ চুক্তি কৰি লয়। পাছত উক্ত ভূমিত পকী দেৱাল নিৰ্মাণ কৰি বহু বেছি দামত বিক্ৰী কৰে। এনে অধিকাংশ দালালে সামান্য পৰিমাণত ভূমি ক্ৰয়-বিক্ৰয় দেখুৱাই বুজন পৰিমাণৰ ৰাজহ ফাকি দিয়াৰ অভিযোগ আছে। চৰকাৰ আৰু মাটিৰ মালিকক মাধমাৰ শোধাই ভূমাফিয়াই চলোৱা এনে কামত সহযোগ কৰে বৃহৎ ধনৰ বুজাবুজিৰে বিতৰ্কিত মণ্ডল কলিতাই। তেওঁ বিভাগীয় কাম-কাজত সহায় কৰে। অথচ পৈতৃক ভূমি যাৱতীয় নথিপত্ৰৰ কাম-কাজৰ বাবে উক্ত মণ্ডলকে ধৰি নলবাৰী ৰাজহ বিভাগৰ এটা চক্ৰই সাধাৰণ শ্ৰেণীৰ লোকক দীৰ্ঘদিন ধৰি হাৰাশাস্তি কৰি আহিছিল।

**কোকৰাঝাৰৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰত মণ্ডলসহ আজি ২২জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে জনোৱ মতে, জিলাখনৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ত দৰিদ্ৰ শ্ৰেণীৰ লোকে পৈতৃক ভূমি নামজাৰী কৰাৰ বাবদ বৃহৎ পৰিমাণৰ উৎকোচ লয় এই দালাল চক্ৰই। আনহাতে, নাছিৰ, ৰফিক আদিকে ধৰি কে'বাজনো দালালৰূপী মণ্ডল আৰক্ষীৰ জালত পৰিছে।

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁও জিলাত ১৫জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰৰ কাৰ্যালয় আৰু উপ-পঞ্জীয়ন কাৰ্যালয়ত দীৰ্ঘদিন ধৰি ত্ৰাসৰ সৃষ্টি কৰি অহা এনে দালালৰ মাজত মাণিকপুৰ থানা আঠজন, অভয়াপুৰী থানাই তিনিজন, বইটামাৰী আৰক্ষী চকীয়ে দুজন, বঙাইগাঁও সদৰ থানাই চাৰিজন গ্ৰেপ্তাৰ কৰে। জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাই কয় যে ৰাজহ বিভাগৰ অতিৰিক্ত উপায়ুক্তৰ এজাহাৰৰ ভিত্তিতে গ্ৰেপ্তাৰ কৰা হৈছে। ধৃত দালালসমূহ হৈছে মাণিকপুৰৰ দিলীপ কুমাৰ দাস, মোহন বাসী বৰাই, হায়দৰ আলী, জালাল উদ্দিন, বলোৰাম পাটগিৰি, কুশল নাথ, অভয়াপুৰীৰ প্ৰশান্ত অধিকাৰী, হীৰু কুমাৰ ভূঞা, নীলাম্বৰ ৰায়, বইটামাৰীৰ শিৰেন দাস, বদিউৰ ৰহমান, বঙাইগাঁও সদৰ আৰক্ষী থানা অঞ্চলৰ সুভাষ মহন্ত, দিলীপ ৰয়, মনোজ কলিতা, দুলাল শৰ্মা আদি। বিভিন্ন সময়ত সাধাৰণ ৰাইজক ঠগ-প্ৰৱঞ্চনা কৰি, মাটিৰ শ্ৰেণী পৰিৱৰ্তন নকৰাকৈ তথা চৰকাৰী খাচ মাটিসমূহ নিজ নামত নামজাৰী কৰাৰ লগতে নানা কু-কাৰ্য কৰিছিল এই দালাল চক্ৰই। অধীক্ষক ডেকাই জনোৱা মতে কালি আদালতত হাজিৰ কৰি এইসকলক আৰক্ষীৰ জিম্মাত বিচৰা হ'ব আৰু বহু দালালক গ্ৰেপ্তাৰৰ সম্ভাৱনা আছে বুলি তেওঁ কয়।

**পলাশবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** আজি সমগ্ৰ ৰাজ্যৰ লগতে পলাশবাৰীতো মাত্ৰ ছজন দালালক আটক কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমষ্টিটোত আৰক্ষী প্ৰশাসনৰ স'তে মিতিৰালি বজাই ৰখা বহু সংখ্যক প্ৰভাৱশালী মাটিৰ দালালে দপ্‌দপাই থকাৰ পাছতো ৰাজপ্ৰতাপ সিং ওৰফে ৰাম সিং (বিজয় নগৰ), বিপুল নাথ (ৰঙামাটি), নুৰ হুছেইন (ভকচেল), ফজৰুল হক (বগা), আজিম আলী (হালিগাঁও), খগেন ঠাকুৰীয়া (উপৰহালি) নামৰ মাত্ৰ ছজনক আটক কৰাই ঘটনাই পলাশবাৰী অঞ্চলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অৱশ্যে অভিযানৰ পাছত একাংশ ভূমাফিয়াই ম'বাইল ফোন বন্ধ ৰাখি আনৰ ফোন ব্যৱহাৰ কৰি আৰক্ষী টহলৰ সবিশেষ জানিবলৈ ঠায়ে ঠায়ে এজেণ্ট নিয়োগ কৰিছে। পলাশবাৰী আৰক্ষী থানাত মাটিৰ দালাল, চৰকাৰী ভূমি মাটি দখল কৰা এনে ভূমাফিয়াৰ বিৰুদ্ধে বহু গোচৰ ৰুজু হৈ আছে। শাসকীয় বিজেপিৰ দক্ষিণ কামৰূপৰ কে'বাজনো হাইপ্ৰফাইল নেতা এই দালাল কাৰ্যত প্ৰত্যক্ষভাৱে জড়িত থকা বুলি অঞ্চলটোৰ ৰাইজে মন্তব্য কৰিছে। কুখ্যাত দালাল তথা তেওঁলোকক সহযোগ কৰা পূৰ্বৰ বিষয়া, লাট মণ্ডলক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নে এই প্ৰশ্ন কৰিছে ৰাইজে। আনহাতে, বিজয় নগৰৰ কুখ্যাত দালাল পংকজ জৈনক গ্ৰেপ্তাৰ নকৰাক লৈ প্ৰশ্ন উত্থাপন হৈছে।

## শিৱসাগৰত পাঁচজনক গ্ৰেপ্তাৰ

**শিৱসাগৰৰ বিশেষ সংবাদদাতা/আমগুৰিৰ অগ্ৰদূত বাৰ্তা ঃ** মাটিৰ দালালৰ বিৰুদ্ধে শিৱসাগৰ জিলাত যোৱা নিশাৰ পৰা আৰক্ষীৰ অভিযান আৰম্ভ হয়। শিৱসাগৰৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা পাঁচজন মাটিৰ দালালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হৈছে দৰিকাপাৰ নামতিয়াল পথাৰৰ প্ৰবীণ বুঢ়াগোহাঁই, আমগুৰি হিলৈধাৰীৰ তপন বৰুৱা, ধাইআলিৰ মঞ্জুলুৰ হুছেইন, বুবুল আহমেদ, মৰনৈ কিনাৰৰ ৰকিব আলী। তেওঁলোকক সম্প্ৰতি আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে আমগুৰি অঞ্চলত এজন প্ৰভাৱশালী মাটিৰ দালাল আছে যদিও আৰক্ষীয়ে তেওঁক এই পৰ্যন্ত গ্ৰেপ্তাৰ নকৰাত সাধাৰণ লোকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## বিশ্বনাথত বিজেপি সদস্যসহ ৩৩ জনক গ্ৰেপ্তাৰ

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** আজি পুৱতি নিশাৰে পৰা মাটিৰ দালালৰ বিৰুদ্ধে বিশ্বনাথ জিলাৰ বিভিন্ন স্থানত আৰক্ষীয়ে অভিযান চলায়। এই অভিযানকালত আৰক্ষীয়ে জিলাখনৰ মুঠ ৩৩ জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। ইয়াৰ ভিতৰত বিশ্বনাথ সদৰ আৰক্ষী থানাত ১৭ জন, বিহালী আৰক্ষী থানাত দুজন, গহপুৰ আৰক্ষী থানাত সাতজন, হেলেম আৰক্ষী থানাত দুজন আৰু চতিয়া আৰক্ষী থানাত সাতজন লোকক গ্ৰেপ্তাৰ কৰা হয়। বিশ্বনাথ আৰক্ষীয়ে এই সন্দৰ্ভত ইতিমধ্যে বিশ্বনাথ সদৰ আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি)/৪২০/৪০৯/৪৬৭/৪৬৮/৪৭১ ধাৰাৰ অধীনত ৩৩০/২১ নম্বৰত এটা গোচৰ ৰুজু কৰি ধৃত লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰায়। শীঘ্ৰে তেওঁলোকক আদালতৰ জৰিয়তে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব বুলি আৰক্ষীয়ে জনাইছে। উল্লেখ্য যে আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকসকলৰ ভিতৰত আছে বিজেপিৰ বিশ্বনাথ জিলাৰ মিডিয়া চেলৰ কৰ্মী কৃষ্ণকুমাৰ তালুকদাৰ আৰু সমাজসেৱক অকন শইকীয়াও আছে। ইয়াৰ উপৰি ধৃত লোকসকলৰ ভিতৰত আছে কালিমুদ্দিন আলী, চিকন্দৰ আলী, জিয়াবুৰ ৰহমান, কৃষ্ণ তালুকদাৰ, অৰূপ হাজৰিকা, তমছেৰ আলী, চাহেব আলী, ৰাম বৰা, আলফাজ আহমেদ, নাহিৰ আলী, ক্ষীৰ বৰা, নীলেন হাজৰিকা আদি। বিশ্বনাথৰ আৰক্ষী অধীক্ষক লীনা দলেয়ে সংবাদ মাধ্যমৰ আগত কয় যে জিলাখনত মাটিৰ দালাল বৃত্তিত জড়িত আনসকলকো পৰ্যায়ক্ৰমে গ্ৰেপ্তাৰ কৰা হ'ব।

## তিনিচুকীয়াত ১৩ জনক গ্ৰেপ্তাৰ

**তিনিচুকীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** যোৱা নিশাৰ পৰা চলোৱা অভিযানত আৰক্ষীয়ে তিনিচুকীয়া জিলাৰ বিভিন্ন স্থানৰ পৰা ১৩ জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। ইয়াৰ ভিতৰত তিনিজনক ডুমডুমা, দুজনক মাৰ্ঘেৰিটা, পাঁচজনক তিনিচুকীয়া আৰু দুজনক শদিয়াৰ পৰা গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হৈছে মাৰ্ঘেৰিটাৰ অজিত দে, অমূল্য সিং ওৰফে ভৰেশ, ডুমডুমাৰ যোগেন মহন্ত, ৱালিক আহমেদ, বিজয় চাহু, তিনিচুকীয়াৰ ৰবিন গোহাঁই, ৰুক্ম গোহাঁই, মণ্টু মহন্ত, উপেন্দ্ৰ বাৰ্মা আৰু জিণ্টু হাজৰিকা। এইসকল লোকৰ বিৰুদ্ধে মাৰ্ঘেৰিটা, ডুমডুমা আৰু তিনিচুকীয়া সদৰ আৰক্ষী থানাত পৃথকে গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰাই অধিক সোধপোছৰ বাবে আৰক্ষীয়ে এদিনৰ জিম্মাত লয়। ইপিনে, শদিয়াত আটক কৰা তিনিজন লোকৰ নাম আৰক্ষীয়ে এই পৰ্যন্ত সদৰী কৰা নাই। আজি নিশাৰ ভাগতো অভিযান চলোৱা হ'ব বুলি আৰক্ষী সূত্ৰই জনাইছে। উল্লেখ্য যে তিনিচুকীয়াৰ উপায়ুক্ত নৰসিং পাৱাৰ শম্ভাজিৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে এই অভিযান চলায়। অৱশ্যে মাটিৰ দালালীৰ স'তে বহু প্ৰভাৱশালী তথা ধনবান লোকৰ পৰিৱৰ্তে আৰক্ষীয়ে সাধাৰণভাৱে দুপইচা আহৰণ কৰা লোককহে লক্ষ্য কৰি লোৱাৰ অভিযোগ উঠিছে। লক্ষ্যণীয়ভাৱে তিনিচুকীয়া উপায়ুক্তৰ কাৰ্যালয়ৰ এজন কৰ্মচাৰীয়ে সুদীৰ্ঘ দিন ধৰি মাটি ম্যাদী কৰা তথা অন্যান্য মাটি কাম-কাজত দুৰ্নীতিত লিপ্ত হৈ বিশাল সম্পত্তিৰ পাহাৰ গঢ়িছে যদিও আৰক্ষীয়ে সেই কৰ্মচাৰীজনক আটক কৰিবলৈ সাহস কৰা নাই বুলি এক সূত্ৰই অভিযোগ কৰিছে। সেইদৰে উপায়ুক্তৰ কাৰ্যালয়ৰ ৰাজহ বিভাগৰ লগতে জিলাখনৰ বিভিন্ন ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰো বহু কৰ্মচাৰীয়ে মাটিৰ দালালিত সহযোগ কৰাৰ অভিযোগ উঠিছে।

## বিহপুৰীয়া-নাৰায়ণপুৰত দুজনক আটক ঃ পৌৰসভাৰ কৰ্মচাৰী পলাতক

**বিহপুৰীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া আৰু নাৰায়ণপুৰ অঞ্চলতো আজি আৰক্ষীয়ে মাটিৰ দালালৰ বিৰুদ্ধে অভিযান চলায়। বিহপুৰীয়া আৰক্ষীয়ে প্ৰবীণ মজুমদাৰ আৰু নাৰায়ণপুৰ আৰক্ষীয়ে সদাগন দেউৰী নামৰ দুজন দালালক আটক কৰে। ধৃত দেউৰী নাৰায়ণপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ চেইনমেন। আনহাতে, মাটিৰ দালালৰূপে অভিযুক্ত বিহপুৰীয়া পৌৰসভাৰ কৰ্মচাৰী আব্দুল কালাম আহমেদৰ কেঞ্জামৰাস্থিত বাসগৃহতো আৰক্ষীয়ে তালাচী চলায়। কৰ্মচাৰীজনে পলায়ন কৰে যদিও তেওঁৰ বাসগৃহৰ পৰা আৰক্ষীয়ে বহু মাটি-বাৰী সম্পৰ্কীয় নথিপত্ৰ জব্দ কৰে।

## মৰাণ-খোৱাঙত তিনিজনক গ্ৰেপ্তাৰ ঃ এজন পলাতক

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ কাৰ্যালয়ত মাটিৰ দালালি কৰা তিনিজন দালালক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হৈছে মৰাণহাট খোলাৰ প্ৰয়াত চিকেন্দৰ দেৱানৰ পুত্ৰ আব্দুল হক দেৱান, খোৱাং চাৰিআলিৰ নাৰু ফুকনৰ পুত্ৰ লক্ষ্মীনাথ ফুকন আৰু এক নম্বৰ মাধকলিৰ প্ৰয়াত বংশীধৰ গগৈৰ পুত্ৰ গোপাল চন্দ্ৰ গগৈ। ধৃত দালাল তিনিজনৰ বিৰুদ্ধে মৰাণ আৰু খোৱাং আৰক্ষী থানাত দুটা গোচৰ ৰুজু কৰা হৈছে। আনহাতে, আন এজন অভিযুক্ত মাটিৰ দালাল সম্প্ৰতি পলাতক হৈ আছে বুলি আৰক্ষীয়ে সদৰী কৰিছে। মাটিৰ দালালৰ বিৰুদ্ধে চলোৱা অভিযানক তাই আহোম যুৱ পৰিষদৰ মৰাণ মহকুমা সমিতিয়ে আদৰণি জনোৱাৰ লগতে চক্ৰটোৰ স'তে জড়িত মণ্ডল তথা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীকো গ্ৰেপ্তাৰৰ দাবী জনাইছে।

## দেৰগাঁৱত ছজনক গ্ৰেপ্তাৰ ঃ ৰৌ-বৰালি জালত পৰাৰ সম্ভাৱনা

**দেৰগাঁও ঃ** দেৰগাঁও আৰক্ষীয়ে যোৱা নিশাৰ পৰা মাটিৰ দালালৰ বিৰুদ্ধে চলোৱা অভিযানত দেৰগাঁৱৰ ছজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন শম্ভু ৰবিদাস, বিজিত ফুকন, নৰেন ৰবিদাস, অজিত দত্ত, আচুৰ্য (নানু) হাজৰিকা আৰু প্ৰভাৰত বৰা বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীৰ অভিযানত অঞ্চলটোত মাটিৰ দালালিত জড়িত থকা বহু ৰৌ-বৰালি জালত পৰাৰো সম্ভাৱনাৰ সৃষ্টি হৈছে। মাটিৰ দালালৰ বিৰুদ্ধে চৰকাৰে চলোৱা এই অভিযানৰ শলাগ লৈছে আটছা, ছাত্ৰমুক্তি সংগ্ৰাম সমিতিকে ধৰি বিভিন্ন সংগঠনৰ বিষয়ববীয়াই।

## বৰপেটাত ৪৩ জন মাটিৰ দালাল গ্ৰেপ্তাৰ

**বৰপেটাৰ বিশেষ সংবাদদাতা ঃ** বৰপেটা জিলাত যোৱা নিশা মাটিৰ দালালৰ বিৰুদ্ধে অভিযান চলাই আৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানৰ পৰা ৪৩ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰে। বৰপেটা সদৰ আৰক্ষীয়ে বৰপেটা চহৰত অভিযান চলাই আমবাৰীহাটীৰ লাবেন দাস, বিলৰতাৰীহাটীৰ বসন্ত দাস, নৃপেন দাস, ধ্ৰুৱ দাস, জিতেন দাস, গান্ধীনগৰৰ গোবিন্দ দাস, ইচ্ছাকুৰহাটীৰ ৰমেন দাসক গ্ৰেপ্তাৰ কৰে। সেইদৰে বৰপেটাৰোড আৰক্ষীয়ে বৰপেটাৰোডৰ এক নম্বৰ ৱাৰ্ডৰ নুৰুল ইছলাম, কলহভাংগাৰ ৰামানন্দ দাস, কৃষ্ণ দাস, ডুমনীৰ ৰহম আলী, মণিপুৰৰ ইন্নছ আলী আৰু খৈৰাবাৰীৰ তায়েব আলীক গ্ৰেপ্তাৰ কৰে। হাউলী আৰক্ষীয়ে চাৰিজন দালালক গ্ৰেপ্তাৰ কৰে। হাউলীৰ ধৃত দালালকেইজন হৈছে আব্দুছ ছাত্তাৰ, নজৰুল ইছলাম, অজয় কুমাৰ দাস আৰু ইনছান আলী। আনহাতে, বাঘবৰ আৰক্ষীয়ে ফালু মিঞা, বাবুল আলী, হাছমত আলী, ছামেজ উদ্দিন, আৱাল খান, ইউনুছ আলী, সৰ্থেবাৰী আৰক্ষীয়ে শৈলেন তালুকদাৰ, সঞ্জয় নাথ, বনমালী ডেকা, লংকেশ্বৰ ডেকা, দীপক ডেকা, তাৰাবাৰী আৰক্ষীয়ে ৰবিউল হুছেইন, চন্দন কৰ্মকাৰ, সৰভোগ আৰক্ষীয়ে ৰবেন দাস, কনক নাথ, অৰুণ পাটোৱাৰী, তিলক নাথ, গোপাল নাথ, পুলক দাস আৰু সুবল নাথক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে ধৃত লোকসকলৰ একাংশই কিছুদিনৰ আগলৈকে জীৱন নিৰ্বাহৰ বাবে কঠোৰ সংগ্ৰাম কৰিছিল যদিও সম্প্ৰতি তেওঁলোকে অট্টালিকা সাজি শীত-তাপ নিয়ন্ত্ৰিত কোঠাত থকাৰ লগতে বিলাসী গাড়ীৰে ৰাজকীয় জীৱন যাপন কৰিছিল বুলি স্থানীয় লোকে সদৰী কৰিছে। ইতিমধ্যে ধৃত লোককেইজনৰ বিৰুদ্ধে বৰপেটাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে বৰপেটা সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। এয়া আৰম্ভণিহে বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি উপায়ুক্তজনে কয় যে কোনো বিষয়া-কৰ্মচাৰী মাটিৰ দালালিত জড়িত থাকিলে তেওঁলোককো তদন্তৰ আওতালৈ অনা হ'ব।

## নগাঁৱত চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী-গাঁওবুঢ়াসহ ২২ জনক গ্ৰেপ্তাৰ

**নগাঁৱৰ বিশেষ সংবদাদাতা/চামগুৰি/জুৰীয়া/ধিঙৰ অগ্ৰদূত বাৰ্তা ঃ** নগাঁও আৰক্ষীয়ে মাটি কিনা-বেচাৰ ক্ষেত্ৰত দালালিত জড়িত হোৱা জিলাখনৰ ১২জন লোকক গ্ৰেপ্তাৰ কৰিছে। এইসকলৰ ভিতৰত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী আৰু চৰকাৰী গাঁওবুঢ়াও আছে। জিলাখনৰ মুঠ সাতটা ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলৰ পৰা এইসকল লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত লোকসকল হৈছে নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত নগাঁও চহৰৰ চান্দমাৰীৰ অঞ্জয় সাহা, কাৰৈমাৰীৰ বিষ্ণুপ্ৰসাদ বৰা, ডিফলুৰ প্ৰাঞ্জল বৰা, মোল্লাপট্টিৰ ৰমজানুল মোবাৰক, ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত ৰূপহীৰ ধনঞ্জয় ঘোষ, পোতাকলঙৰ ইশ্ৰাহিল আলী, খাতোৱাল আৰক্ষী থানাৰ অন্তৰ্গত গেৰুৱা গাঁৱৰ আব্দুল মালেক, কামৰূপ আৰক্ষী থানাৰ অন্তৰ্গত ৰংবং গণেশ নগৰৰ চন্দ্ৰকান্ত বৰা, নিজ কঠিয়াতলিৰ নিতু বৰা, কলিয়াবৰৰ উলুৱনি আৰক্ষী থানাৰ অন্তৰ্গত বৰঘূলিৰ নুৰ মহম্মদ, ইউছুফ আলী, মোজাহাৰ লতিফ, ৰহা আৰক্ষী থানাৰ অন্তৰ্গত দীঘলীআটিৰ পাৰ্থপ্ৰতীম, ভাটিগাঁৱৰ মিৰি দাস, মেটেকাৰ শৰৎ দাস, জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত তেলীয়া বেবেজীয়াৰ ৰাণা বৰা, দলনি জুৰীয়াৰ জিয়াৰুদ্দিন, থিয়টাঙনীৰ ৰঞ্জিত ভূঞা, তিনিচুকীয়াৰ মহম্মদ হাজুল হক, ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত পুঠিখাইতিৰ আবুল কালাম, ধিং আৰক্ষী থানাৰ অন্তৰ্গত তুলিবৰপাৰৰ সুভাষ দাস আৰু ধিং চাৰিআলিৰ দৰ্পনজ্যোতি বৰা। ইয়াৰে ৰাণা বৰা ৰূপহীহাট ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী তথা ৰঞ্জিত ভূঞা আৰু নজৰুল ইছলাম চৰকাৰী গাঁওবুঢ়া। আজি বিয়লি ধৃত লোকসকলক আৰক্ষীয়ে আদালতত হাজিৰ কৰায়।

## মৰিগাঁৱত ২৭ জনক গ্ৰেপ্তাৰ ঃ আৰক্ষীক সহযোগ কৰিবলৈ জনসাধাৰণক আহ্বান

**মৰিগাঁও/ভূৰাগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** আজি পুৱতি নিশাৰ পৰা অভিযান চলাই মৰিগাঁও আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা মাটিৰ দালালিত জড়িত থকাৰ অভিযোগত ২৭ জন লোকক গ্ৰেপ্তাৰ কৰে। জিলাখনৰ পাঁচটা ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত আৰক্ষীয়ে এই অভিযান চলায়। এই অভিযানকালত আৰক্ষীয়ে মৰিগাঁৱৰ পাঁচজন, মায়াঙৰ তিনিজন, লাহৰীঘাটৰ ছজন, মিকিৰভেটাৰ চাৰিজন আৰু ভূৰাগাঁৱৰ নজন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। এইসকল হৈছে পছতীয়াৰ প্ৰমোদ বৰা (দালী), ভোলাৰাম ডেকা, শিঙিমাৰীৰ নীল বৰা, নাওকটাৰ হীৰেন কলিতা, কাঁহিবাৰীৰ পৰাগ শৰ্মা, বটালীমাৰীৰ আবুল কাছেম চৌধুৰী, ছুইৰ আলী, কুতুবুদ্দিন আহমেদ, বৰডোবাটুপৰ জালালউদ্দিন, বালিডোঙাপামৰ গিয়াছউদ্দিন, দুই নম্বৰ জৰীবৰৰ ছেকেণ্ডৰ আলী, বানমুৰী বিলৰ হলিৰাম বণিয়া, ধোবাংখাইটিৰ আজাহাৰুল ইছলাম, গণকগাঁৱৰ দীপ শৰ্মা, জাগীভকত গাঁৱৰ জিতুমণি শৰ্মা, কুমুদ বৰা, খালপীড়াৰ হাছেন আলী, মিকিৰভেটাৰ আগবৰ আলী, আব্দুল হুছেইন, মধ্য কালিকাজাৰীৰ মুছলেমউদ্দিন, লাহৰীঘাটৰ বিভিন্ন অঞ্চলৰ হাৰুণ উল ৰছিদ, জিন্নাতুল ফিৰদৌছ, আব্দুল ছালাম, ভক্ত ডেকা, আইনুল হক, মৈৰাবাৰীৰ মফিদুল ইছলাম আৰু আব্দুল মোতালিব। এই লোকসকলক গ্ৰেপ্তাৰ কৰাৰ কথা জানিবলৈ দি ভূ-মাফিয়াৰ বিৰুদ্ধে চলোৱা অভিযানত আৰক্ষীক সহায় কৰিবলৈ জিলাবাসীৰ প্ৰতি আহ্বান জনায় মৰিগাঁৱৰ আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজনে।

## হাজোত গ্ৰেপ্তাৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ বিজেপি নেতা ঃ ধৃত ন

**হাজোৰ অগ্ৰদূত বাৰ্তা ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰে ঘনিষ্ঠ বুলি দাবী কৰা হাজোৰ এজন বিজেপি নেতাক আজি মাটিৰ দালালিৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত বিজেপি নেতাজন হৈছে হাজোৰ ডাক বিভাগৰ কৰ্মচাৰী জিয়াউল হক। ধৃত বিজেপি নেতাজনে অঞ্চলটোত মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে বিজেপিৰ অন্যান্য শীৰ্ষনেতাৰ স'তে ঘনিষ্ঠ বুলি জাহিৰ কৰি আহিছিল। আনকি তেওঁ মুখ্যমন্ত্ৰী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰীৰ স'তে ফটো তুলি সামাজিক মাধ্যমতো প্ৰচাৰ চলাইছিল। তেওঁৰ বিৰুদ্ধে হাজো ৰামদিয়াৰ কাৰৈমাৰী পথাৰৰ লগতে অবৈধভাৱে মাটি বেদখল কৰি বৃহৎ অট্টালিকা সজা আৰু জালিয়াতিৰে দুই শতাধিক বিঘা ভূমি ক্ৰয়ৰ অভিযোগ উত্থাপিত হৈছে। হাজো আৰক্ষীয়ে আজি হকৰ উপৰি আন আঠজন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হৈছে ৰাজাবজাৰ শইকীয়াপাৰাৰ বিজেপি নেতা মনছুৰ আলী, পতনিৰ শংকৰ দাস, পানীপাৰাৰ দিলীপ দাস, দেৱজিৎ দাস, নাছিৰ শইকীয়া, তৰণী দাস, অভয়পুৰ বৰদধিৰ নিৰঞ্জন পাটোৱাৰী আৰু শোপনিকুছিৰ আইনুল হক। আজি বিয়লি তেওঁলোকক আদালতত হাজিৰ কৰায়।

## শোণিতপুৰত মহিলাসহ ১২ জনক গ্ৰেপ্তাৰ

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাতো মাটিৰ দালাল চক্ৰৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। যোৱা নিশাৰ পৰা চলোৱা এই অভিযানত আৰক্ষীয়ে এগৰাকী মহিলাসহ ১২ জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোকসকল হৈছে তেজপুৰৰ চলাগাঁৱৰ গুণকান্ত পটংগীয়া, ডেকাৰগাঁও পথাৰ চুবুৰীৰ হেমেন বৰা, গৰৈমাৰী আহোম গাঁৱৰ শিৱানন্দন গগৈ, বৰুৱাচুবুৰীৰ কুমাৰগাঁৱৰ দীপেন ফুকন, গটঙাৰ অপু বৰুৱা, বালিপুখুৰী তিনিআলিৰ ৰাজবাবু পটংগীয়া, বৰঝাৰগাঁও শইকীয়া চুবুৰীৰ মনোজ বৰ্মন, মুঢ়াতেতেলিৰ অচ্যুৎ ৰাজবংশী, বাম পৰ্বতীয়াৰ ভূপেন নাথ, পুঠিমাৰী বাপুভেটি গাঁৱৰ গংগা ছেত্ৰী, চিৰাজুলিৰ বিমোৰাম পটংগীয়া আৰু তেজপুৰ কলিবাৰীৰ ব্যৱসায়ী মহিলা কুঁৱলী মহাজন। মাটিৰ দালালিত কোনো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰী জড়িত থাকিলে তেওঁলোকৰ বিৰুদ্ধেও পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি শোণিতপুৰৰ আৰক্ষী অধীক্ষক ধনঞ্জয় ঘনাৱতে মন্তব্য কৰে। অৱশ্যে বহু ৰৌ-বৰালী জালত পৰিবলৈ বাকী আছে বুলি স্থানীয় লোকে মন্তব্য কৰিছে।

## নগৰবেৰাত পাঁচজনক গ্ৰেপ্তাৰ

**বকোৰ অগ্ৰদূত বাৰ্তা ঃ** কামৰূপ জিলাৰ নগৰবেৰা ৰাজহ চক্ৰৰ অন্তৰ্গত নগৰবেৰা আৰক্ষী কল্যাণপুৰৰ পৰা আৰক্ষীয়ে যোৱা নিশা পাঁচজন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। বকো আৰু নগৰবেৰা আৰক্ষীৰ যৌথ অভিযানত গ্ৰেপ্তাৰ হোৱা দালালকেইজন হৈছে নগৰবেৰাৰ আবুল কালাম আজাদ, কল্যাণপুৰৰ আজাদ আলী, ইমতাজ আলী, আব্দুল কাদেৰ আৰু বকোৰ মমিন আহমেদ।

## দৰঙত গাঁওবুঢ়া-ইটাভাটাৰ মালিকসহ ১১ জনক গ্ৰেপ্তাৰ

**মঙলদৈৰ অগ্ৰদূত বাৰ্তা ঃ** দৰং জিলাত আৰক্ষীয়ে ১১ জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰ ভিতৰত আছে চৰকাৰী গাঁওবুঢ়া তথা মাজগাঁও নিবাসী জাকিৰ হুছেইন আৰু জনাৰামচৌকাৰ ইটাভাটাৰ মালিক মজিবৰ ৰহমান। ধৃত আনকেইজন লোক হৈছে মাজগাঁৱৰ আহমেদ আলী, ছহিদুল ইছলাম, চোকোৱাবস্তিৰ আক্কাছ আলী, মুছলিমঘোপাৰ মতিউৰ ৰহমান, মাৰোৱাচকীৰ আব্দুছ ছামাদ, মঙলদৈৰ তাইজুদ্দিন আহমেদ, আক্কাছ আলী, নজৰুল হক হাজৰিকা আৰু ছৰিফুল হক।

## গোসাঁইগাঁৱত ১১ জন দালালক গ্ৰেপ্তাৰ

**গোসাঁইগাঁও/শ্ৰীৰামপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** গোসাঁইগাঁও মহকুমাত আজি ১১ জন মাটিৰ দালালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। গোসাঁইগাঁও আৰু ভাওৰাগুৰি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মাটিৰ দালালি সন্দৰ্ভত ইতিমধ্যে 'দৈনিক অগ্ৰদূত'ত বাতৰি প্ৰকাশ পাইছিল। আজি গ্ৰেপ্তাৰ হোৱা লোকসকলে কাৰ্যালয় দুটাত মহৰীৰূপে কাম কৰিছিল। ধৃত লোকসকল হৈছে অৰ্জুন কুমাৰ গোৱালা, চামছুল হক, গৌতম তালুকদাৰ, আশ্ৰাফুল ভূঞা, চক্ৰ বসুমতাৰী, চাহাবৰ আলী, মকবুল হুছেইন, মহম্মদ কুমেলুদ্দিন মণ্ডল, মংলা শ্বেইখ, নুৰ আলম আহমেদ আৰু আব্দুৰ ৰহিম শ্বেখ।

## চিৰাঙত আঠজন দালালক গ্ৰেপ্তাৰ

**কাজলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাত লাটমণ্ডল-কাননগোসহ দালালিত জড়িত আঠজন লোকক যোৱা নিশা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বিজনী, বাসুগাঁও, ঢালিগাঁও, ছিদলীত অভিযান চলাই আৰক্ষীয়ে দালালিত জড়িত বিজনীৰ ৰমানাথ বৰ্মন, ফখৰউদ্দিন মুছল্লি, ঢালিগাঁৱৰ চাহজামাল আলী, বিগ্ৰাই মুছাহাৰী, বিজয় দেৱনাথ, ৰমেন কুমাৰ পণ্ডিত, নবীন দাস আৰু ছবেন বৰুৱা। ইয়াৰে ৰমানাথ, চাহজামাল আৰু বিগ্ৰাই লাটমণ্ডল তথা বিজয় আৰু ৰমেন কাননগো।

## মুছলপুৰত ১১ জনক আটক

**মুছলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** মুছলপুৰৰ বাস্কা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ আঠজন তৰণীক আজি আৰক্ষীয়ে সোধপোছৰ বাবে আটক কৰে। এইসকল লোক মাটিৰ দালালিত জড়িত নহয় বুলি মন্তব্য কৰি মুছলপুৰ আৰক্ষীয়ে কয় যে তেওঁলোকক সোধপোছৰ বাবেহে আটক কৰা হৈছে। এই আটকাধীন লোককেইজন হৈছে মংগল বড়ো, প্ৰফুল্ল হালৈ, সঞ্জীৱ বড়ো, তৰণী ৰয়, ধনেশ্বৰ ডেকা, হৰেন দাস, শিৰেন তালুকদাৰ আৰু ভূপেন বণিয়া। আনহাতে, বৰমা আৰক্ষীয়ে আজি বৰমা ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ পৰা ৰজত বড়ো, বীৰেন তালুকদাৰ আৰু ইছমাইল আলীক আটক কৰে। অৱশ্যে এইসকলৰ বিৰুদ্ধে আৰক্ষীয়ে এই পৰ্যন্ত কোনো গোচৰ পঞ্জীয়ন কৰা নাই।

## ৰঙিয়াত বিজেপি নেতাসহ আঠজনক গ্ৰেপ্তাৰ

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ৰঙিয়া আৰক্ষীয়ে মাটিৰ দালালিত জড়িত থকাৰ অভিযোগত কমলপুৰ আৰু ৰঙিয়া অঞ্চলৰ পৰা আঠজন লোকক গ্ৰেপ্তাৰ কৰে। এইসকলৰ ভিতৰত বিজেপিৰ কমলপুৰ ব্লকৰ উপ-সভাপতি ৰমেশ শইকীয়াও আছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা আনকেইজন লোক হৈছে পুঠিমাৰী আঠাৰাৰ ব্যৱসায়ী ৰিজু আহমেদ, কমলপুৰৰ দেৱাজ শইকীয়া, মইনুল হক, ৰঙিয়া উদীয়ানাৰ য়াছিন আলী, হবিব আলী, আবেদুৰ ৰহমান আৰু গুৰকুছিৰ তপন কলিতা। ইয়াৰ উপৰি আৰক্ষীয়ে কে'বাজনো তৰণীক আটক কৰি জেৰা অব্যাহত ৰাখিছে। গ্ৰেপ্তাৰ কৰাকেইজনক আজি বিয়লি আদালতত হাজিৰ কৰা হয়।

## হৰিশিঙাৰ তৰণীক গ্ৰেপ্তাৰ

**টংলাৰ অগ্ৰদূত বাৰ্তা ঃ** মাটিৰ দালালিত জড়িত থকাৰ অভিযোগত টংলা আৰক্ষীয়ে যোৱা নিশা হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত তৰণীৰূপে কৰ্মৰত তিলক চন্দ্ৰ ডেকাক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত আৰক্ষীয়ে ১৪৯/২১ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি টংলা আৰক্ষী থানাৰ অন্তৰ্গত খৈৰাপাৰা গাঁৱৰ নিবাসী ডেকাক জেৰা অব্যাহত ৰাখিছে।

## বিলাসীপাৰাত নজন অভিযুক্তক গ্ৰেপ্তাৰ

**বিলাসীপাৰাৰ বিশেষ সংবাদদাতা ঃ** বিলাসীপাৰা মহকুমাত পঞ্চায়তৰ সভাপতি, লাটমণ্ডলসহ নজন লোকক মাটিৰ দালালিৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। বিলাসীপাৰা আৰু চাপৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোককেইজন হৈছে হাকামা গাঁও পঞ্চায়তৰ সভাপতি চুলতান আলী আহমেদ, চাপৰৰ লাটমণ্ডল নলিনী ৰঞ্জন নাথ, লাটমণ্ডল আব্দুল ছাজিদ খান তথা ফাৰুখ আহমেদ, জুলহাছ খান, জমছেৰ আলী, শ্বাহ আলম হক, আব্দুল বাতেন আৰু অনিমেষ কান্তি সৰকাৰ। আটকাধীন দালালকেইজনক ধুবুৰী সদৰ থানালৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে তেনে ভূ-মাফিয়া একাংশ এতিয়াও মুক্ত আকাশৰ তলত ঘূৰি ফুৰি আছে বুলি গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে অভিযোগ তুলিছে। পূব বিলাসীপাৰাৰ বিধায়ক ছামছুল হুদাৰ অতি ঘনিষ্ঠ ভূ-মাফিয়া আব্দুল জব্বাৰক আটক কৰিবলৈ আৰক্ষীক দাবী জনাইছে।

## পাটাছাৰকুছিত ১৭ জনক গ্ৰেপ্তাৰ

**পাটাছাৰকুছি ঃ** বজালী জিলাৰ পাটাছাৰকুছি অঞ্চলত যোৱা নিশা ১৭ জন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজন হৈছে নুৰুল ইছলাম, মণ্টু চৌধুৰী, দ্বিজেন পাটগিৰি, বুদুল তালুকদাৰ, চম্পক শৰ্মা, মুনীন দাস, মহেশ্বৰ তালুকদাৰ, মদন খাতনিয়াৰ, নৰেন্দ্ৰ নাথ গোস্বামী, অমূল্য তালুকদাৰ, কামেশ্বৰ তালুকদাৰ, মুকুল চন্দ্ৰ শৰ্মা, ভবেশ কলিতা, সুৰেশ চৌধুৰী, হবিবুৰ ৰহমান তালুকদাৰ, জেহেৰুল ইছলাম আৰু অপূৰ্ব চৌধুৰী। তেওঁলোকক কাইলৈ আদালতত হাজিৰ কৰোৱা হ'ব বুলি আৰক্ষীয়ে জনাইছে।

## শুৱালকুছিত দুজন লোকক গ্ৰেপ্তাৰ

**শুৱালকুছিৰ অগ্ৰদূত বাৰ্তা ঃ** মাটিৰ দালালিত জড়িত থকাৰ অভিযোগত শুৱালকুছি আৰক্ষীয়ে যোৱা নিশা দুজন লোকক গ্ৰেপ্তাৰ কৰে। নিশা প্ৰায় ১১ বজাত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা লোক দুজন হৈছে শুৱালকুছি অঞ্চলৰ চৰকাৰী গাঁওবুঢ়া দীপক ডেকা আৰু বিনোদ মেধি।

## মুকালমুৱাত সাতজনক গ্ৰেপ্তাৰ

**মুকালমুৱা ঃ** মুকালমুৱা আৰক্ষীয়ে যোৱা নিশা সাতজন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি আৰক্ষীয়ে জেৰা অব্যাহত ৰখা এই অভিযুক্তকেইজন হৈছে মুকালমুৱাৰ নাৰায়ণপুৰ গাঁৱৰ হেমনুৰ আলী, মোবাৰক হুছেইন, হাউলীঘাট গাঁৱৰ তাজনুৰ আলী আহমেদ, ঘোঁৰাথাল গাঁৱৰ মাধৱ নাথ, আম্ৰাট্টাৰী গাঁৱৰ ফাৰুখ হুছেইন, ঘৰুৱাবাহা গাঁৱৰ জয়নাল আবেদিন আৰু বেলশৰ গাঁৱৰ পংকজ নাথ।

## ছয়গাঁৱত ২০ জন লোকক গ্ৰেপ্তাৰ

**ছয়গাঁও ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও অঞ্চলৰ পৰা যোৱা নিশা আৰক্ষীয়ে ২০ জন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। ছয়গাঁও, গৰৈমাৰী, ছমৰীয়া, সোণতলী আদি অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা এই লোককেইজন হৈছে ছয়গাঁৱৰ বিমল কলিতা, নমাটিৰ ঘনশ্যাম দাস, কুকুৰমাৰাৰ বিনোদ দাস (লাও), ভূঞাপাৰাৰ ৰাতুল শৰ্মা, সোণ কলিতা, নোৱাপাৰাৰ হৃদয় দাস, প্ৰণৱ দাস, মঠপাৰাৰ জিতেন কলিতা, নতুন কটহিৰ দ্বিজেন কলিতা, মাকেলীৰ বাবুল কলিতা, আলেগঝাৰিৰ শুক্লেশ্বৰ দাস (ধন), গৰৈমাৰী লাৰুৱাজানৰ চোহৰাম আলী, আব্দুৰ ৰেজ্জাক, ঘোঁৰামাৰা পথাৰৰ জাকিৰ হুছেইন, আগগুমিৰ ছফিকুল ইছলাম, নুৰ মহম্মদ, মাজগুমিৰ কলিমুদ্দিন আলী, হাতীপাৰাৰ জালালউদ্দিন, হাতীশোলা পামৰ চামছুল আলম আৰু বিহাপাৰাৰ ছিদ্দিক আলী।

## দক্ষিণ শালমাৰা-মানকাচৰত শিক্ষকসহ পাঁচজনক গ্ৰেপ্তাৰ

**মানকাচৰ ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাতো আৰক্ষীয়ে মাটিৰ দালালৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। আজি মানকাচৰৰ হাটশিঙিমাৰীত অভিযান চলাই আৰক্ষীয়ে পাঁচজন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰে। ধৃত লোকসকলৰ মাজত শিক্ষকো আছে। ধৃত লোকসকল হৈছে হাটশিঙিমাৰীৰ অৱসৰপ্ৰাপ্ত শিক্ষক ইমদাদুল ইছলাম মণ্ডল ওৰফে মণি, হাটশিঙিমাৰী ইছলামপুৰ টাউন এম ই স্কুলৰ প্ৰধান শিক্ষক আখেৰ আমিন ওৰফে বুকুল, কানাইমাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি মোনোৱাৰ হুছেইন ওৰফে ভুণ্ডু, ফেকামাৰি গাঁৱৰ ইছতিয়াক আহমেদ (লাকি) আৰু কানাইমাৰা গাঁৱৰ শ্বাহ জামাল।

# অসম মুক্তিযুঁজাৰু সন্মিলনীৰ তামুলপুৰ জিলা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২১ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ গড়কাপ্টানী বিভাগৰ পৰিদৰ্শন বঙলা প্ৰাংগণত যোৱা ১৯ ছেপ্টেম্বৰত আয়োজিত এখন সভাত তামুলপুৰ মুক্তিযুঁজাৰু সন্মিলনৰ নতুন সমিতি গঠন কৰা হয়। অসম মুক্তিযুঁজাৰু সন্মিলনীৰ সভাপতি কৃষ্ণকান্ত লহকৰৰ সভাপতিত্বত সভা অনুষ্ঠিত হয়। সভাত স্বাধীনতা আন্দোলনৰ স'তে জড়িত মুক্তিযুঁজাৰুসকলৰ লগতে মুক্তিযুঁজাৰু পৰিয়ালৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰা হয়। উল্লেখ্য যে পূৰ্বে গোৰেশ্বৰ অঞ্চলটো ৰঙিয়াৰ অন্তৰ্গত আছিল যদিও তামুলপুৰ জিলা ঘোষণা হোৱাৰ পৰিপ্ৰেক্ষিতত তামুলপুৰ জিলা সমিতিখন গঠন কৰা হয়। সভাত অসম যুক্তিযুঁজাৰু সন্মিলনীৰ সম্পাদক দ্বীজেন শৰ্মাকে ধৰি কেন্দ্ৰীয় সমিতিৰ কে'বাজনো বিষয়ববীয়া উপস্থিত থাকে। গোৰেশ্বৰ অঞ্চলৰ মুক্তিযুঁজাৰু পৰিয়ালৰ সদস্যসকলো সভাত উপস্থিত থাকে। সভাত মহেশ্বৰ ভাগৱতীক সভাপতি, সুৰেন ডেকাক কাৰ্যকৰী সভাপতি, ধৰণী ডেকা আৰু হেমেন ভাগৱতীক উপ-সভাপতি লগতে ভাগ্য ডেকাক সম্পাদক হিচাপে নিৰ্বাচিত কৰি মুঠ ২১ জনীয়া সমিতি গঠন কৰা হয়।

# নলবাৰীত খিলঞ্জীয়া মুছলমানৰ সমস্যা সন্দৰ্ভত সভা

## মহিলা সৱলীকৰণৰ আলোচনা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ ছেপ্টেম্বৰ ঃ** খিলঞ্জীয়া মুছলমানসকলৰ আৰ্থিক সামাজিক উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীৰ আহ্বান মৰ্মে যোৱা চাৰি জুলাইত অসমৰ খিলঞ্জীয়া মুছলমানসকলৰ স'তে আলোচনাত মিলিত হৈছিল। সেই আলোচনাৰ অন্তত খিলঞ্জীয়া মুছলমানসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে সাতখন উপ-সমিতি গঠন কৰি তিনি মাহৰ ভিতৰত তেওঁলোকক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ দিছিল। সেই সাত সমিতিৰ ভিতৰৰে মহিলা সৱলীকৰণ সমিতিখনৰ এটা প্ৰতিনিধি দলে কালি নলবাৰীত উপস্থিত হৈ জিলাখনৰ খিলঞ্জীয়া মুছলমানৰ বিভিন্ন সমস্যা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। মহিলা সৱলীকৰণ সমিতিৰ অধ্যক্ষ ড° নাজবানা আহমেদ, সদস্যা ডাঃ জিছান আহমেদ আৰু সদস্য সচিব ফৰিদা চামচুল আদি উপস্থিত হৈ জিলাখনৰ বিশেষকৈ মহিলা সৱলীকৰণ সন্দৰ্ভত আলোচনা কৰে। যুৱ সমাজকৰ্মী তথা সদৌ অসম পৌৰ নিকায় কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক গিয়াছ আলীয়ে সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰাৰ লগতে বিষয় সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। আলোচনা কালত নলবাৰীৰ উপায়ুক্ত গীতিমণি ফুকন, অতিৰিক্ত উপায়ুক্ত ফিৰদোছ আলম, অতিৰিক্ত উপায়ুক্ত চয়ানিকা ঠাকুৰীয়া, অংশুলিশা দত্ত পাঠক আদি উপস্থিত থাকে।

# যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত নৱ ভাৰত মেলা

বিশেষ সংবাদদাতা

**নগাঁও, ২১ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ছহিদ ভৱনত দুদিনীয়া কাৰ্যসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭১ সংখ্যক জন্মদিৱস আৰু সফল প্ৰশাসনৰ দুই দশক সম্পূৰ্ণ হোৱাৰ উপলক্ষে বিজেপিৰ যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত আয়োজিত 'সেৱা আৰু সমৰ্পণ' অভিযানৰ লগত সংগতি ৰাখি যোৱা ১৯ ছেপ্টেম্বৰত 'নৱ ভাৰত মেলা'ৰ আৰম্ভ কৰা হয়। 'নৱ ভাৰত মেলা'ৰ অন্যতম কাৰ্যসূচী হিচাপে থলুৱা শিল্প আৰু শিল্পজাত সামগ্ৰীৰ এখন আকৰ্ষণীয় প্ৰদৰ্শনী অনুষ্ঠিত হয়। ২০খনৰো অধিক বিপণীত স্থানীয় উদ্যোগী আৰু শিল্পীসকলে অংশগ্ৰহণ কৰে। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰি নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিত নাথে নৱ ভাৰতৰ সূৰুয স্বৰূপ উদ্যোগী শিল্পীসকলে থলুৱা সামগ্ৰীৰ উৎপাদন আৰু বিতৰণৰ দ্বাৰা ভাৰতবৰ্ষক বিশ্ববাসীৰ মাজত এখন স্বনিৰ্ভৰশীল ৰাষ্ট্ৰ হিচাপে আলোকিত কৰিব বুলি মন্তব্য আগবঢ়ায়। বিয়লি এক সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পীসকলৰ নাট্য আৰু গীত-মাতে আমাৰ ৰাজ্যখনৰ লগতে ভাৰত মাতাৰ ঐতিহ্য আৰু সংস্কৃতিক প্ৰতিফলিত কৰি এক মননশীল অনুষ্ঠান পৰিবেশন কৰাৰ বাবে উপস্থিত সকলোৰে শলাগ লয়। যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় উপ-সভানেত্ৰী তথা সেৱা আৰু সমৰ্পণ অভিযানৰ অসম প্ৰদেশৰ প্ৰভাৰী নেহা যোশীৰ উপস্থিতিয়ে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধিৰ লগতে নগাঁও জিলা যুৱ-মৰ্চাৰ পৰিয়ালৰ সকলোকে উৎসাহিত কৰে।

# পাটাছাৰকুছিত শাৰদীয় দুৰ্গা পূজাৰ আয়োজন

**পাটাছাৰকুছি, ২১ ছেপ্টেম্বৰ ঃ** নৱগঠিত বজালী জিলাৰ পাটাছাৰকুছিতো অইন বাৰৰ দৰে এইবেলি শতবৰ্ষ গৰকা পাটাছাৰকুছি আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা পাঁচদিনীয়া কাৰ্যসূচীৰে অহা ১১ৰ পৰা ১৫ অক্টোবৰলৈ স্থানীয় পাটাছাৰকুছিৰ ঐতিহ্যমণ্ডিত শিৱ-দুৰ্গা প্ৰাংগণত ক'ভিড প্ৰট'কল মানি আয়োজন কৰা হৈছে। এই উপলক্ষে অলপতে হিৰেন শৰ্মাৰ সভাপতিত্বত বহা এখন সভাত বিগত বৰ্ষৰ দুৰ্গা পূজাৰ হিচাপ দাখিল কৰাৰ লগতে আগন্তুক বৰ্ষৰ বাবে হিৰেন শৰ্মাক সভাপতি আৰু কুশল ডেকাক সম্পাদক হিচাপে লৈ পাটাছাৰকুছি আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা পৰিচালনা সমিতিখন গঠন কৰা হয়। ইফালে, উক্ত দুৰ্গোৎসৱত ৰাজ্য চৰকাৰে বান্ধি দিয়া কেতবোৰ জৰুৰী সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ মাজেদি পালনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে মাংগলিক অনুষ্ঠানহে এইবাৰ পূজাত চলিব, মেলা বা সাংস্কৃতিক অনুষ্ঠানৰ পয়োভৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।

# গোৰেশ্বৰত দুই কন্যা সন্তানৰ মাতৃ নিৰুদ্দেশ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২১ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত বটীয়ামাৰী নিবাসী কৃষ্ণ ডেকাৰ পত্নী প্ৰণিতা ডেকা (৩৫) কালিৰে পৰা নিৰুদ্দেশ হৈ আছে। গোৰেশ্বৰৰ বটীয়ামাৰীত ভাড়াতীয়া হিচাপে থকা ডেকাই জনোৱা মতে কালি ম'বাইল চাৰ্জাৰ কিনিম বুলি কৈ বজাৰলৈ ওলাই যোৱা পত্নী প্ৰণিতা ডেকা আজিলৈ ঘৰলৈ উভতি অহা নাই। বাগ্‌সা জিলাৰ বৰবৰী থানা অন্তৰ্গত খাগ্ৰাবাৰীৰ ডেকা কৰ্মসূত্ৰে গোৰেশ্বৰ বটীয়ামাৰী ভাড়াতীয়া হিচাপে থাকে। তেওঁ গোৰেশ্বৰৰ হাজলপাৰা গাঁৱৰ প্ৰণিতাৰ স'তে বিবাহ পাশৰ আৱদ্ধ হোৱাৰ পাছৰে পৰা দুই কন্যা সন্তানসহ পৰিয়ালটো বটীয়ামাৰীত ঘৰভাড়া কৰি আছে। বজাৰলৈ যোৱাৰ পাছতে স্বামীয়ে পত্নীৰ ম'বাইলত এবাৰ ফোন কৰাত গৈ আছো বুলি কয় যদিও কিন্তু এতিয়ালৈ ঘৰলৈ উভতি অহা নাই। বহু বিচাৰ-খোলাৰ কৰিও কোনো সম্ভেদ পোৱা নাই মহিলাগৰাকীৰ। কোনো সদাশয় লোকে মহিলাগৰাকীৰ কোনো সন্ধান পালে ওচৰৰ থানা বা ফোন নম্বৰ ৯৫৭৭৪৮১৭০৪ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে। ইপিনে, মহিলাগৰাকীয়ে লগত নিয়া ৮০৯৯৪৯৯৩০৮ নম্বৰৰ ফোন স্বৰটোও চুইচ অফ দেখুৱাই আছে।

# শিক্ষকৰ অভাৱত বিপাঙত বিদ্যালয় কৰ্তৃপক্ষ

## ■ নগাঁৱৰ সাতখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ

বিশেষ সংবাদদাতা

**নগাঁও, ২১ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে নগাঁও জিলাৰ সাতখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে। সেই শিক্ষানুষ্ঠান কেইখন হৈছে জিলাখনৰ বামুণীজান উচ্চ মাধ্যমিক বিদ্যালয়, ভেলগুৰি আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়, ধনীয়াভেটি উচ্চ মাধ্যমিক বিদ্যালয়, কুঁৱৰীটোল উচ্চ মাধ্যমিক বিদ্যালয়। মধ্য কলিয়াবৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, তাৰাবাৰী উচ্চ মাধ্যমিক বিদ্যালয় আৰু উদমাৰী উচ্চ মাধ্যমিক বিদ্যালয়। অসম চৰকাৰৰ মাধ্যমিক শিক্ষা বিভাগে ৰাজ্যখনৰ ১১২খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। ইয়াৰে নগাঁও জিলাৰ সাতখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰাত সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজ উৎফুল্লিত হৈ পৰাৰ লগতে ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক কৃতজ্ঞতা জনাইছে। উল্লেখ্য যে চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি একাদশ শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তিৰ চাহিদা পূৰণ কৰিবলৈ এই শিক্ষানুষ্ঠানসমূহক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰা হৈছে। চৰকাৰৰ এই পদক্ষেপে নিশ্চিতভাৱে নামভৰ্তিৰ ক্ষেত্ৰত দেখা সমস্যা বহুখিনি সমাধান হ'ব। চৰকাৰে এই শিক্ষানুষ্ঠানসমূহক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰিছে যদিও এই শিক্ষানুষ্ঠানসমূহক উচ্চতৰ মাধ্যমিক পৰ্যায়ত শিক্ষকৰ অভাৱ ঘটিছে। কিয়নো এই শিক্ষানুষ্ঠানসমূহত বৰ্তমান কোনো নতুন শিক্ষক নিযুক্তি দিয়া নহয়। শিক্ষানুষ্ঠানসমূহত স্নাতকোত্তৰ ডিগ্ৰী থকা শিক্ষকসকলেই শিক্ষকৰ সেই চাহিদা পূৰণ কৰিব লাগিব। মনকৰিবলগীয়া যে যিকেইখন উচ্চ মাধ্যমিক বিদ্যালয়ত বৰ্তমান কৰ্তব্যৰত অতি কমেও চাৰিজনকৈ স্নাতকোত্তৰ ডিগ্ৰীধাৰী শিক্ষক আছে, সেই শিক্ষানুষ্ঠানসমূহকহে চৰকাৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে। তেনে ক্ষেত্ৰত এতিয়া চাৰিজন শিক্ষকৰে কেনেকৈ উচ্চতৰ মাধ্যমিকৰ অতি কমেও ছটাকৈ বিষয়ত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিব সেই লৈ এতিয়া বিদ্যালয় কৰ্তৃপক্ষ বিপাঙত পৰিব লগা হৈছে। যিহেতু চলিত বৰ্ষৰ পৰাই উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাঠদান কৰিব লাগিব, তেনে ক্ষেত্ৰত যোগ্যতা সম্পন্ন শিক্ষক বিচাৰি একাংশ বিদ্যালয়ৰ প্ৰধানসকলে হাহাকাৰ কৰিব লগা হৈছে। একাংশ বিদ্যালয় প্ৰধানে স্বেচ্ছামূলক পাঠদানৰ বাবে শিক্ষক বিচাৰি নিৰ্দিষ্ট বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী থকা নিবনুৱা অথবা অৱসৰপ্ৰাপ্ত শিক্ষকৰ ঘৰে ঘৰে ঘূৰি ফুৰিব লগা হৈছে। ইপিনে, উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণ কৰা শিক্ষানুষ্ঠান কেইখনত শীঘ্ৰে উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষকক নিযুক্তি দিবলৈ সচেতন মহলে চৰকাৰক দাবী জনাইছে।

# নৈনৈত দিন দুপৰতে চোৰে লুটিলে আ-অলংকাৰসহ চাৰিলাখ টকাৰ সামগ্ৰী

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২১ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ নৈনৈ আৰক্ষী চকীৰ অধীনৰ পাঠৰি আৰ্জুনতলত দুদিন পূৰ্বে নুৰজামাল নামৰ শিক্ষকজনৰ ঘৰত দিন দুপৰতে চোৰে চুৰি কাৰ্য সংঘটিত কৰে। বিশেষ কামত পৰিয়ালৰ সকলো লোক ওলাই যোৱাৰ সুবিধা গ্ৰহণ কৰি ঘৰৰ পিছফালৰ গ্ৰীল ভাঙি ঘৰৰ কাষৰে এটা পৰিয়ালে নুৰজামালৰ ঘৰত চুৰি কাৰ্য সংঘটিত কৰি নগদ ধনসহ চাৰিলাখ টকা মূল্যৰ আ-অলংকাৰ চুৰি কৰে। ইতিমধ্যে এই চুৰি কাৰ্যৰ লগত জড়িত গোফাৰ আলীৰ পুত্ৰ ক্ৰমে বাবামণি আলী আৰু বাবা আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে যদিও আন এজন অভিযুক্ত গফুৰ আলী বৰ্তমান পলাতক অৱস্থাত আছে। আৰক্ষীয়ে অভিযুক্ত কেইগৰাকীক গ্ৰেপ্তাৰ কৰিছে যদিও কোনো ধৰণৰ চুৰি হোৱা সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা নাই। এই ক্ষেত্ৰত নুৰজামালৰ পৰিয়ালে আনজন অভিযুক্তক শীঘ্ৰে গ্ৰেপ্তাৰ কৰাৰ লগতে চুৰি হোৱা সামগ্ৰীসমূহ উদ্ধাৰ কৰিবলৈ নগাঁও আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰক আহ্বান জনাইছে।

# ৰঙিয়াত ডকাইতি কাণ্ড ঃ ঘৰত গৃহস্থ নথকাৰ সুযোগতে লুট

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ২১ ছেপ্টেম্বৰ ঃ** ৰঙিয়াত গৃহস্থ নথকাৰ সুযোগত ঘৰৰ-দুৱাৰৰ তলা ভাঙি ডকাইতে লুটি নিলে কে'বা লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰৰ লগতে বিভিন্ন মূল্যবান সা-সামগ্ৰী। ৰঙিয়াৰ মানবেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ৰ প্ৰৱক্তা হবিবুল হকৰ ঘৰত ডকাইতৰ দলে দেওবাৰে সন্ধিয়াৰ ভাগত লুটপাট চলায়। ৰঙিয়াৰ চিৰাখুন্দিত সংঘটিত হয় এই ডকাইতিৰ ঘটনা। প্ৰৱক্তাজনে পৰিয়ালৰ স'তে এক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ যোৱাৰ সময়তে সংঘটিত হয় ডকাইতিৰ ঘটনাটো। ডকাইতৰ দলটোৱে ঘৰৰ পাছফালৰ দুৱাৰ ভাঙি ভিতৰত প্ৰৱেশ কৰে। পাছত লোৰ আলমাৰি ভাঙি সোণৰ আ-অলংকাৰ, নগদ ধনৰ লগতে বিভিন্ন মূল্যবান সা-সামগ্ৰী লুটি নিয়ে। ইতিমধ্যে ঘটনা সন্দৰ্ভত ৰঙিয়া থানাত তেওঁ এজাহাৰ দাখিল কৰিছে। ঘটনাৰ খবৰ পোৱাৰ পাছতে ৰঙিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও ডকাইতৰ দলটোৰ সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। ৰঙিয়া চহৰৰ সমীপত সন্ধিয়াৰ পৰতে এই ধৰণৰ ডকাইতি সংঘটিত হোৱাত সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# গোসাঁইগাঁও আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰত ঔষধি গছৰ কৰ্মশালা

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২১ ছেপ্টেম্বৰ ঃ** কৃষিকৰ্মৰ লগতে খেতিপথাৰত থকা ঔষধি গছ-লতা সম্পৰ্কে গুৰুত্ব দি কৃষকৰ উন্নতিৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ৰ যোৰহাটস্থিত কৃষি গৱেষণা কেন্দ্ৰৰ প্ৰকল্প অনুসন্ধান বিষয়া বিকাশ হাজৰিকাৰ বিশেষ উদ্যোগত ৰাজ্যজুৰি বনৌষধি তথা বিভিন্ন প্ৰকাৰৰ ঔষধি গছ-গছনিৰ প্ৰতি ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী পালন কৰি কৃষকৰ মাজত ঔষধি গছ সম্পৰ্কে কৰ্মশালা অনুষ্ঠিত কৰি থকা হৈছে। ইয়াৰে অংশৰূপে আজি গোসাঁইগাঁৱৰ তেলীপাৰাস্থিত আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰত সৰ্বভাৰতীয় ঔষধি, সুগন্ধি যুক্ত উদ্ভিদ আৰু পাণ গৱেষণা প্ৰকল্পৰ উদ্যোগত এখন কৰ্মশালা অনুষ্ঠিত হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ ড° বিকাশ হাজৰিকাৰ উদ্যোগত আৰু তেলীপাৰা আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত উক্ত কৰ্মশালাত অনুসূচিত জাতিভুক্ত কৃষকসকললৈ সঁজুলি বিতৰণ আৰু সচেতনতা সভা অনুষ্ঠিত হয়। উক্ত সভাত ঔষধি গছ-গছনি সম্পৰ্কে ভাষণ আগবঢ়ায় তেলীপাৰা আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° সুনীল পালে। তেওঁ বিভিন্ন উদ্ভিদৰ ঔষধি গুণাৱলী সন্দৰ্ভত ব্যাখ্যা কৰে। উক্ত কৰ্মশালাত ঔষধি গছ বাণিজ্যিক ৰূপত ৰোপণ কৰি কিদৰে আৰ্থিকভাৱে লাভ কৰিব পৰা যায় সেই বিষয়ে কৃষকসকলক ব্যাখ্যা কৰে ড° বিনোদ উপাধ্যায়ে।




*চিনামাৰা মহাবিদ্যালয়ৰ এন এছ এছৰ স্বাস্থ্য সজাগতা শিবিৰৰ দৃশ্য।*

# হাজোত অগপৰ সাংগঠনিক সভা

অগ্ৰদূত বাৰ্তা

**হাজো, ২১ ছেপ্টেম্বৰ ঃ** অগপৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে প্ৰতিটো লোকসভা সমষ্টিৰ সকলো বিধানসভা সমষ্টিত দলীয় সাংগঠনিক সভা অনুষ্ঠিত হোৱাৰ সমান্তৰালকৈ হাজো অগপ বিধান পৰিষদৰ যোৱা ১৯ ছেপ্টেম্বৰত এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। অগপৰ মুখ্য কাৰ্যালয় পঞ্চতীৰ্থ ভৱনত হাজো সমষ্টি অগপ বিধান পৰিষদৰ সভাপতি প্ৰদীপ কুমাৰ বড়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপস্থিত থাকে প্ৰাক্তন মন্ত্ৰী ডাঃ কমলা কলিতা, নুৰুল হুছেইন আৰু প্ৰাক্তন বিধায়ক জ্যোতি প্ৰসাদ দাসে। এই সভাতেই দামপুৰ গাঁও পঞ্চায়তৰ কংগ্ৰেছৰ সভানেত্ৰী ৰেছমিন বিনতে আলতাফে অগপত যোগদান কৰে। সভাত হাজো সমষ্টি অগপ বিধান পৰিষদৰ সম্পাদক বলী কলিতা, গোলোক ওজা, তথ্য-প্ৰযুক্তি বিভাগৰ সম্পাদক আতাউৰ ৰহমান, সমাজকৰ্মী আবুল কাছিম (বাপধন), হাইদৰ আলী শইকীয়া, মেৰিনা বেগম শইকীয়া সমন্বিতে দুই শতাধিক দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে।

# তামুলপুৰৰ কুমাৰীকাটাত ইউপিপিএলৰ যোগদান কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২১ ছেপ্টেম্বৰ ঃ** আসন্ন তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ কুচকাৱাজ আৰম্ভ হৈছে। তামুলপুৰ সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ইউপিপিএলয়ে কঁকালত টঙালি বান্ধিছে। কালি তামুলপুৰ সমষ্টিৰ কুমাৰীকাটা দুৰ্গা মন্দিৰত দৰংগাজুলি ব্লক ইউপিপিএলৰ উদ্যোগত এক যোগদান কাৰ্যসূচী আৰম্ভ হয়। দৰংগাজুলি ব্লক ইউপিপিএলৰ সভাপতি কমলেশ্বৰ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত যোগদান সভাত তামুলপুৰ জিলা বিপিএফৰ প্ৰাক্তন সভাপতি কেশৱ ৰাজবংশীয়ে

## তামুলপুৰ জিলা বিপিএফৰ প্ৰাক্তন সভাপতি কেশৱ ৰাজবংশীসহ অৰ্ধশতাধিকৰ ইউপিপিএলত যোগদান

৪৫ গৰাকী বিপিএফ কৰ্মীসহ ইউপিপিএলত যোগদান কৰাৰ উপৰি অন্যান্য দল সংগঠনৰ পৰা আহি ১৩ গৰাকী লোকে যোগদান কৰে। কুমাৰীকাটা দুৰ্গা মন্দিৰ প্ৰাংগণত অনুষ্ঠিত যোগদান অনুষ্ঠানত বিটিআৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ই এম দাওবৈছা বড়োই কয়, 'আজি ইউপিপিএলৰ বাবে সৌভাগ্যৰ দিন কিয়নো বিপিএফৰ শক্তিশালী নেতা কেশৱ ৰাজবংশীৰ লগতে বিপিএফৰ ৪৫ গৰাকী লোক দলত যোগদান কৰিছে। বিটিআৰত এতিয়া শান্তি প্ৰতিষ্ঠা হৈছে, কিন্তু তথাপিও একাংশ লোকে ইয়াক বিপথে পৰিচালিত কৰিবলৈ অহৰহ চেষ্টা অব্যাহত ৰাখিছে। ইউপিপিএলে মাথোঁ সাতমাহ শাসন কৰিয়েই কে'বাটাও দিশত উন্নয়ন কৰিছে। এতিয়াই ইমান পোৱা-নোপোৱাৰ হিচাপ নকৰি ইউপিপিএলৰ লগত সহযোগিতা কৰি যাবলৈ তেওঁ ৰাইজলৈ আহ্বান জনায়। যোগদান কাৰ্যসূচীত কেন্দ্ৰীয় নেতা মুজিব আলী আহমেদ, সুশীল দাস, ৰাফেল দৈমাৰী, তামুলপুৰৰ প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী, তামুলপুৰ জিলা ইুপিপিএলৰ সভাপতি সম্পাদক ক্ৰমে বিপুল বসুমতাৰী, ফণীন্দ্ৰ নাৰ্জাৰী, গয়বাৰী, ব্লক ইউপিপিএলৰ সম্পাদক কবিন চন্দ্ৰ বসুমতাৰী, তামুলপুৰ পৌৰসভাৰ অধ্যক্ষ প্ৰফুল্ল চন্দ্ৰ মহন্ত, ইউপিপিএলৰ নেতা জলেন দৈমাৰীসহ বহুসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

# মঙলদৈত বিজেপিৰ সংখ্যালঘু মৰ্চাৰ স্বচ্ছতা অভিযান

বিশেষ সংবাদদাতা

**মঙলদৈ, ২১ ছেপ্টেম্বৰ ঃ** ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১৭ ছেপ্টেম্বৰৰ জন্মদিনৰ লগত সংগতি ৰাখি বিজেপিৰ ৰাজ্যিক সমিতিয়ে যোৱা ১৭ ছেপ্টেম্বৰৰ পৰা অহা সাত অক্টোবৰলৈ পালন কৰা 'সেৱা আৰু সমৰ্পণ অভিযান' নামেৰে বিভিন্ন জনকল্যাণমূলক কাৰ্যসূচী হাতত লৈছে। উক্ত 'সেৱা আৰু সমৰ্পণ অভিযান'ৰ অংশৰূপে যোৱা ১৯ ছেপ্টেম্বৰত অসম ৰাজ্যিক সংখ্যালঘু মৰ্চাই মঙলদৈ জিলা বিজেপিৰ কাৰ্যালয়ৰ পৰা স্বচ্ছতা অভিযানৰ আৰম্ভ কৰে। মঙলদৈ ভেবাৰঘাট বাছ আস্থান আৰু মঙলদৈ চিভিল হাস্পতাল চৌহদত স্বচ্ছতা অভিযানৰ সামৰণি পেলায়। অনুষ্ঠানত বিজেপি জিলা সভাপতি অমৰেন্দ্ৰ শৰ্মা, সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক সভাপতি শান্তিয়াছ কুজুৰ, সাধাৰণ সম্পাদকদ্বয় মুস্তাক উদ্দিন আহমেদ আৰু শ্বহিদুল ইছলাম, উপসভাপতিত্বদ্বয় খলিলুৰ ৰহমান আৰু তবিবৰ ৰহমান, অঞ্জুমা বেগম, ছ'চিয়েল মিডিয়া কোষ আহ্বায়ক তাফজুল আলী, মিডিয়া কোষৰ আহ্বায়ক হজৰত জাকাৰিয়া ভূএগ্ৰা, সম্পাদকদ্বয় মিজান নুৰ ৰহমান, ইকবাল হুছেইন মজুমদাৰ, ছফিকুল হাচান, কাৰ্যালয় সম্পাদক য়াছপাল সিঙৰ লগতে ৰাজ্যিক, বিজেপিৰ সংখ্যালঘু মৰ্চাৰ কাৰ্যকৰ্তা, মঙলদৈৰ দলীয় কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে।

# শনিয়াদীত অসহায় দুৰ্ভগীয়া মহিলাৰ আৰ্তনাদ

## স্বামীৰ নিৰ্মম অত্যাচাৰত পংগুত্ব জীৱন

অগ্ৰদূত বাৰ্তা

**হাজো, ২১ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত শনিয়াদীত এগৰাকী অসহায় দুৰ্ভগীয়া মহিলাৰ কৰুণ কাহিনী। স্বামীৰ নিৰ্মম প্ৰহাৰত শাৰীৰিকভাৱে এগৰাকী অসহায় মহিলাই পংগুত্ব জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। উল্লেখ্য যে বিগত কে'বামাহমান আগতে হাজোৰ শনিয়াদী নিৱাসী উদণ্ড স্বামী জাহেৰ আলীৰ নৃশংস উপৰ্যুপৰি আক্ৰমণৰ বলি হৈ পত্নী মৰ্জিনা বেগম বৰ্তমান কৰ্মহীন হৈ শাৰীৰিকভাৱে পংগু হৈ পৰিছে। পাৰিবাৰিক কন্দলৰ পৰিণতিত স্বামীৰ নিৰ্মম প্ৰহাৰ তথা উপৰ্যুপৰি ঘপিওৱাৰ ফলত মহিলাগৰাকীৰ মূৰত আঘাত পোৱাৰ লগতে হাতৰ আঙুলি শৰীৰৰ পৰা বিচ্ছিন্ন হৈ পৰে। যাৰ বাবে অসহায় তিনি সন্তানৰ মাতৃ মৰ্জিনাই বৰ্তমান আৰ্থিক দৈন্যত কৰ্মহীন জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। বৰ্তমান মহিলাগৰাকীয়ে আৰ্থিক দৈন্যৰ পৰিণতিত উপযুক্ত চিকিৎসা লাভ কৰিব পৰা নাই। যাৰ বাবে অসহায় মহিলাগৰাকীয়ে এতিয়া বিচাৰিছে সুহৃদয়বানৰ পৰা আৰ্থিক সহায়। বিচাৰিছে বিধায়িকা সুমন হৰিপ্ৰিয়াৰ পৰা অকণমান সঁহাৰি। ইচ্ছুক সদাশয় ব্যক্তিয়ে মহিলাগৰাকীক সহায় কৰিব বিচাৰিলে ৮৬৩৮১-৬৬৭৮৫ নম্বৰত যোগাযোগ কৰিব পাৰিব। অৱশ্যে মহিলাগৰাকীৰ স্বামী জাহেৰ বৰ্তমান জেলত আছে।

# খহনীয়াগ্ৰস্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

অগ্ৰদূত বাৰ্তা

**লাহৰীঘাট, ২১ ছেপ্টেম্বৰ ঃ** খহনীয়াগ্ৰস্ত লাহৰীঘাট অঞ্চলৰ দুখীয়া দৰিদ্ৰক সহায়ৰ বাবে আগবাঢ়ি আহিছে বহিঃৰাজ্য হায়দৰাবাদৰ 'স্বাহায়াত ট্ৰাষ্ট' নামৰ স্বেচ্ছাসেৱী সংগঠন। স্বেচ্ছাসেৱী সংগঠনটোৰ ফালৰ পৰ অঞ্চলটোৰ নদী কাষৰীয়া গৰম বজাৰ, কাঠনিৰ লগতে মথাউৰিত বসবাস কৰা ২৩০ টা দৰিদ্ৰ পৰিয়ালক খাদ্য-সামগ্ৰী যোগান ধৰে। প্ৰতিটো পৰিয়ালক ২৫ কেজিকৈ চাউলৰ লগতে মিঠাতেল, পিঁয়াজ, দাইল, চাবোন, ছাৰ্ফৰ লগতে নিত্যব্যৱহাৰ্য সামগ্ৰী যোগান ধৰে। উল্লেখ্য যে তেজপুৰৰ বাসিন্দা ক্বাৰী হিফজুৰ ৰহমানৰ নেতৃত্বত যোৱা ২০ ছেপ্টেম্বৰত মৰিগাঁও জিলাৰ খহনীয়াগ্ৰস্ত লাহৰীঘাট অঞ্চলৰ দুখীয়া দৰিদ্ৰ পৰিয়ালসকলৰ মাজত খাদ্য সামগ্ৰীৰ লগতে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীসমূহ বিতৰণ কৰে। বহিঃৰাজ্যৰ স্বেচ্ছাসেৱী সংগঠনৰ এনে পদক্ষেপক খহনীয়াগ্ৰস্ত অঞ্চলটোৰ ৰাইজে শলাগ লোৱাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰে।



*মুকালমুৱাৰ সংহত শিশু উন্নয়ন প্ৰকল্পত পোষণ সভাৰ দৃশ্য।*

# শিঙিমাৰীত পথৰ দাঁতিত গছ কাটোতে গছ বাগৰি আহত বনকৰ্মী

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২১ ছেপ্টেম্বৰ ঃ** অভয়াপুৰী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত শিঙিমাৰীত কালি আবেলি পথৰ কাষত গছ কাটোতে গছ বাগৰি পৰাত বনকৰ্মী এজন গুৰুতৰভাৱে আহত হয়। উত্তৰ শালমাৰাৰ পৰা যোগীঘোপালৈ যোৱা চাৰিলেনযুক্ত ঘাইপথ নিৰ্মাণৰ বাবে পথৰ কাষৰ গছ কটাৰ দায়িত্ব পৰে বন বিভাগৰ। সেই মতে পথৰ কাষৰ গছ কাটোতে আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ বইটামাৰী উপ-বন সংমণ্ডলৰ বনকৰ্মী আমদাদুল ইছলামৰ গাত গছ বাগৰি পৰে। পাছত অতি সংকটজনক অৱস্থাত বঙাইগাঁও ল'ৰাৰ আছাম হাস্পতালত ভৰ্তি কৰে।

# সমাজে প্ৰগতিশীল ৰূপ লাভৰ অন্তৰালত নাৰী শক্তি মূল চালিকা শক্তি

## ■ বৰক্ষেত্ৰী সংহত শিশু উন্নয়ন প্ৰকল্পত পোষণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**চামতা, ২১ ছেপ্টেম্বৰ ঃ** 'বিশ্বৰ বুকুত ঘটা প্ৰতিটো ঘটনা-পৰিঘটনাৰ অন্তৰালত এক শক্তিৰ উৎস জড়িত হৈ থাকে। সমাজে প্ৰগতিশীল ৰূপ লাভ কৰাৰ অন্তৰালত নাৰী শক্তিয়ে প্ৰধান চালিকা শক্তি। নব্য আধাৰ। প্ৰেৰণা আৰু সাহসৰ প্ৰতিবিম্ব স্বৰূপ।' কালি নলবাৰী জিলাৰ বৰক্ষেত্ৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আৰু ২০টা অংগনৱাড়ী চক্ৰৰ সহযোগত আয়োজন কৰা মাহজোৰা পোষণ মাহৰ প্ৰকল্পৰ মূল সভাত সভাপতিৰ ভাষণত এইদৰে কয় বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মোবাৰক হুছেইনে। সভাৰ আৰম্ভণিতে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে বৰক্ষেত্ৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া অচ্যুত তালুকদাৰে। অংগনৱাড়ী কৰ্মীসকলে জিকিৰ, বড়ো নৃত্য, আয়তী নাম, নাগাৰ জুনানাম, বিহু নৃত্যগীতৰে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাই বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ ওচৰৰে গৈ মুকালমুৱা চাৰিআলি হৈ প্ৰকল্পত উপস্থিত হয়। ইয়াৰ পাছতে জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক মোবাৰক হুছেইনে। পোষণ মাহৰ বিশেষ সভাৰ আদৰণী ভাষণ ৰাখে প্ৰকল্প বিষয়া অচ্যুত তালুকদাৰে। সভাত বৰক্ষেত্ৰী শিক্ষা বিভাগৰ স্কুল পৰিদৰ্শক কিশোৰ ডেকা, মুকালমুৱা মহকুমা কৃষি বিষয়াই পোষণ মেলাৰ দ্বাৰ মুকলি কৰে। বিভিন্ন পৰিপুষ্টিত পাচলিৰে আয়োজন কৰা পোষণ মেলাই সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। নলবাৰী জিলাৰ চৰাঞ্চল থকা একমাত্ৰ প্ৰকল্প হিচাপে প্ৰকল্পটোৱে ইতিমধ্যেই গ্ৰামাঞ্চলত পোষণ সভা আৰু পোষণ মেলা অনুষ্ঠিত কৰি পুষ্টিহীনতাত আক্ৰান্তসকলৰ মাজত সজাগতাৰে এক নব্য সংগ্ৰামৰ সূচনাৰে চৰ অঞ্চলৰ উপৰি বৃহত্তৰ বৰক্ষেত্ৰী অঞ্চলত ৰক্তহীনতাত ভোগা মহিলা, পুষ্টিহীনতাত ভোগা শিশুক চিনাক্ত কৰি মুকালমুৱা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এনআৰচিলৈ প্ৰেৰণ কৰি সুস্থ কৰি আনি এক সুস্থ সমাজৰ সূচনা কৰাত অৰিহনা যোগাইছে বুলি বৰক্ষেত্ৰী সংহত শিশু উন্নয়ন প্ৰকল্পৰ পোষণ বিভাগৰ বিষয়া ড° অৰ্চনা কলিতাই কয়। সভাত বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি মৃন্ময় গোস্বামীয়ে অংগনৱাড়ী কৰ্মীসকলক প্ৰশংসা কৰি কয় যে কৰ্তব্যত অগ্ৰাধিকাৰ দি সমাজত ক'ভিডৰ দৰে মহামাৰীৰ পৰা বাছি থকাৰ সজাগতা বৃদ্ধিৰ যুঁজৰ একো একোজন যোদ্ধাৰ দৰে কৰ্তব্য পালন কৰিছে।

## অসম ৰাজ্যিক পথ পৰিবহণ নিগমৰ নতুন বাছ সেৰা মুকলি



অগ্রদূত ব্যুৰ’
**বঙাইগাঁও, ২১ ছেপ্টেম্বৰ ঃ** বঙাইগাঁৱস্থিত অসম ৰাজ্যিক পথ পৰিবহণ বিভাগে আজি এক নতুন বাছ সেৰা মুকলি কৰে। পুৱা ছয় বজাত বঙাইগাঁৱৰ পৰা গুৱাহাটীলৈ বাছ সেৱাৰ মুকলি কৰে বিভাগটোৱে। আজিৰ পৰা শীত-তাপ নিয়ন্ত্রিত বাছখন বঙাইগাঁও আৰু গুৱাহাটীৰ মাজত চলাচল কৰিব। এই বাছসেৱাই বঙাইগাঁৱৰ অভয়াপুৰী হৈ গুৱাহাটীলৈ যাত্রা কৰিব বুলি বিভাগটোৰ কৰ্তৃপক্ষই জানিবলৈ দিছে। বিভাগটোৰ বঙাইগাঁও সংমণ্ডলৰ অধীক্ষক বিজয়ানন্দ নেওগে আজি পুৱা আনুষ্ঠানিকভাৱে এই বাছ সেৱা মুকলি কৰে। অনুষ্ঠানৰ আঁত ধৰে সহকাৰী অভিযন্তা সন্তি তালুকদাৰে। অনুষ্ঠানত উপস্থিত থাকে আস্থান অধীক্ষক মধুলিকা কুমাৰীসহ বিভাগটোৰ অন্য কৰ্মচাৰীসকল।

## পূব নামবৰভাগ পঞ্চায়তত অনিয়ম তথ্য ফলক অবিহনে আঁচনিৰ কাম ৰূপায়ণ

**বৰমা, ২১ ছেপ্টেম্বৰ ঃ** দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কঠোৰ স্থিতি গ্ৰহণৰ কথা বাৰম্বাৰ কৈ অহাৰ পাছতো একাংশ পঞ্চায়ত প্ৰতিনিধি দুৰ্নীতিত নিমজ্জিত হৈ পৰা পৰিলক্ষিত হৈছে। নলবাৰী জিলাৰ টিহু-মথুৰাপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত ৪৬ নম্বৰ পূব নামবৰভাগ গাঁও পঞ্চায়তত এম জি এনৰেগা, চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত ৰূপায়িত বহুকেইটা উন্নয়নমূলক আঁচনিৰ কামত কামৰ তথ্য ফলক আঁৰি নিদিয়াক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে পঞ্চায়তে ৰূপায়িত কৰা প্ৰতিটো কাম যাতে স্বচ্ছ আৰু ভালদৰে ৰূপায়িত হয় তাৰ বাবে নিৰ্ধাৰিত কাম আৰম্ভ কৰাৰ প্ৰাকক্ষণতে ৰাইজক জ্ঞাত কৰাৰ উদ্দেশ্যে ফলকৰ ব্যৱস্থা কৰাটো নিয়ম। বহু বছৰ পূৰ্বৰে পৰা ফলকৰ বাবে নিৰ্দিষ্ট টকা নিৰ্ধাৰণ কৰি কাম আৰম্ভ কৰাৰ আগতেই আঁচনি ৰূপায়ণৰ ফলক আঁৰাটো বাধ্যতামূলক আছিল আৰু এই নিয়ম বৰ্তমানেও চলি আছে। কিন্তু শেহতীয়াকৈ দেখা গৈছে যে পূব নামবৰভাগ গাঁও পঞ্চায়তৰ বিভিন্ন আঁচনিৰ কামৰ ক্ষেত্ৰত ৰাইজক সম্পূৰ্ণ অন্ধকাৰত ৰাখি একাংশই আঁচনিৰ কাম সম্পাদন কৰিছে। পঞ্চায়তৰ তৰফৰ পৰা ৰূপায়িত কামসমূহ কিমান টকাৰ, কি আঁচনিৰ অন্তৰ্ভুক্ত, কামটো কেনেদৰে ৰূপায়ণ কৰিব লাগে এই বিষয়ে বিতংকৈ উল্লেখ কৰি ফলক আঁৰি দিব লাগে। কিন্তু পূব নামবৰভাগ গাঁও পঞ্চায়তৰ অধিকাংশ কামতেই একাংশই ৰূপায়িত কামটোৰ বিষয়ে ৰাইজক অৱগত নকৰাকৈ অৰ্থাৎ কোনো ধৰণৰ নিৰ্দিষ্ট ফলক আঁৰি নিদিয়াকৈ কাম আৰম্ভ কৰাৰ লগতে বহু কাম ফলক অবিহনেই শেষ কৰিছে। এনেদৰে ৰাইজক অন্ধকাৰত ৰাখি কাম কৰাৰ ফলতেই বহু উন্নয়নমূলক কাম সঠিক মতে ৰূপায়িত হোৱা নাই বুলিও সচেতন মহলে উল্লেখ কৰিছে। আনফালে পঞ্চায়তে ৰূপায়িত কৰা কাম-কাজ চোৱা-চিতাৰ বাবে কোনো বিভাগীয় বিষয়া নাথাকে নেকি আৰু যদি কাম চোৱা-চিতাৰ বাবে বিভাগীয় বিষয়া-কৰ্মচাৰী থাকে, তেনেহ’লে কেনেকৈ ফলক আঁৰি নিদিয়াকৈ কাম সম্পাদন কৰে।

## নলবাৰীত মানসিক ৰোগ সন্দৰ্ভত কলেজ শিক্ষকক প্ৰশিক্ষণ

অগ্রদূত বাৰ্তা
**নলবাৰী, ২১ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলা মানসিক স্বাস্থ্য সমিতিৰ উদ্যোগত আজি ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত কলেজ শিক্ষকসকলৰ মাজত এদিনীয়া মানসিক ৰোগৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। শিবিৰটো উদ্বোধন কৰে জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচুই। চিকিৎসালয় অধীক্ষক ডাঃ ধনঞ্জয় কলিতাই পৰিচালনা কৰা শিবিৰত মানসিক ৰোগ সন্দৰ্ভত চমু আভাস দাঙি ধৰে ডাঃ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্যই। শিবিৰত আত্মহত্যা আৰু ইয়াৰ প্ৰতিৰোধৰ ওপৰত আলোকপাত কৰে ডাঃ নিপুল মহন্ত, নিচাসক্তৰ ওপৰত ডাঃ নিপন ডেকা, চাইকোথেৰাপি সম্পৰ্কত মনোবিদ সংগীতা দাসে। মানসিক স্বাস্থ্য সমাজকৰ্মী চাৰ্মি দেৱীয়ে উদ্দেশ্য ব্যাখ্যা কৰা শিবিৰত চিকিৎসক ডাঃ অৰুণ বৰ্মন, ডাঃ কামেশ্বৰ লহকৰ, ডাঃ গকুল পাটোৱাৰীসহ বিভিন্ন কলেজৰ শিক্ষক উপস্থিত থাকে। শিবিৰত জিলা মানসিক স্বাস্থ্য সংস্থাই জিলাখনৰ শিক্ষকসকলৰ সহযোগত মানসিক স্বাস্থ্যৰ উন্নতি তথা পৰিৱৰ্তন আনিবলৈ পৰিকল্পনা তথা পদক্ষেপ গ্ৰহণ কৰাৰ বাবে সংকল্প গ্ৰহণ কৰে।

## মৰিগাঁৱৰ উলুবাৰীত উদ্ধাৰ হোৱা নৰকংকালক লৈ ৰহস্য অব্যাহত



অগ্রদূত বাৰ্তা
**মৰিগাঁও, ২১ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ উলুবাৰীত শেহতীয়াকৈ উদ্ধাৰ হোৱা এটি নৰকংকালক লৈ ৰহস্য অব্যাহত আছে। আনকি বৰ্তমান পৰ্যন্ত এই সম্পৰ্কে একো শুংসূত্ৰই উলিয়াবলৈ সক্ষম হোৱা নাই স্থানীয় আৰক্ষীয়ে। উল্লেখ্য যে জিলাখনৰ ভেলুগুৰি থানাৰ অন্তৰ্গত উলুবাৰী ব্ৰহ্মপুত্ৰ পাৰঘাটত কেইদিনমান পূৰ্বে স্থানীয় লোকে উৰলি গৈ নৰকংকালৰ ৰূপ ল’বলৈ ধৰা এটি মৃতদেহ প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে নৰকংকালটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ পাছত মৰিগাঁও অসামৰিক চিকিৎসালয়ে নৰকংকালটো গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। বৰ্তমান নৰকংকালটো জিএমচি হাস্পতালৰ মৰ্গত বিধি অনুসৰি চিনাক্তকৰণৰ বাবে ৰখা হৈছে। ইফালে, ঘটনাটোৰ সম্পৰ্কত ভেলুগুৰি আৰক্ষীয়ে এই পৰ্যন্ত কোনো শুংসূত্ৰ উলিয়াব নোৱৰাত স্থানীয় লোকৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ লগতে সমগ্ৰ ঘটনাটোৰ সন্দৰ্ভত এক উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী কৰিছে।

## গোৰেশ্বৰ-ৰঙিয়া গড়কাপ্টানী পথৰ শোচনীয় অৱস্থা

■ পথৰ মাজত পুখুৰী সদৃশ গাঁতৰ বাবে সংঘটিত দুৰ্ঘটনা



অগ্রদূত বাৰ্তা
**গোৰেশ্বৰ, ২১ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গোৰেশ্বৰ-ৰঙিয়া গড়কাপ্টানী পথটোৰ দুৰৱস্থাই ৰাইজক জ্বলা-কলা খুৱাইছে। ৰাইজৰ অভিযোগ অনুসৰি পথটোৰ মেৰামতিৰ অভাৱত বহু ঠাইত পুখুৰী সদৃশ গাঁত সৃষ্টি হৈছে। এজাক বৰষুণতে পথটোত থকা গাঁতসমূহত একাঁঠু পানীৰে পৰিপূৰ্ণ হোৱাত বহু পথচাৰী, মটৰ চাইকেল আৰোহী আদি দুৰ্ঘটনা পতিত হৈছে। ৰঙিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাক আৰু বিটিআৰৰ গোৰেশ্বৰ সমষ্টিৰ পাৰিষদ পবিত্ৰ কুমাৰ বড়োক পথছোৱা অতি শীঘ্ৰে মেৰামতি কৰি যাতায়াত ব্যৱস্থা সুচল কৰিবলৈ স্থানীয় ৰাইজে অনুৰোধ জনাইছে। উল্লেখ্য যে লোক নিৰ্মাণ বিভাগৰ অধীনত ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজি ২০২০-২১ৰ আবণ্টিত ধনেৰে নিৰ্মাণৰ কাম আধাৰশিলা স্থাপন কৰা হৈছে যদিও আজিও পথটোৰ উন্নতিকৰণৰ কাম আজিলৈ আৰম্ভ কৰা হোৱা নাই।

## হাউলী ঘিলাজাৰী মৌজাৰ সহায়ক ডালিম কলিতাৰ মৃত্যু

অগ্রদূত বাৰ্তা
**হাউলী, ২১ ছেপ্টেম্বৰ ঃ** হাউলী দলাগাঁও নিবাসী তথা হাউলী ঘিলাজাৰী মৌজাৰ সহায়ক ডালিম কলিতা (৬৮)ৰ আজি পুৱা জিএমচি হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ যোৱা ১৬ ছেপ্টেম্বৰত হৃদৰোগত আক্ৰান্ত হোৱাত তেওঁক বৰপেটা চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰে। কিন্তু স্বাস্থ্যৰ অৱনতি ঘটাত পিছদিনা গুৱাহাটীৰ নাৰায়ণা হাস্পতালত ভৰ্তি কৰাৰ পাছত ১৮ ছেপ্টেম্বৰত জিএমচি হাস্পতালত ভৰ্তি কৰা হয়। তেওঁ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে দুই পুত্ৰক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰিছে।

## নলবাৰীত সমাজকৰ্মী গদাধৰ পাঠকৰ মৃত্যু

অগ্রদূত বাৰ্তা
**নলবাৰী, ২১ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ কৃষ্ণ নগৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ, বিদ্যুৎ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী গদাধৰ পাঠক (৬৬)ৰ আজি মৃত্যু হোৱা খবৰে গভীৰ শোকৰ ছাঁ পেলাইছে। পাঠকে নলবাৰীৰ শ্ৰীশ্ৰী হৰিমন্দিৰৰ নিষ্ঠাবান কৰ্মী হিচাপে কাম কৰাৰ লগতে বিভিন্ন অনুষ্ঠানত জড়িত আছিল। তেওঁৰ মৃত্যুত স্থানীয় সাংসদ দিলীপ শইকীয়া, বিধায়ক জয়ন্ত মল্ল বৰুৱা, নলবাৰী উন্নয়ন প্ৰাধীকৰণৰ অধ্যক্ষ বনদ্বীপ ডেকা, সাংবাদিক পৰিষদ অসমৰ সভাপতি চন্দ্ৰ কুমাৰ বৰুৱা, সাধাৰণ সম্পাদক ৰবীন দাস, জিলা সভাপতি শৈলেন্দ্ৰ গোস্বামী, সাধাৰণ সম্পাদক প্ৰাঞ্জল শৰ্মা, হৰিমন্দিৰৰ সভাপতি তথা প্ৰাক্তন বিধায়ক অশোক শৰ্মা, সাধাৰণ সম্পাদক নগেন ডেকা, আছু, যুৱ-ছাত্ৰ পৰিষদ সহ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পুত্ৰ আৰু কন্যাসহ বহু আত্মীয়ক এৰি যায়।

## আজি উদালী সমবায় সমিতিৰ বাৰ্ষিক সভা


অগ্রদূত বাৰ্তা
**কাকী, ২১ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ কাকী মৌজাৰ উদালী সমবায় সমিতি লিমিটেডৰ ২০২১-২২ বিত্তীয় বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভা কাইলৈ আহ্বান কৰা হৈছে। পুৱা ১০-৩০ বজাত সমবায় চৌহদত অনুষ্ঠিত হ’বলগীয়া সভাত সমিতিৰ সকলো অংশীদাৰ ৰাইজক সম্পূৰ্ণ ক’ভিড বিধি মানি উপস্থিত থাকিবলৈ এক বিবৃতিযোগে অনুৰোধ জনাইছে সমিতিখনৰ সভাপতি চিৰাজুল হক আৰু সম্পাদক মাৰুফ আহমেদে।

## তামুলপুৰৰ লতিবাৰীত বনৰীয়া হাতী চাবলৈ গৈ দুই ছাত্ৰ নিৰুদ্দেশ

অগ্রদূত বাৰ্তা
**তামুলপুৰ, ২১ ছেপ্টেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ নাগ্ৰীজুলি আৰক্ষী চকীৰ অন্তৰ্গত লতিবাৰীৰ বৰলীয়াপাৰ গাঁৱৰ এগৰাকী নৱম শ্ৰেণীৰ ছাত্ৰৰ স’তে মাজগাড়ী গাঁৱৰ আন এজন ১০ বছৰীয়া কিশোৰ নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নিৰুৰ্দ্দিষ্ট ছাত্ৰজন হৈছে বৰলীয়াপাৰ গাঁও নিবাসী শ্যামল শীলৰ পুত্ৰ ৰাজীৱ শীল (১৫) আৰু আনজন হৈছে মাজগাড়ী গাঁৱৰ বিনন দাস (১০)। ৰাজীৱ শীল লতিবাৰী শংকৰদেৱ শিশু নিকেতনৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ। কালি আবেলি পাঁচমান বজাত অঞ্চলটোত বনৰীয়া হাতীৰ জাক এটা প্ৰৱেশ কৰাত ৰাজীৱ মাজগাড়ীৰ বিনন দাসৰ স’তে হাতী চাবলৈ গৈছিল। ৰাজীৱ ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত মাক-দেউতাক ঘৰত নাছিল। সন্ধিয়া মাক-দেউতাক লতিবাৰীৰ পৰা আহি ঘৰত পুত্ৰক দেখা নাপাই হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। বিভিন্ন ঠাইত ৰাজীৱক বিচাৰ-খোচাৰ কৰে যদিও আজি পৰ্যন্ত ৰাজীৱৰ সন্ধান পোৱা নাই। পৰিয়ালৰ লোকে আজি নাগ্ৰীজুলি আৰক্ষীক খবৰ দিয়াত নাগ্ৰীজুলি আৰক্ষীয়েও ছাত্ৰ আৰু কিশোৰজনৰ সন্ধান চলায় যদিও বাতৰি সংগ্ৰহৰ সময়লৈ নিৰুদ্দিষ্ট দুয়োজনৰ কোনো সন্ধান পোৱা নাই।



## বিলাসনন্দন চ'ৰা



# কুকুৰৰ বিস্কুট নাই

**পাপ্পুৰ** কুকুৰটোৰ কথা মনত আছেনে? সেই যে প্লেটৰ পৰা বিস্কুট নি খাইছিল। তাকে লৈ কম হাংগামা হৈছিল নেকি? সেই কুকুৰটোৰ আজিকালি বৰ দুখ! পঞ্জাবৰ কেপ্টেইনৰ খবৰটো পাই কুকুৰটো একেবাৰে দুখত ভাগি পৰিছে। সমস্যা এটা আছে কুকুৰটোক লৈ। সি মানে কাঁহীত সাজি দিয়া খাদ্যবোৰ নাখায় বা খাবলৈ বেয়া পায়। সৰুৰে পৰা সি ঘৰলৈ বহু আলহী দেখিছে। আলহীবোৰক চাহ-বিস্কুট দিয়া দেখিছে। সি গৈ আলহীক দিয়া প্লেটৰ পৰা বিস্কুটখন কামুৰি লৈ আহে। পাপ্পুৰ কুকুৰে খাইছে। গতিকে কোনো আলহীয়ে বেয়া নাপায়। ওলোটাকৈ মূৰটো পিহি মৰমহে কৰি দিয়ে। কুকুৰটোৱে কেতিয়াবা খাবলৈ মন নকৰিলে আলহীবোৰে জোৰকৈ খুৱাই দিব খোজে। বহুতে তাক পাপ্পী বুলিও মাতিছিল। পাপ্পুৰ কুকুৰ যেতিয়া নামটো পাপ্পীয়ে হ'ব। ইমান বেছি মৰমৰ মাজত থাকোতে থাকোতে কুকুৰটোৰ বদঅভ্যাস হৈ গ'ল। আলহীক দিয়া বস্তুবোৰহে খায়, কাঁহীত সাজি দিয়া খাদ্যবোৰ নাখায়।

হঠাতে কুকুৰটোৱে মন কৰিলে—চিটুৰেছন চেঞ্জ হৈছে। আগৰ দৰে ঘৰখনলৈ আলহী নাহে। যি দুই-এজন আলহী আহে, সিহঁতে নিজে বিস্কুট কিনি আনে। চাহৰ লগত খাবৰ কাৰণে। দুই-এজনে মনত কৰি কুকুৰটোৰ কাৰণেও আনে, কিন্তু সেয়া কুকুৰে খোৱা বিস্কুটহে; কিন্তু পাপ্পুৰ কুকুৰেতো কুকুৰে খোৱা বিস্কুট নাখায়, আলহীয়ে খোৱা বিস্কুটহে খায়। আলহীক দিয়া বিস্কুট এতিয়াও খায়। কিন্তু বিস্কুটবোৰৰ আগৰ দৰে টেষ্ট নাই। তাতে আকৌ সংখ্যাতো বৰ কম। এখন খোৱাৰ পাছত খাবলৈ দ্বিতীয়খন নাথাকে। পাপ্পুৰো আজিকালি আগৰ জৌছ নাই। আলহীক চাহ দিলে যদি দিলে, নিদিলেও কথা নাই। সেইবোৰক লৈ আৰু মূৰ নঘমায়। তাতোকৈ ডাঙৰ কথা—আজিকালি আলহীৰ সংখ্যা কমি আহিছে। বেছিভাগ এজনো নাহে, মাজে মাজেহে দুই-এজন আহে। দুই-এজনক দিয়া বিস্কুটেৰে তাৰ পেট নভৰে।

এদিন ঘৰৰ বাৰাণ্ডাতে পাপ্পু বহি আছিল। নেজ জোঁকাৰি জোঁকাৰি কুকুৰটোৱেও গৈ পাপ্পুৰ ভৰিৰ কাষত বহিল। পাপ্পুৰ মুখলৈ চালে আৰু সুধিলে—'পঞ্জাবত কি হ'ল?'

ঃ কেপ্টেইন গ'ল।
ঃ কিয় গ'ল?
ঃ ক্ৰিকেটাৰজনে বৰকৈ হাঁহে বোলে। সহ্য নহ'ল।
ঃ কি হ'ব এতিয়া? কি কৰিব আপুনি?
ঃ ময়ো ভাবি আছো।
ঃ কি?
ঃ ময়ো গুচি যাওঁ নেকি?
ঃ ক'লৈ?
ঃ নকওঁ। মই হঠাতে ক'লৈ যাওঁ, সেয়া মই কাকো কেতিয়াও নকওঁ।
ঃ মোকো ক'ব নোৱাৰেনে?
ঃ তোকতো আৰু ক'ব নোৱাৰি।
ঃ কিয়?
ঃ কোনোবাই বিস্কুট খুৱাই দিলেই তই বকি দিবি।

কুকুৰটোৱে নেজডাল জোঁকাৰি দুবাৰমান 'ভৌ ভৌ' কৰিলে। পুনৰ সুধিলে—'আজিকালি আগৰ দৰে ভিৰ নহয়।'

ঃ নহ'বই। ছ'চিয়েল ডিষ্টেন্সিং।
ঃ আলহীবোৰো নাহে।
ঃ আহিনো কি ফটাব? দল ফাটি ফাটি গৈয়ে আছে দেখোন।
ঃ আলহীক বিস্কুটো কমকৈ দিয়া হয়।
ঃ দহ বছৰে চাকৰি নাই। খৰচ কমাব লাগিবই।
ঃ ষাঠি বছৰেতো অকলেই খালে।



ঃ তাতে কি হ'ল? আৰু যদি কেতিয়াও খাবলৈ নাপাওঁ, আগৰ খোৱাবোৰেদিয়েতো খাব লাগিব।
ঃ মই কিন্তু নোখোৱাকৈ থাকিব নোৱাৰো।
ঃ তোৰ কথা তই জান?
ঃ সেইকাৰণে মই ঠিক কৰিছো----
ঃ কি?
ঃ মই আৰু আপোনাৰ লগত নাথাকো। পাৰ্টি চেঞ্জ কৰিম।
ঃ ক'লৈ যাবি তই?
ঃ ঠিক কৰা নাই। বহুত অ'ফাৰ আহি আছে।
ঃ কি পোষ্টত যাবি?
ঃ কুকুৰটোৱে 'ভৌ ভৌ' কৰি ক'লে—'লাইটপোষ্টতে যাম বুলি ভাবিছো। ঐতিহ্য ৰক্ষা হ'ব।'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# কৃষ্ণাইৰ ধাননি পথাৰত অচিন ৰোগৰ আক্ৰমণ ঃ মূৰে কপালে হাত দিছে কৃষকে



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২১ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইকে ধৰি বিভিন্ন অঞ্চলৰ খেতিপথাৰত আৰম্ভ হৈছে অচিন ৰোগৰ সন্ত্ৰাস। আহিন মহীয়া সঁজাল ধৰা সেউজীয়া ধাননিত অচিন ৰোগৰ আক্ৰমণত সন্ত্ৰস্ত হৈ উঠিছে হাৰিমুৰা, ভেলাখামাৰ, মাণিকপুৰ, লালাবৰি, টেঙাবাৰী আদি অঞ্চলৰ কৃষকসকল। এফালে, কৰ'নাসৃষ্ট পৰিস্থিতি, তাৰ মাজতে আকৌ আশাৰ সম্বল স্বৰূপ ধাননিডৰাত অচিন ৰোগৰ আক্ৰমণে খেতিয়কসকলক দিশহাৰা কৰি তুলিছে। কৃষকসকলে জনোৱা মতে, এই ৰোগৰ আক্ৰমণত ধান গছবোৰৰ পাতবোৰ ক্ৰমে ৰঙা হৈ পৰে। কৃষকসকলে বিভিন্ন ধৰণৰ ঔষধ, কীটনাশক দৰৱ আদি প্ৰয়োগ কৰিও উপকৃত হ'ব পৰা নাই। ইয়াৰ বিপৰীতে এই ক্ষেত্ৰত জিলা কৃষি বিভাগ একেবাৰে উদাসীন বুলি অভিযোগ স্থানীয় কৃষকসকলৰ। বিভাগটোৰ কোনো বিষয়াই এই অচিন ৰোগৰ পৰা কৃষকসকলক উদ্ধাৰ কৰাত গুৰুত্ব প্ৰদান কৰা নাই বুলি মুকলি অভিযোগ বহু সাধাৰণ কৃষকৰ। এনেকি গ্ৰাম সেৱকসকলেও পথাৰ পৰিদৰ্শন নকৰে বুলি ক্ষোভ ব্যক্ত কৰিছে খেতিয়কসকলে। সচেতন মহলে কৃষি বিভাগক অচিন ৰোগ বিধৰ বিৰুদ্ধে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।










অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com